● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত


সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

জীৱন জীয়াই থকাৰ সমান্তৰালভাৱে আমি মৃত্যুকো লালন-পালন কৰি থাকো। আমি শিকিবলগীয়া বহু সত্যৰ ভিতৰত ইও এটা।

হাৰুকি মুৰাকামি
*জাপানী সাহিত্যিক*



৭ যানবাহন আইন উলংঘনৰে ১৮৯৯ কোটিৰ জৰিমনা
১৫ পূৰ্ণগতিত চলিছে বৰদলৈ ট্ৰফী ফুটবল
৪ সাম্প্ৰদায়িক গতিবিধিৰ আলেখ-লেখ

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৬৬তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১১ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৬ মাৰ্চ ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Saturday 26 March 2022 মূল্য ঃ ৯.০০ টকা

■ কুইণ্টলে প্ৰতি ৫,৫০০ টকীয়া ৰডৰ মূল্য ৮,৫০০ টকালৈ বৃদ্ধি ■ প্ৰতিবেগ চিমেণ্টৰ মূল্য ৫০ টকা পৰ্যন্ত বৃদ্ধি ■ প্ৰতি লিটাৰ ৰঙৰ মূল্য ৩০ টকা পৰ্যন্ত বৃদ্ধি ■ দিশহাৰা সাধাৰণ গ্ৰাহক

# নিৰ্মাণ সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি

■ ব্যৱসায়ীৰ অজুহাত ঃ নিৰ্বাচনী চান্দা-ছিণ্ডিকেট-কেঁচামালৰ অভাৱেই মূল্যবৃদ্ধিৰ কাৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ মাৰ্চ ঃ** চৰকাৰী প্ৰকল্প বাদ দিলে, শেহতীয়াকৈ ৰাজ্যত গৃহ নিৰ্মাণ কাৰ্য প্ৰায় স্তব্ধ। সম্ভ্ৰান্ত পৰিয়ালসমূহৰ বাহিৰে মধ্যবিত্ত অথবা নিম্ন মধ্যবিত্ত পৰিয়ালসমূহৰ সপোনৰ ঘৰখন বনোৱাৰ দীৰ্ঘদিনীয়া সপোন এতিয়া চূৰ্ণ-বিচূৰ্ণ হৈছে। কিয়নো নিৰ্মাণ সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে বৰ্তমান ব্যৱসায়ী, গৃহস্থ উভয় পক্ষকে হতভম্ব কৰি তুলিছে। মাত্ৰ যোৱা এমাহত প্ৰতিদিনে নিৰ্মাণ সামগ্ৰীৰ মূল্যবৃদ্ধি হৈ এই প্ৰতিবেদন যুগুতোৱা সময়লৈকে এক কুইণ্টলত ৫৫০০ টকীয়া ৰডৰ মূল্য ৮,৫০০ টকা হৈছে। মাত্ৰ দুদিনমান পূৰ্বে এই মূল্য ৯,৫০০ টকা হৈছিল। প্ৰতিটিন ৰডৰ মূল্য আজি ২৫ হেজাৰৰ পৰা ৩০ হেজাৰ টকালৈ বাঢ়িছে। উদাহৰণস্বৰূপে ৰাজ্যৰ বাহিৰৰ পৰা প্ৰতিবেগ ডালমিয়া চিমেণ্টৰ দাম ৪২০ টকাৰ পৰা বৃদ্ধি হৈ ৪৫০ টকা হৈছে। তদুপৰি বিভিন্ন দোকান আৰু অঞ্চলভেদে এই মূল্যবৃদ্ধিৰ যথেষ্ট তাৰতম্যও আছে। যাতায়াতৰ ব্যয়ৰ বাবে এনে হয় বুলি যুক্তি প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰে একাংশ ব্যৱসায়ীয়ে। আনহাতে, স্থানীয়ভাৱে উৎপাদিত চিমেণ্টৰ দামো একেদৰে বৃদ্ধি পাইছে। সেইদৰে ৬০ টকীয়া এক লিটাৰ ৰঙৰ দাম ৮৫ টকা আৰু প্ৰতিবেগ চিমেণ্টৰ দাম ৫০ টকা পৰ্যন্ত বৃদ্ধি পাইছে। অৰ্থাৎ চিমেণ্টৰ দাম বাদ দিলে ৰং আৰু ৰডৰ মূল্যবৃদ্ধি প্ৰায় ৪০ৰ পৰা ৭০ শতাংশ হৈছে। নিৰ্মাণ সামগ্ৰীৰ শেহতীয়া মূল্যবৃদ্ধিত অসহায় অনুভৱ *১০ পৃষ্ঠাত চাওক*



*উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰা যোগী আদিত্য নাথক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অভিনন্দন।*

■ প্ৰধানমন্ত্ৰী মোদী-বিজেপিৰ মুখ্যমন্ত্ৰীসকল-বলিউদৰ তাৰকাৰ উপস্থিতিত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ আদিত্য নাথৰ ■ দুই উপ-মুখ্যমন্ত্ৰীসহ ৫২ মন্ত্ৰীৰো শপতগ্ৰহণ

# সুদীৰ্ঘ ৩৭ বছৰীয়া অভিলেখ ভংগ যোগীৰ

মন্দিৰৰ মহন্তৰ পৰা 'বুলড'জাৰ বাবা'লৈ ■ প্ৰত্যাশিতভাৱেই হস্তগত বাঘজৰী

**■ নিউজ ব্যুৰ'**

**লক্ষ্ণৌ/নতুন দিল্লী, ২৫ মাৰ্চ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় মন্ত্ৰীসকল, অসমৰ হিমন্ত বিশ্ব শৰ্মাসহ বিজেপিশাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল আৰু সহযোগী নেতা নীতিশ কুমাৰ আদিৰ উপস্থিতিত আজি উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীৰূপে একেৰাহে দ্বিতীয়বাৰলৈ যোগী আদিত্য নাথৰ শপতগ্ৰহণ অনুষ্ঠানক শক্তি প্ৰদৰ্শনৰ 'মেগা শ্ব' আখ্যা দিছে দলে। উত্তৰ প্ৰদেশত একেৰাহে দুবাৰকৈ মুখ্যমন্ত্ৰী হোৱাটো ৩৭ বছৰৰ পাছৰ এক নতুন অভিলেখ। আজি আদিত্যনাথৰ উপৰি ৫২জন মন্ত্ৰীয়েও শপত লয়। নেতৃত্বই অহা ২০২৪ৰ লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অতি সতৰ্কতাৰে এইসকলক বাছনি কৰিছে। সদ্যসমাপ্ত নিৰ্বাচনত পৰাজিত অন্যান্য পিছপৰা শ্ৰেণীৰ নেতা কেশৱ প্ৰসাদ মৌৰ্যক পুনৰ উপ-মুখ্যমন্ত্ৰীৰ আসন দিয়া হৈছে। তেওঁৰ লগতে ব্ৰাহ্মণ নেতা ব্ৰজেশ পাঠককো উপ-মুখ্যমন্ত্ৰীৰ দায়িত্ব দিয়া হৈছে। আজি শপত গ্ৰহণ কৰা *১০ পৃষ্ঠাত চাওক*



*১৯৮০ত অজয় কুমাৰ বিষ্ট, আজিৰ যোগী আদিত্য নাথ।*

## পুনৰ আৰক্ষীৰ গুলিত আহত হ'ল ড্ৰাগছ সৰবৰাহকাৰী

আহত আৰক্ষী বিষয়া

**অগ্ৰদূত বাৰ্তা**

**বোকাজান, ২৫ মাৰ্চ ঃ** ৰাজ্যত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত থকাৰ সময়তে যোৱা নিশা বোকাজানত আৰক্ষীৰ গুলিত আহত হয় এজন ড্ৰাগছ সৰবৰাহকাৰী। *১০ পৃষ্ঠাত চাওক*

## নগাঁৱত গৰুৰ চোৰাং বেহা অব্যাহত, পুনৰ ২৬টা গৰুসহ বাহন জব্দ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৫ মাৰ্চ ঃ** অবৈধ চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে নগাঁও আৰক্ষীয়ে অভিযান চলাই থকাৰ মাজতে জিলাখনত এনে বেহা অব্যাহত আছে। প্ৰায়েই জিলাখনৰ বিভিন্ন আৰক্ষী থানাৰ সন্মুখেৰে মেঘালয়লৈ *১০ পৃষ্ঠাত চাওক*

■ ৰাজ্যসভাৰ নিৰ্বাচনক লৈয়ে আজমলৰ নেতৃত্বত জৰুৰী বৈঠক

■ হোটেল বন্দী নহ'লেও হোষ্টেল বন্দী হ'বই ঃ তৎপৰ কংগ্ৰেছো

# তীক্ষ্ণ নজৰত ৰখা হৈছে ইউডিএফৰ বিধায়কক, ঘৰে ঘৰে গৈ যোগাযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ মাৰ্চ ঃ** ৰাজ্যসভাৰ নিৰ্বাচনক লৈ শাসক বিৰোধী উভয় পক্ষ তৎপৰ হৈ থকাৰ সময়তে অধিক সচেষ্ট আৰু সতৰ্ক হৈ আছে এআইইউডিএফ। বিৰোধী শিবিৰৰ ক্ৰছ ভোটিং, বিধায়কৰ অনুপস্থিতি, ভুলকৈ ভোটদান আদিৰ জৰিয়তে শাসক পক্ষই দুয়োখন আসনতে বিজয়ী হ'ব বুলি তুমুল প্ৰচাৰ চলাই থকাৰ মাজতে এনে কোনো বিষয়ৰ বাবে যাতে দায়ী হ'বলগীয়া নহয় তাৰ বাবে দলীয় নেতৃত্ব তৎপৰ বুলি সূত্ৰত প্ৰকাশ। আজি নিশা দলৰ মুৰব্বী বদৰুদ্দিন আজমলৰ নেতৃত্বত এনে বিষয়বোৰ আলোচনাৰ বাবেই এক বৈঠক অনুষ্ঠিত হোৱাৰ কথা। বৈঠকত কোনোপধ্যে যাতে এটা ভোটো বাতিল নহয়, সেই সম্পৰ্কত বিধায়কসকলক দলীয় মুৰব্বীয়ে সতৰ্ক কৰি দিব। অৱশ্যে এই মুহূৰ্তলৈ কোনো আনুষ্ঠানিক প্ৰশিক্ষণ দিয়া নাই যদিও দলৰ কনিষ্ঠ *১০ পৃষ্ঠাত চাওক*

## মহানগৰীত 'ডকাইতি'ক লৈ ৰহস্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ মাৰ্চ ঃ** গুৱাহাটী মহানগৰীত যোৱা নিশাৰে পৰা আজি পুৱা পৰ্যন্ত সংঘটিত হয় এক ডকাইতিৰ ঘটনা। ৰিহাবাৰীৰ এ কে আজাদ ৰোডস্থিত নিউ ৰাজধানী ৰেডিং ষ্ট'ৰত এটা ৪০-৫০ জনীয়া ডকাইতৰ দলে লুটপাট চলায়। দলটোৱে *১০ পৃষ্ঠাত চাওক*

স্ক্ৰীণিং কমিটীৰ বৈঠক সম্পন্ন ঃ প্ৰচাৰ অভিযানৰ ৰণকৌশল নিৰ্ধাৰণ

বিহুত জিএমচিৰ নিৰ্বাচন ঃ বিজেপি চৰকাৰক অসমীয়া বিৰোধী আখ্যা

# মহানগৰীৰ ৬০টা ৱাৰ্ডৰ বাবে কংগ্ৰেছৰ প্ৰাৰ্থী তালিকা চূড়ান্ত, আজি ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ মাৰ্চ ঃ** আগন্তুক ৰঙালী বিহুৰ সময়তে অনুষ্ঠিত হ'বলগীয়া গুৱাহাটী পৌৰ নিগম (জিএমচি)ৰ নিৰ্বাচনত ৬০ টা ৱাৰ্ডতে প্ৰতিদ্বন্দ্বিতা কৰিব কংগ্ৰেছে। আজি দলৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বত সম্পন্ন হোৱা স্ক্ৰীণিং কমিটীৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই নিৰ্বাচনত দলে এককভাৱে প্ৰতিদ্বন্দ্বিতা কৰাৰো সিদ্ধান্ত লয়। প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই জনোৱা মতে, পৌৰ নিৰ্বাচনৰ বাবে আজি ৬০ জনীয়া প্ৰাৰ্থী তালিকা চূড়ান্ত কৰা হৈছে। স্ক্ৰীণিং কমিটীয়ে আজি আবেদনসমূহ পৰীক্ষা-নিৰীক্ষা কৰি ৬০ জনীয়া তালিকা প্ৰায় চূড়ান্ত কৰে। এই বৈঠকত বিগত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থী তথা বৰ্তমান প্ৰদেশ মহিলা কংগ্ৰেছৰ *১০ পৃষ্ঠাত চাওক*

■ হেজাৰ হেজাৰ মহিলাৰ প্ৰতিবাদত উত্তাল হৈ পৰিল খানাপাৰা ■ শিক্ষামন্ত্ৰীৰে বৈঠকত দাবী পূৰণৰ আশ্বাস ■ চৰকাৰক সকীয়নি


# টেট শিক্ষকৰ পাছত মধ্যাহ্ন ভোজন ৰান্ধনী-সহায়িকাৰ 'নিদ্ৰাভংগ ৰেলী'

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ মাৰ্চ ঃ** কালি কাহিলিপাৰাত টেট শিক্ষকৰ পাছত আজি পাৰিশ্ৰমিক বৃদ্ধিৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে সদৌ অসম উচ্চ প্ৰাথমিক মধ্যাহ্ন ভোজন ৰান্ধনী-সহায়িকা সন্থাই। দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবীত সহস্ৰাধিক মধ্যাহ্ন ভোজন ৰান্ধনী-সহায়িকাই উত্তাল কৰি তোলে খানাপাৰাৰ খেলপথাৰ। *১০ পৃষ্ঠাত চাওক*




## মঙলদৈত দিন দুপৰতে ঘোঙৰ আৱিৰ্ভাৱ, আক্ৰমণত আহত তিনি



**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৫ মাৰ্চ ঃ** মঙলদৈ নগৰৰ মাজমজিয়াত আজি দিন দুপৰতে এটা ঘোঙৰ আৱিৰ্ভাৱে নগৰবাসীক *১০ পৃষ্ঠাত চাওক*






| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২০° |
| ডিব্ৰুগড় | ২১° | ১৮° |
| দিল্লী | ৩৫° | ২১° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ৩২° | ২৬° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ৩১° | ২১° |
| শ্বিলং | ২২° | ১৪° |

*২৫ মাৰ্চ, ২০২২*

সম্পূৰ্ণ নিয়ন্ত্ৰণত আনিবলৈ সক্ষম নহ'ল

# ইউক্ৰেইনত যুদ্ধৰ প্ৰথম অধ্যায়ৰ সামৰণি ঘোষণা কৰিলে ৰাছিয়াই



**নিউজ ব্যুৰ'**

**কিয়েভ, ২৫ মাৰ্চ ঃ** ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াৰ সামৰিক অভিযানৰ প্ৰথম পৰ্যায় প্ৰায় সম্পূৰ্ণ হৈছে। ৰাছিয়াই এইবাৰ পশ্চিম ইউক্ৰেইনৰ ডনবাস্ক অঞ্চল সম্পূৰ্ণৰূপে স্বাধীন কৰাত গুৰুত্ব আৰোপ কৰিব। ৰুছ বৈদেশিক মন্ত্ৰণালয়ে আজি এই কথা প্ৰকাশ কৰে। বিশেষজ্ঞসকলৰ মতে, ৰাছিয়াই পৃষ্ঠপোষকতা কৰা বিচ্ছিন্নতাবাদী অঞ্চল সম্প্ৰতি নিজৰ দখললৈ অনাতে সম্প্ৰতি গুৰুত্ব আৰোপ কৰিব। এই ঘোষণাৰ দ্বাৰা ৰাছিয়াই যুদ্ধৰ প্ৰথম মাহত ইউক্ৰেইনৰ প্ৰবল প্ৰতিৰোধৰ সন্মুখীন হৈ অধিক দখলৰ প্ৰচেষ্টাৰ পৰা পিছুৱাই আহি সীমাবদ্ধ লক্ষ্যতে আবদ্ধ ৰখাৰ ইংগিত প্ৰকট কৰা বুলি একাংশ বিশেষজ্ঞৰ ভাষ্য। ৰুছ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে *১০ পৃষ্ঠাত চাওক*

## নগাঁৱত পথচাৰীৰ পৰা কাঢ়ি লৈ গ'ল দুই লাখ টকা

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৫ মাৰ্চ ঃ** নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী ইটাপাৰাত আজি সন্ধিয়া মটৰ চাইকেলেৰে অহা দুৰ্বৃত্তই এজন লোকৰ *১০ পৃষ্ঠাত চাওক*

## মহানগৰীত বিধ্বংসী অগ্নিকাণ্ডত জাহ গ'ল বাসগৃহ-বাহন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ মাৰ্চ ঃ** মহানগৰীৰ পাটৰকুছিত আজি পুৱা এক বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। পাটৰকুছিৰ আৱাসিক অঞ্চলত সংঘটিত উক্ত *১০ পৃষ্ঠাত চাওক*



## চেঙা তেল




*ফুটি নোযোৱালৈকে ফুলাই থাকা, ফাটিলেও আমাৰ ক্ষতি নাই! মৰিলে সাধাৰণ জনতাই মৰিব!*

■ গঁড়ৰ খৰ্গৰ বিকল্পৰূপে আন্তৰাষ্ট্ৰীয় বজাৰত চাহিদা বৃদ্ধি অসমৰ 'কেমটাই পহু'ৰ

# এবছৰতে তিনিশ বনৰৌ বধ চোৰাং চিকাৰীৰ

**বিশেষ সংবাদদাতা**

**গুৱাহাটী, ২৫ মাৰ্চ ঃ** আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ এশিঙীয়া গড়ৰ খৰ্গৰ চাহিদা পূৰণ কৰিবলৈ বিগত বৰ্ষত উত্তৰ-পূৰ্বৰ বিশেষকৈ অসম আৰু মেঘালয়ত প্ৰায় তিনিশ বনৰৌ চোৰাং চিকাৰীয়ে হত্যা কৰাৰ ভয়ংকৰ তথ্য পোহৰলৈ আহিছে বন্যপ্ৰাণী অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ'ৰ তদন্তত। অসমীয়া সমাজ জীৱনত 'কেমটাই পহু'ৰূপে পৰিচিত এই নিশাচৰ স্তন্যপ্ৰায়ী প্ৰাণীবিধৰ দেহৰ প্ৰায় ৭০ কিলোগ্ৰাম শুকান বাকলি বিগত বৰ্ষটোত মেঘালয়কে ধৰি অসমৰ কে'বাটাও স্থানত চোৰাং চিকাৰী পৰাৰ জব্দ কৰিবলৈ সক্ষম হৈছে সংশ্লিষ্ট বিভাগে। উল্লেখ্য যে গড়ৰ খৰ্গ আৰু বনৰৌৰ বাকলিত কেৰাটিন নামৰ এবিধ বিশেষ পদাৰ্থ পোৱা যায়, যি পদাৰ্থত ৰোগ নিৰাময় কৰিব পৰা চমৎকাৰী গুণ থকা বুলি বিশ্বাস থকাৰ সমান্তৰালভাৱে চীন আৰু *১০ পৃষ্ঠাত চাওক*





দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৬ মার্চ, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

নিম্ন মানৰ বালি ব্যৱহাৰক লৈ ৰাইজৰ পথ অৱৰোধ

## তেজপুৰত গাইড বান্ধ নিৰ্মাণত অনিয়মৰ অভিযোগ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৫ মাৰ্চ ঃ** তেজপুৰত গাইডবান্ধ নিৰ্মাণৰ নামত জীয়াভৰলী নদীত এক্সকেভেটৰৰে অবাধে চলোৱা বালিৰ খনন আৰু এই খনন কাৰ্যক লৈ জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তায়ো আপত্তি প্ৰদৰ্শন কৰা কাৰ্যই গুৰুত্বপূৰ্ণ গাইডবান্ধটোৰ স্থায়িত্বক লৈয়ো সম্প্ৰতি সন্দেহ সৃষ্টি হৈছে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পথ আন্তঃগাঁথনি উন্নয়ন প্ৰাধিকৰণৰ অধীনত জীয়াভৰলী নৈৰ ওপৰত নিৰ্মীয়মাণ তেজপুৰ পানপুৰ সংযোগী ছয় পৃষ্ঠাত চাওক

## সৰুক্ষেত্ৰীৰ বি কে ওৱাহেদ আলী পৰীক্ষা কেন্দ্ৰত নজন পৰীক্ষাৰ্থীক বহিষ্কাৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**বৰপেটা/কয়াকুছি, ২৫ মাৰ্চ ঃ** বৰপেটা জিলাৰ ৪৬ নম্বৰ সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত পাকাবেতবাৰীস্থিত বি কে ওৱাহেদ আলী হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰত ন গৰাকী পৰীক্ষাৰ্থীক ছয় পৃষ্ঠাত চাওক

■ অভূতপূৰ্ব খৰাং-অনাবৃষ্টিয়ে তচনচ কৰিছে কৃষকৰ জীৱন

■ প্ৰতিবছৰে কমি আহিছে স্বাভাৱিক বৰষুণৰ পৰিমাণ

# বন ধ্বংসৰ দুৰ্ভোগ ভুগিছে নগাঁওবাসীয়ে

**বিশেষ সংবাদদাতা,**

**নগাঁও, ২৫ মাৰ্চ ঃ** অভাৱনীয় হাৰত হোৱা বন ধ্বংসৰ দুৰ্ভোগ ভুগিব লগা হৈছে নগাঁও জিলাবাসীয়ে। ইখনৰ পাছত সিখনকৈ বনাঞ্চলৰ গছ-গছনি কাটি তকলা কৰা, কেৱল পথ নিৰ্মাণ আৰু পথ সম্প্ৰসাৰণৰ বাবেই লাখলাখ জোপা গছ-গছনি কাটি খাস্তাং কৰা আদিৰ বাবেই যেন প্ৰকৃতি ৰুষ্ট হৈছে জিলাবাসীৰ ওপৰত। কিয়নো প্ৰকৃতিৰ স্বকীয়তাক ধ্বংসৰ বাবেই যেন প্ৰাকৃতিক ভাৰম্যহীনতাত ভুগিছে নগাঁও জিলা। যাৰ ফলত জিলাখনৰ তাপমাত্ৰা অতি উদ্বেগজনকভাৱে দিনকদিনে বৃদ্ধি পোৱাৰ লগতে অনাবৃষ্টি আৰু অভূতপূৰ্ব খৰাঙেও দহিছে জিলাখনক। জিলাখনৰ প্ৰাকৃতিক ভাৰসাম্যহীনতাৰ বাবে কৃষি অৰ্থনীতিতো বিৰূপ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। তাহানিৰ সেউজ নগাঁও জিলাৰ ইখনৰ পাছত সিখন বনাঞ্চল ধ্বংস হোৱা, বনাঞ্চলৰ ভূমিত অব্যাহত থকা অবাধ বেদখল, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰোতে লাখ লাখ জোপা গছ কাটি পেলোৱা, নগাঁও-নলতলী ৰাজ্যিক ঘাইপথ আৰু নগাঁও-ধিং পথৰ সম্প্ৰসাৰণ আৰু উন্নীতকৰণৰ কামত হেজাৰ হেজাৰ জোপা গছ কাটি পেলোৱা আদি বিভিন্ন কাৰণৰ বাবেই জিলাখনে প্ৰাকৃতিক ছয় পৃষ্ঠাত চাওক



*বিভিন্ন দাবীৰ সমৰ্থনত মুছলপুৰত আদিবাসী মহাসভাৰ প্ৰতিবাদী কাৰ্যসূচী, শুকুৰবাৰে।*

## চামগুৰিত ২৭ টা চোৰাং গৰুসহ ট্ৰাক জব্দ ঃ তিনিজনক আটক

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ২৫ মাৰ্চ ঃ** গৰুৰ চোৰাং ব্যৱসায়ৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণৰ পাছতো এচাম গো-মাফিয়াই বহিঃৰাজ্যলৈ চোৰাং গৰু সৰবৰাহ অব্যাহত ৰাখিছে। নগাঁও জিলাৰ চামগুৰি আৰক্ষীয়ে আজি পুৱতি নিশা আমনিৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই ২৭ টা চোৰাং গৰুসহ তিনিজন গৰু বেপাৰী আৰু এখন পাঞ্জাৱ বডীৰ ট্ৰাক জব্দ কৰে। তথ্য মতে, চামগুৰি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৱন কলিতাৰ নেতৃত্বত যোৱা আৰক্ষীৰ অভিযানকাৰী দলটোৱে পুৱতি নিশা প্ৰায় ৩-১৫ বজাত এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত আমনিৰ ৰাষ্ট্ৰীয় পথত অভিযান চলায়। অভিযানকাৰী আৰক্ষীৰ দলটোৱে এ এছ জে কে-০২ চি ইউ-১৫৮৫ নম্বৰৰ পাঞ্জাৱ বডীৰ ট্ৰাকখনত কঢ়িয়াই অনা ২৭ টা গৰু জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে চোৰাং গৰু সৰবৰাহকাৰী জাকিৰ হুছেইন ছয় পৃষ্ঠাত চাওক

## পথ দুৰ্ঘটনাত নিহত যুৱকৰ শেষকৃত্য সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২৫ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত ৰুদ্ৰসাগৰত কালি পথ দুৰ্ঘটনাত মৃত্যুক সাবটি লোৱা বিজয় নাথ নামৰ যুৱকজনৰ মৃতদেহ শোকাকুল পৰিৱেশত আজি শেষকৃত্য সম্পন্ন কৰা হয়। ফাষ্ট ফুডৰ ব্যৱসায়েৰে জীৱন নিৰ্বাহ কৰা অতি অমায়িক স্বভাৱৰ যুৱকজনৰ আজি শিৱসাগৰ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা ছয় পৃষ্ঠাত চাওক

পকীকৰণৰ দাবীত উত্তাল স্থানীয় ৰাইজ

## বিধ্বস্ত মথাউৰিৰ পথে নৰক যন্ত্ৰণা ভোগাইছে ডিগাৰুপাৰ পাৰগোমাবাসীক



**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৫ মাৰ্চ ঃ** দিছপুৰ সমষ্টিৰ তথা বৰুৱাবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত কুৰকুৰীয়াৰ পৰা ডিগাৰুপাৰ, পাৰগোমা হৈ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথ সংযোগী মথাউৰি পথছোৱা সম্প্ৰতি জৰাজীৰ্ণ তথা বিধ্বস্ত হৈ পৰিছে। যাৰ ফলত ক্ষোভিত ৰাইজে আজি পথছোৱা শীঘ্ৰে পকীকৰণৰ দাবীত মথাউৰিতে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী ৰাইজে 'ডিগাৰুপাৰৰ মথাউৰি পথ শীঘ্ৰে পকীকৰণ কৰক' ৰাইজক সুগম পথৰ ব্যৱস্থা গ্ৰহণ কৰক, জলসম্পদ বিভাগ মুৰ্দাবাদ' আদি শ্ল'গান দি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে জলসম্পদ বিভাগৰ অন্তৰ্গত ডিগাৰু নৈৰ গাতে লাগি থকা ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ পথছোৱা ২০১৩ত তদানীন্তন কংগ্ৰেছ চৰকাৰৰ আমোলত পকীকৰণৰ আঁচনি গ্ৰহণ কৰা হৈছিল। পথছোৱাৰ বাবে বিভাগে ভূমি অধিগ্ৰহণ কৰি জৰীপো সম্পূৰ্ণ কৰিছিল। কিন্তু সেই সময়ত জিৰাট তথা ক্ষতিপূৰণৰ মূল্য নিৰ্ধাৰণক লৈ একাংশ লোকে অসন্তুষ্টি ব্যক্ত কৰিছিল। আনকি একাংশ প্ৰতিক্ৰিয়াশীল লোকে ডিগাৰু ছয় পৃষ্ঠাত চাওক

## ভূটান সীমান্তৰ হাতীডুবাত চেগুন গছৰ কুণ্ডাসহ বাহন জব্দ



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৫ মাৰ্চ ঃ** তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ হাতীডুবাত আজি পুৱতি নিশা কুমাৰীকাটা বনাঞ্চলিক বিষয়া আৰু এছএছবিৰ লোকে যুটীয়া অভিযান চলাই এখন মূল্যবান চেগুন গছৰ কুণ্ডাভৰ্তি ডি আই বাহন জব্দ কৰে। কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া বীৰেন ছয় পৃষ্ঠাত চাওক

## প্ৰধানমন্ত্ৰী জল জীৱন মিছনৰ পৰা বঞ্চিত বাঘমাৰা-পৈচাৰা-কঞাকুছিৰ শতাধিক পৰিয়াল

**বিধায়ক-জিলা উপায়ুক্তক ব্যৱস্থা গ্ৰহণৰ আহ্বান বঞ্চিত পৰিয়ালৰ**

**অগ্ৰদূত বাৰ্তা,**

**ঘগ্ৰাপাৰ, ২৫ মাৰ্চ ঃ** প্ৰধানমন্ত্ৰী জল জীৱন মিছনৰ জৰিয়তে ঘৰ ঘৰ নল মুল-মন্ত্ৰৰে দেশৰ প্ৰতিটো পৰিয়ালত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰি থকা হৈছে । এনে অৱস্থাত নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘমাৰা, কঞাকুছি আৰু পৈছাৰা- কঞাকুছিৰ প্ৰায় তিনি শতাধিক পৰিয়াল প্ৰধানমন্ত্ৰী জলজীৱন মিছনৰ নল সংযোগৰ পৰা বঞ্চিত হৈছে । ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নলবাৰী সংমণ্ডলৰ অন্তৰ্গত এই গাঁও তিনিখনৰ মধ্যত এটি পানী যোগান আঁচনি বিভাগটোৱে নিৰ্মাণ ব্যৱস্থা কৰিব লাগিছিল যদিও আজিকোপতি তেনে কোনো প্ৰাককলন কৰা নহ'ল । য়াৰ বাবে দীৰ্ঘদিন ধৰি বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত এই পৰিয়াল কেইটাই এতিয়া জলজীৱন মিছনৰ পৰাও বঞ্চিত হ'ব লগা হ'ল। ঘগ্ৰাপাৰৰ মাজমজিয়াত এটি পানী যোগান আঁচনি আছে যদিও উক্ত আঁচনিৰ পৰা ৰেলপথ আৰু ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুখন দলঙৰ বাবে সেই পৰিয়ালকেইটা পানীৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। একেদৰে দলুৱাত থকা পানী যোগান আঁচনিটোৰ পাৰাও ঘাইপথৰ দলঙৰ বাবে সংযোগ দিয়া নাই। পৈছাৰা গাঁৱত থকা আঁচনিৰ পৰাও ৰেলপথৰ বাবে পানীৰ সংযোগ দিয়া নাই। সেয়েহে বাঘমাৰা গাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ চুবুৰি, মেডিকেলৰ ওচৰৰ চুবুৰি, কঞাকুছি গাঁৱৰ সম্পূৰ্ণ দলেখাত ছয় পৃষ্ঠাত চাওক

## জামুগুৰিহাটত ধূলিৰ ধুমুহাত বিপৰ্যস্ত জনজীৱন


**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৫ মাৰ্চ ঃ** চ'ত মাহৰ এজাক ধূলিৰ ধুমুহাই হঠাৎ চৌদিশ ধূসৰ কৰি তোলাত জনজীৱন স্তব্ধ কৰি তোলে জামুগুৰিহাটত। কালি দিনৰ পৰা নিশালৈকে বতাহৰ লগতে ধূলিৰে চৌপাশ ধোঁৱাকোঁৱা হৈ পৰাত অঞ্চলটোৰ প্ৰতিগৰাকী লোককেই এই পৰিৱেশে ব্যতিব্যস্ত কৰি তোলা পৰিলক্ষিত হয়। বিভিন্ন কাম লৈ ঘৰৰ পৰা ওলাই যোৱা বহু লোক এই ধূলিৰ ধুমুহাৰ সন্মুখীন হৈ বিপদত পৰা পৰিলক্ষিত হয়। ধূলিৰ ধুমুহাৰ গতিবেগ ইমানেই তীব্ৰ আছিল যে সন্মুখৰ কোনো বস্তুয়েই খালী চকুৰে দেখা পোৱাৰ দিশত সমস্যাৰ সৃষ্টি কৰে পথচাৰীক। ইয়াৰো উপৰি ধূলিৰ লগতে তীব্ৰবেগী বতাহেও গছ-বন, তৰুলতাৰ ডাল-পাত সৰাই অঞ্চলটোৰ লোকসকলৰ বাসগৃহৰ পৰিৱেশো ধূলি-বালিৰে কদৰ্যময় কৰি তোলে। কোনো কোনো ঠাইত বতাহৰ গতিবেগে সাধাৰণ বাসগৃহৰ টিনপাত উৰুৱাই নিয়াও পৰিলক্ষিত হয়। অৱশ্যে ধূলিৰ ধুমুহাৰ পাছত অহা এজাক আশাৰ সপোন যেন বৰষুণে জামুগুৰিহাটৰ ধূলিয়ৰি বাট-পথ নিৰ্মল কৰি তোলা পৰিলক্ষিত হয়।

## বঙাইগাঁৱত জুৱাৰ বৃহৎ মেলা ঃ গ্ৰেপ্তাৰ ন জুৱাৰী

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৫ মাৰ্চ ঃ** বঙাইগাঁও আৰু চিৰাং জিলাৰ সীমান্তৱৰ্তী অঞ্চল তথা বঙাইগাঁও জিলাৰ নিউ বঙাইগাঁও উপ-আৰক্ষী চকীৰ অন্তৰ্গত দোলাইগাঁও পঞ্চমী দৌলোৎসৱ উপলক্ষে একাংশ জুৱাৰীয়ে ভালে সংখ্যক জুৱা খেল বহাই খেল চলাই থকাৰ মাজতে বৃহস্পতিবাৰে নিশা আৰক্ষীয়ে জুৱাৰ লগত জড়িত ন গৰাকী লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে টকাসহ জুৱাৰ সামগ্ৰী জব্দ কৰে। বঙাইগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উপেন কলিতাই



সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, বঙাইগাঁও আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাৰ নেতৃত্বত জুৱাৰ বিৰুদ্ধে বৃহৎ অভিযান চলোৱা হয়। বঙাইগাঁও সদৰ থানাৰ অধীনৰ দোলাইগাঁৱৰ পথাৰত পঞ্চমী দৌলৰ মেলাত চলি থকা জুৱাৰ বিৰুদ্ধে অভিযান চলাই ন গৰাকী জুৱাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে ৭৯ হেজাৰ টকা, ১২ টা ম'বাইল, জুৱাৰ সা-সামগ্ৰী জব্দ কৰে। উক্ত অভিযানকালত ছয় পৃষ্ঠাত চাওক

## সমাজকৰ্মী, লোকনাথ কাকতিৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা·**

**কমলাবাৰী, ২৫ মাৰ্চ ঃ** মাজুলীৰ কমলাবাৰী মৌজাৰ চামগুৰি সত্ৰ নিবাসী ডাক-তাৰ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, সমাজকৰ্মী লোকনাথ কাকতি (৭৫)ৰ আজি পুৱা পাঁচ বজাত নিজা বাসগৃহত মৃত্যু হয়। তেওঁ মিচিং জনজাতি অধ্যুসিত জেংৰাইমুখ ডাকঘৰত ৩০ বছৰ চাকৰি কৰাৰ সময়ত জেংৰাইমুখ সৰ্বোদয় নামঘৰত নামলগোৱাৰ দায়িত্ব পালন কৰাৰ লগতে সমাজখনত শংকৰী কলা-কৃষ্টি প্ৰচাৰ আৰু প্ৰসাৰত অৰিহনা যোগাইছিল । আজি পুৱা তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। শ্ৰীশ্ৰীচামগুৰি সত্ৰৰ অধিকাৰ প্ৰমুখ্যে বৈষ্ণৱবৃন্দ, চামগুৰি পূৰ্বজ্যোতি মিলন সংঘ, চামগুৰি নৱজ্যোতি মহিলা সমিতি, পতিয়ৰি গাঁও নামঘৰ পৰিচালনা সমিতি, পেৰাভাৰী গাওঁ নামঘৰ পৰিচালনা সমিতি, তিনিআলি নামঘৰ পৰিচালনা সমিতি, ২৯নম্বৰ চামগুৰি সত্ৰ প্ৰাথমিক বিদ্যালয় আদি অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। আজি পুৱা ন বজাত অগনন গুনমুগ্ধৰ উপস্থিতিত তেওঁৰ শেষকৃত সম্পন্ন কৰা হয় । তেওঁ মৃত্যুৰ সময়ত পত্নীৰ উপৰি দুজন পুত্ৰ-বোৱাৰী, এগৰাকী কন্যা-এৰি যায় ।

## লখিমপুৰ জিলা স্বাস্থ্য সমিতিৰ আশা অভিৱৰ্তন



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৫ মাৰ্চ ঃ** সমাজত বিশেষ বৰঙণিৰ কাৰণে আশাকৰ্মীসকলক অনুপ্ৰাণিত কৰাৰ লক্ষ্যৰে আজি জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত লখিমপুৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ব্লক পৰ্যায়ৰ এখন অভিৱৰ্তন অনুষ্ঠিত হয়। অভিৱৰ্তনখনত মুখ্য অতিথিৰূপে উপস্থিত থকা জিলা উপায়ুক্ত সুমিত ছাত্তাৱানে কয় যে আশাকৰ্মীসকলে এটা টীম ফৌজ ছয় পৃষ্ঠাত চাওক

## পোৱাজংঘলত বিহু কৰ্মশালাৰ সামৰণি

**জাতি-ধৰ্ম-নিৰ্বিশেষে অংশ লৈ সমন্বয়ৰ বাৰ্তা দিলে গাঁওবাসীয়ে**



**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ২৫ মাৰ্চ ঃ** পূৰ্বতে জংঘল পুৰি মুকলি কৰি মানুহে বসতি স্থাপন কৰা মৰঙিৰ এটা ঐতিহাসিক অঞ্চল পোৱাজংঘল। হিন্দু, মুছলমান, খ্ৰীষ্টান আদি বিভিন্ন ধৰ্মাৱলম্বী লোকৰ বসতিস্থল তথা অসমৰে এটা বৃহৎ পঞ্চায়ত ৱাৰ্ড হিচাপে চিহ্নিত মৰঙিৰ পোৱাজংঘলক ক্ৰীড়া, শৈক্ষিক, সাংস্কৃতিক আদি দিশত আগবঢ়াই লৈ যাবলৈ গঠন কৰা জাগৰণ গণমঞ্চ ছয় পৃষ্ঠাত চাওক

## অইলত সংঘটিত ব্যাপক অনিয়মৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ মটক যুৱ-ছাত্ৰ সন্মিলনৰ

**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ২৫ মাৰ্চ ঃ** অইল ইণ্ডিয়া লিমিটেডত নিযুক্তিৰ ক্ষেত্ৰত ব্যাপক অনিয়ম সংঘটিত হোৱাত অইলৰ বিৰুদ্ধে সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে ক্ষোভ প্ৰকাশ কৰিছে। আজি এক বিবৃতিত সংগঠনটোৰ দুলীয়াজান আঞ্চলিক সমিতিৰ উপ-সভাপতি দিব্যজ্যোতি দত্ত, সাধাৰণ সম্পাদক চন্দন গোহাঁই, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বুলবুল নেওগ, সাংগঠনিক সম্পাদক দীপাংকৰ ৰাজখোৱা আৰু ডিব্ৰুগড় জিলা সমিতিৰ বিত্ত সম্পাদক সঞ্জয় গোহাঁয়ে উল্লেখ কৰা অনুসৰি, অইলত হেভী মটৰ ভেহিকল ড্ৰাইভাৰ পদত ধনৰ লেনদেনেৰে বক্ৰ পথেৰে নিযুক্তি প্ৰদানৰ যি অভিযোগ উত্থাপিত হৈছে এই ক্ষেত্ৰত স্পষ্টীকৰণ প্ৰদান কৰাৰ দাবী জনায়। লগতে সংগঠনটোৱে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ নামটো নিযুক্তিৰ ক্ষেত্ৰত সাঙোৰ খাই থকাৰ সন্দৰ্ভত স্পষ্টীকৰণ দিবলৈ দাবী জনায়। ইয়াৰ লগতে ৰায় উপাধিৰ যিজন অইলৰ কৰ্মচাৰীয়ে দুৰ্নীতিৰ মুখ্য ভূমিকা গ্ৰহণ কৰিছে বুলি অভিযোগ উত্থাপিত হৈছে তেওঁৰ বিৰুদ্ধে অইল কৰ্তৃপক্ষই উচিত তদন্ত ঘোষণা কৰি শাস্তি প্ৰদান কৰিবলৈও দাবী জনায়। নহ'লে অইলৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলিও সংগঠনটোৱে সকীয়াই দিয়ে।

## গোৱালপাৰাত চোৰাং মাটিভৰ্তি ট্ৰাক-এক্সকেভেটৰ জব্দ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৫ মাৰ্চ ঃ** গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই অভিযান চলাই আজি দিনৰ ভাগত চহৰৰ কল্পনা নগৰৰ পৰা এম এল-০৭ এ-৭৩০২ নম্বৰৰ চোৰাং ৰঙা মাটিভৰ্তি ট্ৰাক এখন জব্দ কৰে। ইপিনে, যোৱা নিশা চহৰৰ উপকণ্ঠ অঞ্চল বগুলামাৰীত চোৰাংকৈ মাটি কাটি থকা অৱস্থাত এ এছ-১৮ চি-৯৩৪৬ নম্বৰৰ এক্সকেভেটৰ এখন জব্দ কৰি বনাঞ্চলিক বিষয়াজনে নিজৰ কাৰ্যালয়লৈ আনে। উল্লেখ্য যে জিলাখনৰ বিভিন ছয় পৃষ্ঠাত চাওক

## বৰিয়াৰ পাথাৰৰ উচ্ছেদৰ বিৰুদ্ধে নিখিল ভাৰত কৃষক সভাৰ অৱস্থান ধৰ্মঘট



**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ২৫ মাৰ্চ ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ পাকা বেতবাৰীপাম অথবা বৰিয়াৰ পাথাৰৰ ৰাইজক জাননী নিদিয়াকৈ চলাবলগীয়া উচ্ছেদৰ বিৰুদ্ধে নিখিল ভাৰত কৃষক সভাই আজি অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। অলপতে বৰিয়াৰ পাথাৰৰ ৭৯১ বিঘা দুই কঠা ১৮ লেচা মাটিত দীৰ্ঘদিনে বসবাস কৰা ছয় পৃষ্ঠাত চাওক

ৰাজ্যৰ পদুলিমুখ আজাৰাত আজিও নহ'ল সৌন্দৰ্য বৰ্ধনৰ বিশেষ ব্যৱস্থা

## বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত ৰাইজ



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৫ মাৰ্চ ঃ** আজাৰা অঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰীভাৱে আজিলৈ কোনো বিশেষ ব্যৱস্থা লোৱা নহ'ল। আনকি উত্তৰ-পূৰ্বাঞ্চলৰ পদুলিমুখ হিচাপে খ্যাত আজাৰা অঞ্চলৰ সৌন্দৰ্যবৰ্ধনৰ বাবে কোনো এখন চৰকাৰে বিশেষ গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ আজাৰা গাঁওখন আজাৰা গাঁও পঞ্চায়তৰ সাতটা ৱাৰ্ডেৰে গঠিত। এই ৱাৰ্ড কেইটা হ'ল ক্ৰমে এক, দুই, তিনি, চাৰি, পাঁচ, ছয় আৰু সাত নম্বৰ ৱাৰ্ড। আজাৰা অঞ্চলবাসী আজিও বিশুদ্ধ খোৱা পানী, কৃত্ৰিম বান, যাতায়াত আদি বিভিন্ন সমস্যাত ককবকাই আছে। উল্লেখ্য যে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অসম কিম্বা উত্তৰ-পূৰ্বাঞ্চললৈ আহিবলৈ হ'লে বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰিয়ে পোনে পোনে আজাৰাৰ মাজেৰে গুৱাহাটী কিম্বা অন্যান্য স্থানলৈ যাবলগীয়া হয়। এনে অৱস্থাত আজাৰাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত
গুৱাহাটী শনিবাৰ ১১ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৬ মাৰ্চ ২০২২



## ৰপ্তানিৰ অভিলেখ

কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা তথ্য অনুসৰি, ভাৰতৰ ৰপ্তানি বাণিজ্যৰ পৰিসৰ যথেষ্ট বৃদ্ধি পাইছে। ২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতৰ ৰপ্তানি বাণিজ্যই ৪০০ বিলিয়ন মাৰ্কিন ডলাৰৰ সীমা অতিক্ৰম কৰিলে। ২০২০-২১ বিত্তীয় বৰ্ষত ভাৰতত ৰপ্তানি ব্যৱসায়ৰ পৰিমাণ আছিল ২৯২ বিলিয়ন ডলাৰ। অৰ্থাৎ বিগত এবছৰত দেশৰ ৰপ্তানিৰ পৰিমাণ ৩৭ শতাংশ বৃদ্ধি পালে। পৰিসংখ্যা অনুসৰি চলিত বিত্তীয় বৰ্ষত ভাৰতে প্ৰতি ঘণ্টাত ৪৬ নিযুত ডলাৰৰ পণ্য ৰপ্তানি কৰিছিল। একেদৰে দৈনিক ভাৰতে এক বিলিয়ন ডলাৰতকৈ অধিক মূল্যৰ পণ্য বিদেশলৈ ৰপ্তানি কৰিছিল। মাহৰ হিচাপত বিচাৰিলে বিত্তীয় বৰ্ষটোত ভাৰতৰ ৰপ্তানি বাণিজ্যৰ পৰিমাণ আছিল গড়ে ৩৩ বিলিয়ন ডলাৰৰ। ২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতে আমেৰিকা, সংযুক্ত আৰব আমিৰ শ্বাহি, চীন, বাংলাদেশ আৰু নেদাৰলেণ্ডছলৈ সৰ্বাধিক পণ্য ৰপ্তানি কৰিছিল। ৰপ্তানি কৰা পণ্যৰ তালিকাৰ শীৰ্ষত আছে ইঞ্জিনীয়াৰিং পণ্য, পেট্ৰ'লিয়াম পণ্য, বস্ত্ৰ আৰু অলংকাৰ, জৈৱ-অজৈৱ ৰাসায়নিক আৰু ফাৰ্মাচিউটিকেলছ পণ্যসমূহ। চৰকাৰে প্ৰকাশ কৰা অনুসৰি দেশৰ ৰপ্তানি বৃদ্ধিৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰাৰ ফলতে ভাৰতৰ ৰপ্তানি বাণিজ্যৰ পৰিমাণ বাঢ়িবলৈ ধৰিছে। চৰকাৰে ক্ষুদ্ৰ, মধ্যমীয়া উদ্যোগৰ পৰা 'ষ্টাৰ্ট আপ'সমূহক ৰপ্তানি বাণিজ্যৰ বাবে উৎসাহিত কৰিবলৈ নানা পদক্ষেপ গ্ৰহণ কৰা বুলি জানিবলৈ দি কৈছে যে ইয়াৰ পৰিণতিতে দেশৰ ৰপ্তানি ব্যৱসায় টানকিয়াল হ'বলৈ ধৰিছে। ভাৰতে বিশ্বৰ দুশখন দেশলৈ ৰপ্তানিৰ ভিন্ন ভিন্ন বস্তু প্ৰেৰণ কৰি অগ্ৰসৰ হোৱা বুলিও কেন্দ্ৰীয় চৰকাৰে সদৰী কৰিছে।

যি কোনো এখন দেশৰ অৰ্থনীতিত ৰপ্তানি বাণিজ্যই সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এখন দেশ ৰপ্তানি বাণিজ্যত যিমানে সফল হ'ব সিমানে দেশখনৰ অৰ্থনীতিও শক্তিশালী হ'ব। দেশ এখনৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ সবল কৰাৰ ক্ষেত্ৰতো ৰপ্তানি ব্যৱসায়ে প্ৰভাৱিত কৰে। এনেবোৰ দিশৰ পৰা ভাৰতৰ ৰপ্তানি বাণিজ্যৰ এই উত্থান অৰ্থনীতিৰ বাবে এক আশাৰ বতৰা। ৰপ্তানি বৃদ্ধিৰ এই ধাৰা অব্যাহত ৰাখিব পাৰিলে নিশ্চিতভাৱে আগন্তুক বৰ্ষসমূহত দেশৰ অৰ্থনীতি অধিক সবল হৈ উঠিব। ক'ভিড কালতো ভাৰতে এইদৰে ৰপ্তানিৰ পৰিমাণ বৃদ্ধি কৰিবলৈ সফল হোৱাটো প্ৰশংসাৰ বিষয়। স্মৰ্তব্য যে ভাৰতত কৰ'নাৰ প্ৰথম সংক্ৰমণ ধৰা পৰাৰ সময়ত দেশত এক হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছিল। সেই সময়ত ক'ভিডৰ স'তে মোকাবিলা কৰিবলৈ ভাৰতে পি পি ই কিটৰ পৰা আৰম্ভ কৰি নানা সামগ্ৰী বিদেশৰ পৰা আমদানি কৰিব লগা হৈছিল। তদুপৰি ক'ভিড বিধি নিষেধৰ ফলতো বহু প্ৰয়োজনীয় পণ্যৰ আমদানিৰ ক্ষেত্ৰত দেশ বাধাগ্ৰস্ত হৈছিল। সেই সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ উদ্যোগী-ব্যৱসায়ীসকলক বিপৰ্যয়ৰ মাজতে সুযোগৰ সন্ধান কৰিবলৈ আহ্বান জনাইছিল। প্ৰধানমন্ত্ৰীৰ এই আহ্বানৰ পাছত দেশৰ একাংশ উদ্যোগপতিয়ে পূৰ্বে আমদানি কৰা বহু পণ্য স্বদেশত উৎপাদন আৰম্ভ কৰিছিল আৰু এইদৰে ক'ভিড কালতে ভাৰতে নতুন নতুন পণ্য উৎপাদনৰে ৰপ্তানি বাণিজ্যতো অগ্ৰসৰ হোৱাৰ পথ মুকলি কৰিলে। ইয়াৰ ফলতে দেশৰ ৰপ্তানি বাণিজ্যৰ পৰিমাণ ৪০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি পালে; কিন্তু ভাৰতে আজিও ৰপ্তানিতকৈ অধিক পণ্য আমদানি কৰিব লগা হয়। ২০২০ বৰ্ষত ভাৰতৰ আমদানি বাণিজ্যৰ পৰিমাণ আছিল ৪৬৭.১৯ বিলিয়ন ডলাৰ। উক্ত বৰ্ষত দেশত ৰপ্তানিৰ বিপৰীতে আমদানি বাণিজ্যত হোৱা ঘাটিৰ পৰিমাণ আছিল ১৫৮.৮৮ বিলিয়ন ডলাৰ। নিত্য ব্যৱহাৰ্য নানা সামগ্ৰীৰ পৰা দৰৱ, পেট্ৰ' পণ্য আদি ভাৰতে আজিও বিদেশৰ পৰা আমদানি কৰি আহিছে। ৰপ্তানিতকৈ দেশৰ আমদানিৰ পৰিমাণ অধিক হোৱাৰ ফলত ভাৰতে আন্তৰ্জাতিক বাণিজ্যত আজিও লোকচান বহন কৰিব লগা হৈছে। দৰাচলতে ৰপ্তানি বৃদ্ধিৰ লগতে আমদানি হ্ৰাস পালেহে আন্তৰ্জাতিক বাণিজ্যৰ জৰিয়তে দেশৰ অৰ্থনীতি অধিক শক্তিশালী আৰু লাভৱান হ'ব পাৰিব।

চৰকাৰে বিগত সময়ছোৱাত 'মেক ইন ইণ্ডিয়া', 'ভ'কেল ফ'ৰ ল'কেল' আদিৰ শ্ল'গান দি আহিছে আৰু ইতিমধ্যে বহু নতুন উদ্যোগী-ব্যৱসায়ীয়ে এনে শ্ল'গানত উৎসাহিত হৈ ব্যৱসায়-বাণিজ্যত জড়িত হৈছে; কিন্তু এনে উদ্যোগীৰ বহুতে নানা সময়ত সমস্যাৰ সন্মুখীন হোৱাৰো অভিযোগ কৰি আহিছে। উদ্যোগ-বাণিজ্য বিভাগে যোগ্য উদ্যোগীক বঞ্চিত কৰাৰো অভিযোগ আছে। দৰাচলতে ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ ব্যৱসায়ীসকলক ৰপ্তানিৰ বাবে উৎসাহিত কৰিবলৈ হ'লে চৰকাৰে অধিক সা-সুবিধা আগবঢ়াব লাগিব। ৰপ্তানি বাণিজ্যৰ নীতি সৰল আৰু প্ৰক্ৰিয়া সহজ হ'লে অতি ক্ষুদ্ৰ উদ্যোগী সকলো আন্তৰ্জাতিক বাণিজ্যৰ প্ৰতি আগ্ৰহী হ'ব। অসমৰে একাংশ কৃষকে নিজে উৎপাদন কৰা নেমু, ঔটেঙা, ৰবাব টেঙা, বাঁহ গাজ ইত্যাদি কৃষিজাত দ্ৰব্য বিদেশলৈ ৰপ্তানি কৰি ইতিমধ্যে এই দিশত ক্ষুদ্ৰ কৃষকক পথ প্ৰদৰ্শন কৰিছে। প্ৰতিখন ৰাজ্যৰ কৃষকে থলুৱা বজাৰকে নিৰ্ভৰ নকৰি আন্তৰ্জাতিক বজাৰক অগ্ৰাধিকাৰ দিলে আগন্তুক সময়ত ভাৰতৰ ৰপ্তানি বাণিজ্যৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাব।

## খোলা মঞ্চ

### ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**ভাৰতবৰ্ষই** স্বাধীনতা লাভ কৰাৰ কিছু বছৰ পাছলৈকে সেই সময়ৰ ৰাজনৈতিক নেতা-কৰ্মীসকলে শতকৰা এশভাগ সেৱাৰ মনোভাবেৰে জনগণৰ প্ৰতি আৰু দেশৰ প্ৰতি থকা তেওঁলোকৰ দায়িত্ব নিস্বাৰ্থভাৱে পালন কৰি দেশবাসীৰ প্ৰিয়ভাজন হ'বলৈ সক্ষম হৈছিল। বৰ্তমানৰ ৰাজনৈতিক নেতাসকলে লাভ কৰাৰ দৰে দৰমহা, দৰমহাৰ উপৰঞ্চি ভাট্টা আৰু উদগনি নাইবা প্ৰেৰণামূলক ধন সেই সময়ৰ নেতাকৰ্মীসকলে পোৱা নাছিল। সেয়েহে সেই সময়ত ৰাজনৈতিক দলৰ নেতা-কৰ্মীসকলে নিস্বাৰ্থভাৱেৰে সেৱা আগবঢ়াবলৈ বদ্ধপৰিকৰ হৈ অগ্ৰসৰ হৈছিল। কিন্তু সময় বাগৰাৰ লগে লগে ৰাজনৈতিক দল আৰু কৰ্মীসকলে তেওঁলোকৰ নিস্বাৰ্থ সেৱাৰ নামত মন্ত্ৰী-বিধায়কসকলে দৰমহা, দৰমহাৰ উপৰঞ্চি ভাট্টা, নানা প্ৰকাৰৰ উদগনিমূলকভাৱে ধন আৰু সেৱা লাভ কৰাৰ সুযোগ লাভ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিলে। এইবোৰৰ পাছত ৰাজনীতি এক নিস্বাৰ্থ সেৱাৰ সলনি এক লোভজনক আৰু লাভজনক পেছালৈ পৰিৱৰ্তিত হৈ পৰিল। সেয়েহে নিকা ভাবমূৰ্তিৰ আৰু সৰ্বজনপ্ৰিয় ৰাজনৈতিক নেতা-কৰ্মীসকল লাহে লাহে ৰাজনীতিৰ ক্ষেত্ৰখনৰ পৰা কিছু সংখ্যকে স্বইচ্ছাই বিদায় ল'বলৈ বাধ্য হ'ল আৰু আন কিছু সংখ্যকক ৰাজনীতিৰ মায়া-মোহ ত্যাগ কৰিবলৈ নতুনকৈ ৰাজনীতিত প্ৰৱেশ কৰা ভ্ৰষ্টাচাৰী প্ৰকৃতিৰ লোকৰ বাবে বাধ্য হৈ পৰিল। ৰাজনৈতিক নেতা হ'লে লাভ কৰা সা-সুবিধাৰ বাবে অনেক অপৰাধী প্ৰকৃতিৰ ব্যক্তিয়েও ৰাজনীতিত যিকোনো প্ৰকাৰে প্ৰৱেশ কৰিবলৈ উঠি পৰি লগা দেখা যায়; যিহেতু নেতা হ'ব পাৰিলেই তেওঁৰ বিৰুদ্ধে থকা অপৰাধমূলক গোচৰবোৰ ৰাজনৈতিক হেঁচা প্ৰয়োগ কৰি তল পেলাই ৰাখিব পৰা যায় বুলি অপৰাধী মানসিকতাৰ লোকসকলে ভাবে।

আমাৰ দেশৰ আইন অনুসৰি যিকোনো ব্যক্তিয়ে আন এজনক জোৰ-জুলুম কৰিলে নাইবা হত্যা কাৰ্য সংঘটিত কৰিলে কাৰাবাস নাইবা ফাঁচিকাঠত ওলমিব লাগে। কিন্তু ইয়াৰ বিপৰীতে মাফিয়াৰ পৰা ৰাজনীতিজ্ঞ হোৱা অনেকজনে আইনৰ হাতোৰাৰ পৰা নিজক বচাই ৰাখিবলৈ সক্ষম হোৱা পৰিলক্ষিত কৰি অনেক ভ্ৰষ্ট প্ৰকৃতিৰ লোক ৰাজনীতিবিদ হ'বলৈ প্ৰেৰণা লাভ কৰিছে। ৰাজনৈতিক দলবোৰক নিকা ভাবমূৰ্তিৰ প্ৰাৰ্থীক প্ৰাধান্য দিবলৈ অনুৰোধ কৰা হৈছে যদিও সকলো ফুটুকাৰ ফেনলৈ পৰিণত হৈছে। সেইবাবে বৰ্তমান প্ৰয়োজন হ'লে দেশৰ প্ৰচলিত আইন কিছু সাল-সলনি কৰি ৰাজনীতিত প্ৰৱেশ কৰা ভ্ৰষ্ট প্ৰকৃতিৰ লোকসকলৰ বিৰুদ্ধে থকা গোচৰসমূহৰ নিয়মীয়াকৈ শুনানি গ্ৰহণ কৰি সেই লোকসকলক সোনকালে আইনৰ ধাৰা অনুসৰি কঠোৰতম শাস্তি প্ৰদানৰ ব্যৱস্থা হাতত ল'ব পাৰিলে সেই মানসিকতাৰ লোকসকলে ৰাজনীতিৰ ক্ষেত্ৰখন কলুষিত কৰাৰ পৰা বিৰত থাকিবলৈ বাধ্য হৈ পৰিব। আমাৰ দেশৰ আইনী ব্যৱস্থা আৰু আৰক্ষীৰ প্ৰচলিত ব্যৱস্থা প্ৰয়োজন অনুসৰি সাল-সলনি কৰি ৰাজনৈতিকসকলৰ সা-সুবিধাসমূহৰ আকৰ্ষণ কিছু নিয়ন্ত্ৰণ কৰিব পাৰিলে ভ্ৰষ্ট মানসিকতাৰ ব্যক্তিসকল ৰাজনীতিৰ পৰা আঁতৰি থাকিবলৈ আৰম্ভ কৰিব। আমি আশা তথা কামনা কৰো কিছু নীতি-নিয়ম, আইন-কানুনৰ সাল-সলনি কৰি ভ্ৰষ্টাচাৰী মানসিকতাৰ ব্যক্তিসকলক ৰাজনৈতিক ক্ষেত্ৰখনত প্ৰৱেশত নিৰুৎসাহিত কৰি সেৱাৰ মনোভাবেৰে অগ্ৰসৰ হোৱা সৎ মানসিকতাৰ ব্যক্তিসকলক ৰাজনীতিত প্ৰৱেশৰ বাট সুগম কৰিবলৈ সকলো সক্ষম হ'বগৈ পাৰিম।

**আৰ্চি নাথ,** *লেখক*
*ফোন ঃ ৮৭৬১০২১১২৫*

# সাম্প্ৰতিক সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটত
# সাম্প্ৰদায়িক গতিবিধিৰ আলেখ-লেখ



**অৱলোকন**
**ড° জয়কান্ত শৰ্মা**



(১)

সাধাৰণ মানুহে ইতিহাসৰ খবৰ বৰকৈ নাৰাখে; সাধাৰণতে তেওঁলোক বৰ্তমান আৰু ভৱিষ্যতক লৈয়েই ব্যস্ত। সেয়েহে সামাজিক সমস্যাৰ আঁৰত নিহিত থকা ৰাজনৈতিক কাণ্ড-কাৰখানা অনুধাৱন কৰাটো তেওঁলোকৰ বাবে প্ৰায় অসম্ভৱ কথা।

সমস্যাবোৰৰ ভিতৰত হিন্দু-মুছলমানৰ সম্প্ৰীতি এটা বহু চৰ্চিত বিষয়। অধিকাংশ ভাৰতীয়ৰ বাবে বিষয়টো আবেগিক। পিছে এইটো পাহৰি গ'লে নহ'ব, এইখন দেশৰ জন্ম সাম্প্ৰদায়িক বিভাজনৰ মাজেৰে হৈছিল; আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ দাবানলে ১৯৪৭ৰ ১৪ আগষ্টৰ দিনাই, যি বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল, তাৰ ধাৰাবাহিকতা এবছৰমান অক্ষুণ্ণ আছিল; আনকি তাৰে আধাৰত ছেগা-চোৰোকাকৈ সাম্প্ৰদায়িক সংঘাত আজিও চলি আছে।

সঁচা অৰ্থত, মহম্মদ আলি জিন্না মুছলমান নাছিল। তেওঁ মছজিদলৈও নগৈছিল, কিন্তু তেৱেঁই আহ্বান দিছিল, হিন্দুপ্ৰধান ভাৰতত মুছলমানসকল সুৰক্ষিত নহয়; এতেকে মুছলমানৰ বাবে সুকীয়া ৰাষ্ট্ৰ লাগিবই। তাৰ বিপৰীতে মৌলানা আবুল কালাম আজাদে একত্ৰিত ভাৰতৰ পোষকতা কৰিছিল। দুৰ্ভাগ্যজনকভাৱে বিভাজনপন্থী মুছলমানসকল সফল হ'ল; আৰু মৌলানা আজাদ বিভাজনপন্থীৰ হাতত বাৰে বাৰে লাঞ্ছিত হ'বলগীয়াত পৰিল।

সাম্প্ৰদায়িক ৰাজনীতিত শুভবুদ্ধিসম্পন্ন মুছলমানৰ কথা নৰজে; সেয়েহে অনেকে একো নামাতেই। ইণ্ডোনেছিয়াৰ পাছত ভাৰত দ্বিতীয় মুছলমানপ্ৰধান দেশ। বিশ্বৰ দহ শতাংশ মুছলমান ভাৰতত বাস কৰে আৰু সুখে-সন্তোষে বাস কৰে। এতেকে শুভবুদ্ধিসম্পন্ন মুছলমানসকলে সাম্প্ৰদায়িক ৰাজনীতিত মূৰ নঘমায়। তাৰে সুযোগ লৈ মৌলবাদী শক্তিয়ে বিষবাষ্প বিয়পায়। তত্ত্ব একেটাই; হিন্দুপ্ৰধান ভাৰতত মুছলমান সুৰক্ষিত নহয়।

(দুই)

বিশ্বৰ ৫৭ খন ইছলামীয় দেশক লৈ গঠিত 'Organisation of Islamic countries'। ১৯৬৯ত জন্ম লাভ কৰা সংগঠনটোৰ ঘোষণাপত্ৰ অনুসৰি 'বিশ্বৰ বিভিন্ন শ্ৰেণীৰ জনগণৰ মাজত শান্তি আৰু শৃংখলা সুৰক্ষিত ৰাখি মুছলমানসকলৰ স্বাৰ্থৰ ৰক্ষণা-বেক্ষণ দিয়াটো'ৱে মূল উদ্দেশ্য। পিছে এই সংগঠনৰ সন্মিলনত পাকিস্তানে ভাৰতৰ হিন্দুসকলৰ বিৰুদ্ধে প্ৰস্তাৱ উত্থাপন কৰাটো এটা পৰম্পৰা হৈ পৰিছে। কিন্তু, 'OIC' ৰ নেতৃত্ব মূলতঃ ছৌদি আৰৱ আৰু সংযুক্ত আৰৱ ৰাজতন্ত্ৰ (UAF) ৰ হাতত। দুয়োখন দেশে ক্ৰমে উদাৰবাদী বিচাৰধাৰা গ্ৰহণ কৰিবলৈ লোৱাত পাকিস্তানৰ ভাৰত-বিৰোধী অপপ্ৰচাৰে গুৰুত্ব লাভ কৰা নাই।

এই প্ৰসংগতে উল্লেখযোগ্য যে এবাৰ 'OIC' ৰ বিদেশমন্ত্ৰীৰ সন্মিলন উদ্বোধন কৰিবলৈ ভাৰতৰ বিদেশমন্ত্ৰী সুষমা স্বৰাজে সুযোগ পাইছিল; তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক একাধিক ইছলামীয় দেশে 'সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা' প্ৰদান কৰিছে। এনে কাৰণতে তাহানিৰ জিন্নাৰ সূত্ৰ অনুসৰি প্ৰধানমন্ত্ৰী মোদীৰ ভাৰতত মুছলমানসকল সুৰক্ষিত নহয় বুলি বিভাজনবাদী মুছলমানসকলে চলোৱা অপপ্ৰচাৰে কাম দিয়া নাই।

এইবেলি 'OIC' ৰ সন্মিলনত বিশ্বৰ ১৫০ কোটি মুছলমানক ভাৰতৰ বিৰুদ্ধে একত্ৰিত হ'বলৈ আহ্বান জনাইছিল পাকিস্তানে। উল্লেখযোগ্য যে সন্মিলনত পাকিস্তানৰ বন্ধুৰাষ্ট্ৰ চীনৰ প্ৰতিনিধিও উপস্থিত আছিল, য'ত মুছলমানৰ ন্যূনতম ধৰ্মীয় অধিকাৰো নাই। পিছে মুছলমান জনসংখ্যাৰ বলত হিন্দুপ্ৰধান ভাৰতক ভীতিগ্ৰস্ত কৰি তোলাৰ মানসিকতা মাথোন পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰে নহয়, ভাৰতৰ এচাম মুছলমান নেতাৰো আছে।

হায়দৰাবাদকেন্দ্ৰিক ৰাজনৈতিক দল AIMIMৰ নেতা ওৱেইছি (কনিষ্ঠ)-এ ২০০৮তে প্ৰত্যাহ্বান দিছিল, তোমালোকে মাথোন ১৫ মিনিট সময়ৰ বাবে আৰক্ষী ব্যৱস্থাক নিষ্ক্ৰিয় কৰি ৰাখা, দেখিবা ১৫ শতাংশ মুছলমানে ৮৫ শতাংশ হিন্দুৰ কি দুৰ্গতি সাধন কৰিব পাৰে। তেওঁৰ বিৰুদ্ধে গোচৰটো সৰ্বোচ্চ ন্যায়ালয়ৰ মজিয়াত পৰি আছে। তেওঁৰ জ্যেষ্ঠ ভ্ৰাতৃ আছাউদ্দিন ওৱেইছিৰ মুখত এতিয়া ১৮ শতাংশ মুছলমানৰ অধিকাৰৰ কথাটো আখৈ ফুটাদি ফুটে। সিদিনা তেওঁ জনসভাত 'তিনি তালাক' প্ৰথাৰ সপক্ষে জোৰদাৰ বক্তৃতা দিলে। শুভবুদ্ধিসম্পন্ন কোনো মুছলমানে তাৰ প্ৰতিবাদ কৰা নাই। অথচ মুছলমান মহিলাৰ মাজত প্ৰধানমন্ত্ৰী মোদীৰ জনপ্ৰিয়তা দিনে দিনে বাঢ়িছে তেওঁৰ সংস্কাৰমূলক পদক্ষেপবোৰৰ যহত। অনেক মুছলমান মহিলাই সংবাদ মাধ্যমত মহিলাৰ সৰলীকৰণৰ কাৰ্যসূচীলৈ মুকলিকৈ সমৰ্থন জনাবলৈ সাহস গোটাইছে আৰু কৈছে— বহুবিবাহ আৰু বাল্য বিবাহৰ নিষিদ্ধকৰণ, জন্মনিয়ন্ত্ৰণ আৰু শিক্ষা এই তিনিটাৰ মাজতেই মুছলমান সমাজৰ কল্যাণ নিহিত আছে।

(তিনি)

একাংশ বিভাজনপন্থী মুছলমানে শেহতীয়াভাৱে মুছলমান বিদ্যাৰ্থীৰ 'হিজাব' পৰিধানৰ অধিকাৰক লৈ বিতৰ্কৰ সূচনা কৰিছে। হওঁতে সামাজিক জীৱনত মুছলমানসকলকে ধৰি কোনো ভাৰতীয় নাগৰিকৰে পিন্ধন-উৰণত কোনো বাধা-নিষেধ নাই; কিন্তু শিক্ষানুষ্ঠানত বা কেতবোৰ চৰকাৰী-বেচৰকাৰী খণ্ডৰ প্ৰতিষ্ঠানত ইউনিফৰ্ম পিন্ধাটো বাধ্যতামূলক। সেইবোৰত যিকোনো বেশভূষা পিন্ধাটো নচলে। পিছে কৰ্ণাটকৰ এখন কলেজৰ ছয়গৰাকী মুছলমান ছাত্ৰীয়ে হঠাতে ঘোষণা কৰিলে, মুছলমান মহিলাই হিজাব পিন্ধাটো অপৰিহাৰ্য ধৰ্মীয় পৰম্পৰা, এই অধিকাৰত হস্তক্ষেপ কৰাটো নচলিব।

বিষয়টো উচ্চ ন্যায়ালয় পালেগৈ। উচ্চ ন্যায়ালয়ৰ খণ্ডপীঠে ৰায় দিলে, 'ইউনিফৰ্মৰ ক্ষেত্ৰত ধৰ্মীয় অধিকাৰৰ বিষয়টো অপ্ৰাসংগিক; তদুপৰি 'হিজাব' পৰিধান ইছলামৰ অপৰিহাৰ্য প্ৰথা নহয়। সমাজত বিতৰ্কটো ন্যস্ত স্বাৰ্থজড়িত মহলে সাম্প্ৰদায়িক সংঘাত সৃষ্টি কৰাৰ অৰ্থে উত্থাপন কৰিছে বুলি ভাব হয়।' এই সন্দেহ অমূলক নহয়। এতিয়া হিজাব বিতৰ্কই ৰাজ্যই ৰাজ্যই সাম্প্ৰদায়িক ৰাজনীতিৰ পথ মুকলি কৰিছে। ছাত্ৰীকেইজনীয়ে প্ৰত্যাহ্বান জনাইছে, হিজাব পিন্ধিবলৈ নিদিলে পৰীক্ষাও নিদিওঁ, কলেজতো নপঢ়ো। বিষয়টো সৰ্বোচ্চ ন্যায়ালয়ৰ মজিয়াত উত্থাপিত হৈছে; কিন্তু এচাম মৌলবাদীয়ে নতুন বিতৰ্কৰ সূচনা কৰিছে,— ইছলামীয় প্ৰথা ন্যায়পালিকাই নিয়ন্ত্ৰণ কৰিব নোৱাৰে। প্ৰকাৰান্তৰে এই দৃষ্টিভংগী ভাৰতৰ সাংবিধানিক ব্যৱস্থাৰ প্ৰতিয়েই এক প্ৰত্যাহ্বান।

মনকৰিবলগীয়া যে কচ'ভ', আজাৰবেইজান, টিউনিছিয়া, টুৰ্কী আদিকে ধৰি অনেক দেশত ৰাজহুৱা স্থানত হিজাব পৰিধান কৰাটো নিষেধ। ছৌদি আৰৱত মৌলবাদী সংগঠন তবলিগী জামাতক নিষিদ্ধ কৰা হৈছে। সাতখন মুছলমান ৰাজ্যক লৈ গঠিত ইউ এ ইত মহিলাই উদাৰ জীৱন যাপন কৰাৰ বাবে পিন্ধা-উৰা, চলা-ফুৰা আৰু বিবাহ-বহিৰ্ভূত সংগী বাছি লোৱাৰ অধিকাৰ লাভ কৰিছে। ২১ বছৰ ঊৰ্ধৰ পুৰুষ-মহিলাই তাত বিদেশী চিনেমা চাব পাৰে, সপ্তাহৰ শেষত শনিবাৰ-দেওবাৰ উপভোগ কৰিব পাৰে ইত্যাদি। ইতিমধ্যে ইউ এ ইৰ মহাকাশ বিজ্ঞানৰ গৱেষণাত মহিলাসকলেই নেতৃত্ব লৈছে।

ভাৰতত গোড়া মুছলমানসকলে মহিলাই উদাৰবাদী শিক্ষা লাভ কৰাটো নিবিচাৰে। সৰ্বভাৰতীয় মুছলমান ব্যক্তিগত আইন পৰিষদে প্ৰস্তাৱ লৈছে, স্কুল পৰ্যায়তহে 'ইউনিফৰ্ম' বাধ্যতামূলক হ'ব পাৰে, কলেজত নহয়। তাৎপৰ্যপূৰ্ণ যে সংগঠনটোৱে মুছলমান সংস্থাবোৰক পৰামৰ্শ দিছে, তেওঁলোকে ব্যৱসায়ী আৰু পুঁজিপতিৰ সহযোগত এনে কেতবোৰ শিক্ষানুষ্ঠান গঢ়ি তুলিব লাগে, য'ত মুছলমান ছাত্ৰীয়ে বোৰ্খা পৰিধান কৰি পঢ়াৰ অধিকাৰ লাভ কৰিব। কি যে প্ৰগতিবাদী চিন্তাধাৰা!

কেৰালাৰ ৰাজ্যপাল তথা বিশিষ্ট ইছলামীয় দৰ্শনৰ পণ্ডিত আৰিফ মহম্মদ খানে আঙুলিয়াই দিছে যে 'হিজাব' শব্দটো কোৰানত সাতবাৰ উল্লেখ আছে আৰু পৰ্দা বা দূৰত্ব ৰক্ষাৰ অৰ্থতহে শব্দটো ব্যৱহৃত হৈছে, বেশ-ভূষাৰ অৰ্থত নহয়। জম্মু আৰু কাশ্মীৰৰ মুখ্যমন্ত্ৰী মেহবুবা মুফটিয়ে ভাৰতত ইছলামীয় আইনৰ দোহাই দি 'হিজাব'লৈ সমৰ্থন দিয়াৰ প্ৰসংগত ৰাজ্যপালগৰাকীয়ে এনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে,— এনে মন্তব্য দিয়াৰ পূৰ্বে মেহবুবাই ৰাজনীতি ত্যাগ কৰি আদৰ্শ প্ৰতিষ্ঠা কৰাটো উচিত আছিল; কাৰণ ইছলামীয় আইন অনুসৰি নাৰীয়ে ৰাজনৈতিক বা সামাজিক নেতৃত্ব গ্ৰহণ

**ইণ্ডোনেছিয়াৰ পাছত ভাৰত দ্বিতীয় মুছলমানপ্ৰধান দেশ। বিশ্বৰ দহ শতাংশ মুছলমান ভাৰতত বাস কৰে আৰু সুখে-সন্তোষে বাস কৰে। এতেকে শুভবুদ্ধিসম্পন্ন মুছলমানসকলে সাম্প্ৰদায়িক ৰাজনীতিত মূৰ নঘমায়।**

কৰাটো নিষেধ। ইছলামীয় আইনত কোৱা হৈছে, নাৰীয়ে নেতৃত্ব গ্ৰহণ কৰিলে সমাজ অধঃপাতে যাব। লক্ষ্যণীয় যে এতিয়ালৈ মেহবুবা মুফটি এই বিষয়ত নিৰুত্তৰ।

চৌদিশে একেটা প্ৰশ্ন— 'The kashmir Files' চালেনে? সঁচা কথা, এখন চিনেমাই সাধাৰণ লোকৰ মগজুলৈ ইতিহাসৰ সঞ্চাৰণ ঘটাব পাৰে। কলেজীয়া দিনত এনে অসংখ্য চিনেমা চাইছো, যিবোৰৰ কাহিনী এশ শতাংশই ইতিহাস, তাত মনোৰঞ্জনৰ আন উপাদান নায়েই। সেইবোৰে ৰাজনৈতিক-সামাজিক পৰিস্থিতি বুজাত আমাক যথেষ্ট সহায় কৰিছে। সেই দৃষ্টিৰে The kashmir Files এখন সফল ছবি। তাতোকৈ ডাঙৰ কথাটো হ'ল, বিবেক অগ্নিহোত্ৰীৰ সাহস। সেই বুলি কোনো কোনোৱে কাশ্মীৰী পণ্ডিতসকলৰ ওপৰত চলা অমানৱীয় নিৰ্যাতন সম্পৰ্কে আগেয়ে একোৱেই নাজানিছিল বুলি কোৱাটোও আত্মপ্ৰতাৰণা মাথোন। ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰে নিজৰ দেশতে শৰণাৰ্থী হৈ পৰা কাশ্মীৰী হিন্দুসকলক পুনৰ সংস্থাপিত কৰাৰ প্ৰতিশ্ৰুতি দিও সফল হোৱা নাই, কাৰণ কাশ্মীৰত হিন্দুৰ সুৰক্ষাৰ অভাৱ।

প্ৰাসংগিক কথাটো হ'ল, ১৯৯০-৯১ৰ হিন্দু মুক্ত কাশ্মীৰৰ কাৰ্যসূচীলৈ কংগ্ৰেছ, নেছনেল কনফাৰেন্স আৰু আন ছেকুলাৰ দলবোৰে দিয়া নীৰৱ সমৰ্থন। যিজন য়াছিন মালিক বিদেশৰ টি ভি চেনেলৰ সাক্ষাৎকাৰত নিজেই স্বীকাৰোক্তি দিছিল যে ভাৰতীয় বায়ু সেনাৰ বিষয়াজনক তেৱেঁই হত্যা কৰিছিল, সেইজন য়াছিন মালিকক চৰকাৰী বাসভৱনলৈ মাতি আনি প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে কৰমৰ্দন কৰিছিল। এতিয়া মোদী চৰকাৰৰ আমোলত য়াছিন মালিকে তিহাৰ কাৰাগাৰত দিন কটাইছে। সেইটোও এটা বাৰ্তা।

আৰু আছে। কাশ্মীৰৰ পণ্ডিতসকলৰ ওপৰত চলোৱা অত্যাচাৰৰ অপৰাধত ৰায়দান কৰা ন্যায়াধীশগৰাকীক আদালত কক্ষতে গুলীয়াই হত্যা কৰা হৈছিল, তেওঁৰ পত্নীকো দুৰ্বৃত্তই অপহৰণ কৰি নিছিল, যাৰ শুংসূত্ৰ আজিও নোলাল; কিন্তু কোনোবা দিনা এই বিষয়ত ন্যায়পালিকাই মাত মাতিছেনে? অথচ কাশ্মীৰত সন্ত্ৰাসবাদীৰ স'তে প্ৰত্যক্ষ সংঘৰ্ষত লিপ্ত হোৱা সুৰক্ষা কৰ্মীক ন্যায়াধীশে প্ৰশ্ন সুধিছে— ব্যক্তিগৰাকী সন্ত্ৰাসবাদী হয় নে নহয়, সেইটো নিশ্চিত নোহোৱাকৈ গুলিয়ালে কিয়?

গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হোৱাৰ পটভূমিত আছিল ২৭ ফেব্ৰুৱাৰী (২০০২)ৰ নিশা সবৰমতী এক্সপ্ৰেছৰ ছয় নম্বৰ দবাত ৫৯ জন কৰ সেৱকক গোধ্ৰা ষ্টেছনত জীয়াই জীয়াই পুৰি মৰাৰ ঘটনাটো। এই ঘটনাত জড়িত ৩১ জন অপৰাধীক কাৰাদণ্ড বিহা হৈছে, তেওঁলোকৰ মাজত কংগ্ৰেছৰ সমৰ্থকো আছে। তাৎপৰ্যপূৰ্ণ যে এটা মছজিদৰ পৰা ৰাজহুৱা ঘোষণাৰ জৰিয়তে জঘন্য ঘটনাটো সংঘটিত কৰিবলৈ আহ্বান জনোৱা হৈছিল। এইবোৰ কথা বহুতে নজনাৰ ভাও জুৰি থাকে। আনকি সংবাদ মাধ্যমেও নজনাৰ ভাও জুৰি থাকে যে গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষত নিহত এহেজাৰমান লোকৰ ভিতৰত প্ৰায় অৰ্ধেক হিন্দু আছিল। অথচ গুজৰাটত মুছলমানক হত্যা কৰা হৈছে বুলিহে প্ৰচাৰ চলি আছে আজিও।

বিবেক অগ্নিহোত্ৰীৰ 'The Kashmir Files'-এ নজনাৰ ভাও জুৰি থকা সকলৰ মুখা খুলি দিছে, তাতেই ছবিখনৰ সাৰ্থকতা। সহজ ভাষাত, ই এখন ঐতিহাসিক দলিল।

*ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

## অভিমত

# নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ পৰা বিৰত থাকক কংগ্ৰেছ

**যোৱা** ১৪ মাৰ্চৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ পৰা বিৰত থাকক কংগ্ৰেছ' শীৰ্ষক নিৰন্ধটোৰ নিৰন্ধকাৰ, সম্পাদক প্ৰাঞ্জলসেন ডেকাই পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ ফলাফল দেখি-শুনি মনত ক্ৰিয়া কৰা ভাবৰ বহিঃপ্ৰকাশ সুন্দৰ শব্দ প্ৰয়োগ আৰু মাৰ্জিত ভাষাৰে উপস্থাপন কৰিছে। এই নিৰন্ধটোৰ আঁত ধৰি মোৰ মনত উদয় হোৱা ভাব প্ৰকাশ কৰিলো।

ভাৰতবৰ্ষ ব্ৰিটিছ চৰকাৰৰ কবলৰ পৰা স্বাধীন কৰাত জাতীয় কংগ্ৰেছৰ অৱদান কোনেও অস্বীকাৰ কৰিব নোৱাৰে। স্বাধীনতাৰ পাছত কংগ্ৰেছেই ভাৰতবৰ্ষৰ শাসনভাৰ গ্ৰহণ কৰে। প্ৰায় সপ্তদশক কংগ্ৰেছে ভাৰতবৰ্ষৰ শাসনভাৰ চলাই ভাৰতবৰ্ষৰ জনগণৰ তন-মন জয় কৰে। তেনে এটা দলৰ পয়ালগা অৱস্থা দেখি মানুহৰ মনত নানা ধৰণৰ প্ৰশ্নৰ উদয় হৈছে। কিছুমানে ক'ব খোজে কংগ্ৰেছ দলৰ ভাল ভাল নেতাসকল অন্য দললৈ ধাৱমান হ'ল, কংগ্ৰেছ দলত এতিয়া ভাল নেতাৰ অভাৱ। কিছুমানে ক'ব কংগ্ৰেছে পূৰ্বৰ নীতি, আদৰ্শ ধৰি ৰাখিব পৰা নাই। যাৰ ফলত উপযুক্ত লোকক বঞ্চিত কৰি অনুপযুক্ত আৰু শীৰ্ষ নেতৃত্বৰ তোষামোদকাৰী আৰু আজ্ঞাবাহী লোকক দলৰ বিষয়বাব প্ৰদান কৰে। আন কিছুমানে ক'ব খোজে নেহৰু পৰিয়ালক বিশ্বাস আৰু গুৰুত্ব প্ৰদান কৰি দলটোক ধ্বংস কৰিলে। কংগ্ৰেছৰ বিপৰ্যয়ৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে কংগ্ৰেছ দলৰ আভ্যন্তৰীণ অন্তৰ কন্দললেই মূল কাৰণ বুলি চিহ্নিত কৰিব পাৰি। নিজৰ মাজতে ক্ষমতাপ্ৰাপ্তিৰ লিপ্সা, অহংকাৰ, দুৰ্নীতি, ভ্ৰষ্টাচাৰ, বিশ্বাসহীনতা বাক্‌সংযমহীনতা, কৰ্মকৰ্তাৰ মাজত ঐক্যভাৱৰ অভাৱ, পৰস্পৰে পৰস্পৰৰ ওপৰত হিংসা, দ্বেষ ভাৱৰ ক্ৰিয়া আদি কাৰণৰ বাবে দলটো বিপৰ্যয়ৰ গৰাহলৈ ধাৱমান হ'ল। শেহতীয়াকৈ পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ ফলাফলে কংগ্ৰেছৰ আচল স্বৰূপ জনসাধাৰণৰ মাজত উদঙাই দিলে। নিজৰ ভৰিৰ তলৰ মাটিত ঠেলি-হেঁচি আন দলে দখল কৰিলে। তথাপি নাও বুৰিলেও টিঙৰ পৰা ননমা নেতাসকলে আত্মবিশ্লেষণ কৰি দলটোক উদ্ধাৰৰ বাবে প্ৰচেষ্টা হাতত নলয়। মাত্ৰ কিছুমান অযুক্তিকৰ মন্তব্যৰে আনক দোষাৰোপ কৰি নিজৰ ভুল ঢাকি ৰাখি সান্ত্বনা লাভ কৰে। নিজক যদি শুদ্ধ কৰিব নোৱাৰে, তেনেহ'লে আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰি থকাটো সমীচীন হ'ব বুলি বহুতে মত প্ৰকাশ কৰিছে। কিয়নো প্ৰতিদ্বন্দ্বিতা হ'বলৈ হ'লে প্ৰতিদ্বন্দ্বীৰ সমকক্ষ হ'ব লাগিব। নহ'লে প্ৰতিদ্বন্দ্বীৰ লগত ধৰাশায়ী

**দলৰ উত্থান-পতন স্বাভাৱিক প্ৰক্ৰিয়া। কেতিয়াবা কোনো এটা দলে কোনো এখন ৰাজ্যত চমক সৃষ্টি কৰি ভোটাৰৰ মন জয় কৰি ভোটৰ যুদ্ধত জয়ী হয়; কিন্তু এটা শক্তিশালী স্থিতিত থকা দলে পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনত শোচনীয় পৰাজয় জনসাধাৰণে সহজভাৱে ল'ব পৰা নাই**

হৈ থকাখিনিও নাইকিয়া হৈ পৰিব।

বিজেপিয়ে ভাৰতীয় ৰাজনীতিত প্ৰৱেশ কৰি ভাৰতৰ শাসনভাৰ ল'বলৈ চেষ্টা কৰিও বিফল হয়। সেই সময়ত কংগ্ৰেছৰ আধিপত্য বিস্তাৰিত আছিল; কিন্তু বিজেপি হাৰ মনা নাছিল। বহু চেষ্টাৰ ফলত আন দলৰ সহযোগত দিল্লী দখল কৰিলে। অটল বিহাৰী বাজপেয়ী ভাৰতৰ প্ৰধানমন্ত্ৰী হ'ল। নানা ধৰণৰ কল্যাণমূলক আঁচনিৰে মানুহৰ মন জয় কৰিবলৈ সক্ষম হ'ল; কিন্তু কংগ্ৰেছে কূটকৌশল প্ৰয়োগ কৰি চৰকাৰ ভাঙি দিলে। পুনৰ কংগ্ৰেছে দিল্লী দখল কৰিলে। বিজেপি বহি থকা ভকত নহয়, নতুন উদ্যমেৰে ৰাজনীতিৰ কৌশল ৰচনা কৰি ভাৰতবৰ্ষৰ মানুহৰ তন-মন জয় কৰি শাসনৰ গাদী দখল কৰিলে। নৰেন্দ্ৰ মোদী ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী হ'ল। নৰেন্দ্ৰ মোদীৰ নিজৰ ব্যক্তিত্ব আৰু আধ্যাত্মিক চিন্তাৰে ভাৰতবৰ্ষ তথা বিশ্ববাসীৰ মন জয় কৰিবলৈ সক্ষম হ'ল। মোদী আৰু শ্বাহৰ যুটিয়ে বিজেপিৰ ভেঁটি সুদৃঢ় কৰিলে। গাঁৱে-ভূঞে, চহৰে-নগৰে বিজেপিৰ কৰ্মকৰ্তা সোমাই মানুহক সজাগ আৰু সচেতন কৰি বিজেপিমুখী কৰিলে। বিজেপিয়ে পূৰ্বৰ সমস্যাৰ পৰা শিক্ষা গ্ৰহণ কৰি ভুল শুধৰাই নতুন ৰূপত আবিৰ্ভাৱ হ'ল। বছা বছা লোকসকলক বিচাৰি উলিয়াই বিজেপিত চামিল কৰিলে। নিজৰ মতাদৰ্শৰ লগত মিলা দলবোৰৰ লগত মিত্ৰতা স্থাপন কৰিলে। অহংকাৰ, অভিমান ত্যাগ কৰি দলৰ স্বাৰ্থত কাম কৰি দলটোৰ উত্তৰণ ঘটালে। বৰ্তমান বিজেপিৰ জয় জয় ময় ময় অৱস্থা। শেহতীয়া নিৰ্বাচনৰ ফলাফলে বিজেপিৰ মনোবল বৃদ্ধি কৰিলে।


দলৰ উত্থান-পতন স্বাভাৱিক প্ৰক্ৰিয়া। কেতিয়াবা কোনো এটা দলে কোনো এখন ৰাজ্যত চমক সৃষ্টি কৰি ভোটাৰৰ মন জয় কৰি ভোটৰ যুদ্ধত জয়ী হয়; কিন্তু এটা শক্তিশালী স্থিতিত থকা দলে পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনত শোচনীয় পৰাজয় জনসাধাৰণে সহজভাৱে ল'ব পৰা নাই। পাঁচখন ৰাজ্যৰ নিৰ্বাচনৰ ফলাফলে কংগ্ৰেছৰ ভৱিষ্যৎ অন্ধকাৰৰ ইংগিত বহন কৰা বুলি বহুতে ক'ব বিচাৰে। নিবনুৱা সমস্যা, মূল্যবৃদ্ধি, বিতৰ্কিত কৃষি আইন, কৃষকৰ সমস্যা আদি বিষয়সমূহ জনসাধাৰণৰ মাজলৈ লৈ গৈ বিজেপিৰ বিৰুদ্ধে ঢৌ সৃষ্টি কৰি কংগ্ৰেছৰ সপক্ষে বতাহ বলাব লাগিব বুলি বাতৰি কাকত, বৈদ্যুতিন মাধ্যম, সামাজিক মাধ্যম আদিত প্ৰচাৰ কৰা হৈছিল; কিন্তু কংগ্ৰেছে ভবাৰ আগতে বিজেপিয়ে কৌশল ৰচনা কৰি সকলোবোৰ ফুটুকাৰ ফেন কৰি পেলালে। ফলত কংগ্ৰেছে শোচনীয়ভাৱে পৰাজয়বৰণ কৰিলে।

অসমতো কংগ্ৰেছৰ অৱস্থা তথৈবচ। নিজৰ বিধায়কখিনিকে ধৰি ৰাখিব পৰা নাই। এজন এজনকৈ বিজেপিলৈ গমন কৰি কংগ্ৰেছ শূন্য কৰিব বিচাৰিছে। থকাখিনিয়েও বিজেপিৰ প্ৰতি যি নমনীয়তা আৰু কোমলতা দেখুৱাইছে তাৰ পৰা অনুমান কৰিব পাৰি যে সেই সকলো কংগ্ৰেছত বেছিদিন টিকি থাকিব নোৱাৰে। সঁচাকৈ কংগ্ৰেছ দল নিঃশেষ হৈ যাব নেকি? কংগ্ৰেছৰ উত্থান সম্ভৱ নহ'ব নেকি? কংগ্ৰেছক এনেকুৱা অৱস্থা কোনে কৰিলে? এইবোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ হ'লে সকলোবোৰ চালি-জাৰি চাই, অহমিকা ভাব পৰিত্যাগ কৰি, নতুন চিন্তা-চৰ্চাৰে সময়ৰ লগত খাপ খাই প্ৰয়োজনীয়তাৰ ভিত্তিত এৰা-ধৰাৰ মনোভাৱেৰে বিজেপিৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ সাজু হ'ব লাগিব। নহ'লে নিৰন্ধকাৰ প্ৰাঞ্জলসেন ডেকাই লিখাৰ দৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ পৰা বিৰত থাকক।

**জ্যোতিষ চন্দ্ৰ দত্ত,**
লখিমীনগৰ, হাতীগাঁও
ফোন ঃ ৯৮৫৪০-৪১৮১৫

## অৰ্থ লোভেই অনৰ্থৰ মূল

**গণতান্ত্ৰিক** দেশ হোৱা সত্ত্বেও সাধাৰণ অশিক্ষিত, গৰিব শ্ৰেণী মানুহৰ চৰকাৰী কাম আদায় পোৱাত হাৰাশাস্তি খোৱাৰ এটা অন্তহীন পথ অভাৱনীয়ভাৱে বৃদ্ধি পাই অহা কাৰোৱেই অবিদিত নহয়। ইয়াৰ মৌলিক কাৰণটোৱে হ'ল এক শ্ৰেণী মানুহৰ ক্ষমতাৰ প্ৰাধান্যতা। উদাহৰণ, গৰিব



আৰু অশিক্ষিত শ্ৰেণীৰ কোনো লোকৰ মৃত্যু প'ষ্টমৰ্টেম কৰোতে, ঘন্টাৰ পাছত ঘন্টা সময় অতিবাহিত আৰু ধনৰ ভৰণি হয়; কোনো কোনো পৰিয়ালৰ লোকে এই কামৰ মেৰপেচ ভাঙি, মৃতদেহ খালাচ কৰোতে তিৰোতাৰ হাতৰ-কাণৰ অলংকাৰ, পৈত্ৰিক সম্পত্তি বন্ধকত থৈ বা বিক্ৰী কৰি, উদ্ধাৰ পোৱা কাৰো অজ্ঞাত নহয়। মানৱিকতাৰ অধঃপতন হোৱা চৰকাৰী কামৰ এয়া এটা মাত্ৰ উদাহৰণহে। আজি সাধাৰণ শ্ৰেণীৰ মানুহে ন্যায় পোৱাত সুবিধা নাপায়, প্ৰাধান্যৰ উন্মত্ততাৰ এখন বিশৃংখল আৰু উচ্ছৃংখল অঘোষিত বজাৰহে যেন সৃষ্টি হ'ল। পৰাধীন ভাৰতত যি কাম হোৱা নাছিল, তাতোকৈ বহু বেছি অধম কাম স্বাধীন ভাৰতত দৈনন্দিন সংঘটিত হ'ব লাগিছে। যি কথা কাকো বুজাই কোৱাৰ প্ৰয়োজন নাই। মৃত ব্যক্তিয়ে জীয়াই থকা দেখুৱাই চৰকাৰী সুবিধা গ্ৰহণ কৰাটোৱে কি মানসিকতাৰ প্ৰমাণ কৰে, সি কাৰোৱেই দুৰ্বোধ্য নহয়। জ্ঞানবোধৰ পৰিৱৰ্তে ধনবোধে আজি প্ৰায় সকলোৰে মানসিকতা ৰোগাক্ৰান্ত নকৰিলে জানো?

**মদন দাস,** ছিপাঝাৰ

## গৰ্ভত্ৰাস

**গণতান্ত্ৰিক** দেশত অন্যায়-অনীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰাটো নাগৰিকৰ মৌলিক অধিকাৰ। সম্প্ৰতি প্ৰতিবাদমুখৰ হ'ল দেশ। দেশত বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান দূবৰি বনৰ দৰে জন্ম লাভ কৰি আছে আৰু সিবোৰৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তাক পূৰণ কৰা আৰু দেশত উদ্ভৱ হোৱা নানা ধৰণৰ অন্যান্য-অনীতিৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদ কৰিবলৈ ৰাজপথলৈ ওলাই আহি পৰিৱেশ উত্তপ্ত কৰি তোলা এটা স্বাভাৱিক আৰু গতানুগতিক কাৰ্যত যেন পৰিণত হ'ল। দেশত আজি বিভিন্ন সমস্যাৰ সমাধানৰ কাৰণে আন্দোলন কৰিব লগা হোৱা এটা অনাকাংক্ষিত পৰিৱেশৰ সৃষ্টি হ'ল। দীৰ্ঘদিনীয়া কাৰ্যসূচীৰে আন্দোলন কৰিব লগা হোৱা বাবে উৎপাদন কেন্দ্ৰবোৰ অচল হৈ পৰে, যাৰ ফলত বস্তুৰ নাটনি হোৱা বা নাটনি সৃষ্টি কৰা, এটা অহিতকৰ পৰিৱেশৰ জন্ম হ'ল। এচাম অসাধু ব্যৱসায়ীয়ে নাটনিৰ দোহাই দি অধিক মুনাফা লুটাৰ দুষ্ট অভিপ্ৰায়ক আগস্থান দিলে। সাধাৰণ ৰাইজে বস্তুৰ নাটনি হোৱাটোকে বিশ্বাসত লৈ অধিক মূল্যত বস্তু ক্ৰয় কৰিবলৈ বাধ্য হ'ল। বস্তুৰ মূল্যবৃদ্ধিৰ কাৰণে প্ৰতিবাদ কৰাটো এটা যেন ৰাইজৰ ধাৰাবাহিক কাৰ্যহে হ'ল। এনে হোৱাত ৰাইজৰ ধন-সময়-শ্ৰমৰ অপচয় হোৱা এটা বোজাত পৰিণত হ'ল। একোটা আন্দোলন দীৰ্ঘ দিনলৈ চলি সমাপ্ত হোৱাৰ পাছতো, তাৰ সুফল লাভ কৰাত বছৰৰ পাছত বছৰ অতিবাহিত হোৱা উদাহৰণ আছে। অসম চুক্তি ৰূপায়ণত বিলম্ব হোৱাই প্ৰমাণ নহয় জানো? তেনেকৈ কৃষক বিদ্ৰোহো অন্যতম উদাহৰণ। আন্দোলন নকৰিলে আজি কোনেও যেন কোনো ফল ভোগ কৰিব নোৱাৰে, এনে এটা দুঃচিন্তা ৰাইজৰ মনত স্থায়ী হ'বলৈ বাধ্য হ'ল। সেই কাৰণে দেশ আজি আন্দোলনত তোলপাৰ।

**কেশৱ শৰ্মা,** ফোন ঃ ৯৪০১৮৭৯৪০৮

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৬ মাৰ্চ শনিবাৰ, ২০২২ পৃষ্ঠা ৫

**সুখ বা দুখৰ সময়ত প্ৰকৃত লগৰীয়া কোনো নাই। জৈন তপ-ধ্যানে তপস্বীৰ মনোজগতলৈ বৈৰাগ্যৰ ভাব আনিব পাৰে। লক্ষ্যত উপনীত হ'লেই ভক্তই পৰম সুন্দৰৰ মাজত বিলীন হৈ মোক্ষ লাভ কৰে**

## পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰে ৰচিত

# যশস্তিলক এণ্ড ইণ্ডিয়ান কালচাৰ গ্ৰন্থৰ নীতি বাক্যমালা

*আগৰ সংখ্যাৰ পাছৰ পৰা*

**...ৰজা** যশোধৰৰ শোকাৰহ মৃত্যুৰ পাছত পুত্ৰ যশোমতি অৱন্তী দেশৰ ৰাজপাটত উঠিল। পতিপৰায়ণা ৰাণী কুসুমাৱলীৰে স'তে যশোমতিয়ে ৰাজকাৰ্য চলালে পৰম্পৰাগত পয়োভৰৰে।

হতভগীয়া যশোধৰ আৰু মাতৃ চন্দ্ৰমতিয়ে এই পৃথিৱীত পুনৰ্জন্ম ল'লে। তেওঁলোক দুয়ো কে'বাটাও জনম পশু-পক্ষীৰ ৰূপত জন্ম হ'বলৈ ধৰিলে। ইফালে পাপিষ্ঠা অমৃতমতিয়ে প্ৰণয়ী অষ্টবংকৰ স'তে ৰং-তামাচাত মগ্ন হ'ল। ধীৰে ধীৰে ৰাণীৰ শৰীৰত কুষ্ঠ ৰোগে দেখা দিলে। সৰ্বশৰীৰৰ পঁচা ঘাঁৰ দুৰ্গন্ধ সহিব নোৱাৰি ৰাজপ্ৰাসাদৰ আটায়ে নাকত সোপা দি স্বামী হত্যাকাৰিণী বুলি আঙুলি টোঁৱাই ফুচফুচীয়া মেল পাতিবলৈ লাগিল। ঘটনাচক্ৰে যশোধৰ আৰু মাতৃ চন্দ্ৰমতিয়ে তেওঁলোকৰ সপ্তম জনমত যশোমতিৰ ৰাণী কুসুমাৱলীৰ গৰ্ভত দুটি যঁজা সন্তানৰ ভ্ৰূণৰ ৰূপত স্থান ল'লেহি। গৰ্ভধাৰণ কালত ৰাণী কুসুমাৱলীয়ে ৰজাক খাটনি ধৰিলে যাতে ৰাণীৰ গৰ্ভধাৰণ কালত ৰাজ্যত কোনোৱে প্ৰাণী হত্যা বা প্ৰাণীক পীড়িত কৰিব নোৱৰাৰ আদেশ ঘোষণা কৰা হয়। আত্মসংযমী সাধ্বী নাৰীলৈকো ৰাণীয়ে পূজা মানস কৰিলে। ৰজা যশোমতিৰ বুজিবলৈ বাকী নাথাকিল যে ৰাণীয়ে যি সন্তান জন্ম দিব, সেই সন্তানৰ ধৰ্মৰ প্ৰতি জন্মগত আসক্তি হ'ব। যথা সময়ত ৰাণী কুসুমাৱলীয়ে দুটি যঁজা ল'ৰা-ছোৱালীৰ জন্ম দিলে। গৰ্ভধাৰণ কালত মাতৃয়ে সকলো জীৱৰ প্ৰতি অভয় দান কৰাৰ বাবে যঁজা ল'ৰা-ছোৱালী হালক ক্ৰমে অভয়ৰুচি আৰু অভয়মতি নাম ৰখা হয়। পাছৰ কালত শিশু অভয়ৰুচি 'যশস্তিলক' নামেৰে খ্যাত হয়। যঁজা সন্তান দুটি ক্ৰমে ডাঙৰ হৈ আঠ বছৰ বয়সত ভৰি দিলেহি।

এদিন ৰজা যশোমতিয়ে সহচৰবৰ্গৰ স'তে চিকাৰলৈ যাওঁতে বাটত 'সহস্ৰ কুট মন্দিৰ'ৰ উদ্যানত ৰজাই দিগম্বৰ মুনি 'সুদত্ত'ক দেখা পালে। ৰজাৰ এজন সহচৰে দিগম্বৰ মুনিক দেখা পাই মন্তব্য কৰিলে, 'নঙঠা ফকীৰ দেখিলে যাত্ৰা নাশ হয়।' এনেতে কাষতে ৰৈ থকা এজন জৈন ধৰ্মীয় সদাগৰে এনে মন্তব্য শুনি ৰজাক বুজালে, 'নগ্ন হৈ জন্ম লোৱা জীৱৰ নগ্নতাই আচল ৰূপ। জৈন মুনিসকলে পাৰ্থিৱ সকলো বস্তুৰ অনধিকাৰ হোৱাৰ সংকল্প লয় বাবেই সামান্যতম বস্ত্ৰখনো ত্যাগ কৰে।' সদাগৰে ৰজা যশোমতিক সুদত্ত মুনিক সাক্ষাৎ কৰিবলৈ কাকুতি কৰাত ৰজাই সুদত্ত মুনিক লগ ধৰিলেগৈ। সুদত্ত মুনিৰ শান্ত-সৌম্য চেহেৰা আৰু তত্ত্বগধুৰ ধৰ্ম কথাই ৰজাৰ অন্তৰ জয় কৰিলে। অনুতপ্ত হ'ল পূৰ্বে বিতৃষ্ণাৰ ভাব ওপজাৰ বাবে। সুদত্ত মুনিৰ চৰণ তলত শিৰশ্ছেদ কৰি ৰজাৰ প্ৰায়শ্চিত্ত কৰিবৰ ইচ্ছা হ'ল; কিন্তু ত্ৰিকালজ্ঞ মুনিয়ে ৰজাৰ মনৰ ভাব বুজিব পাৰি বাধা দিলে। ৰজা যশোমতিয়ে ত্ৰিকালজ্ঞ মুনিৰ শক্তি বুজি পাই তেওঁৰ মৃত পিতৃ যশোধৰ আৰু আইতাক চন্দ্ৰমতিৰ এই জনমৰ স্থিতিৰ বিষয়ে জানিব বিচাৰিলে। ত্ৰিকালজ্ঞ মুনিয়ে ব্যাখ্যা কৰিলে, 'ইহকালৰ কৰ্মফল মানুহে পৰকালত ভোগ কৰে। পুনৰ্জন্মৰ স্থিতি জীৱবোৰৰ পূৰ্বজন্মৰ ন্যায় আৰু অন্যায়ৰ কৰ্মফলৰ ওপৰত নিৰ্ভৰ কৰে। উদাহৰণ স্বৰূপে যশোমতিৰ মাতৃ অমৃতমতিয়ে স্বামী হত্যাৰ পাপৰ পৰিণাম হিচাপে নৰক ভুঞ্জিবলগীয়া হৈছে। ৰজাৰ পিতৃ যশোধৰ আৰু আইতাক চন্দ্ৰমতিয়ে কুকুৰাৰ প্ৰতিমূৰ্তি চণ্ডিকা দেৱীৰ সন্মুখত বলি দিয়া পাপৰ কাৰণে কে'বাটাও জনমৰ আৱৰ্তনত ঘূৰিবলগীয়া হৈছে আৰু পশু-পক্ষীৰ জীৱন লৈ সপ্তম জনমত ৰাণী কুসুমাৱলীৰ দুটা যঁজা সন্তানৰূপে জন্ম ল'লে। ...পিতৃ যশোমতিৰ মুখে অভয়ৰুচি আৰু অভয়মতিয়ে সুদত্ত মুনিৰ কথাবোৰ শুনি মনতে চিন্তা কৰিলে, 'সংসাৰৰ ঐশ্বৰ্য বিভূতি তেনেই অসাৰ আৰু অৰ্থহীন।' তেওঁলোক দুয়োৰে মনত এইবোৰ কথা খেলাই ঘৰ-সংসাৰ ত্যাগ কৰিবলৈ স্থিৰ কৰিলে আৰু সুদত্ত মুনিৰ আশ্ৰয় বিচাৰিলে। কোমল বয়সীয়া অজান আঠ বছৰীয়া শিশু দুটিৰ ধৰ্মীয় দীক্ষা লোৱাৰ বয়স হোৱা নাই বুলি মুনিয়ে শিশু দুটিক লৈ অনাই-বনাই ফুৰি যৌধেয় দেশৰ ৰজা মাৰদত্তৰ ৰাজধানীত ভৰি দিলেহি। মুনিয়ে সহচৰবৰ্গক লৈ ৰাজধানীৰ উপকণ্ঠত জিৰণি লৈ



**অৱলোকন**
**অহল্যা গগৈ**

অভয়ৰুচি আৰু অভয়মতিক নগৰলৈ ভিক্ষা মাগিবলৈ পঠাই দিলে। যৌধেয় দেশৰ ৰজা 'মাৰদত্ত' আছিল ৰাণী কুসুমাৱলীৰ জ্যেষ্ঠ ভ্ৰাতৃ। ৰূপৱান তৰুণ ৰজা মাৰদত্ত অতি পৰাক্ৰমী আছিল যদিও তেওঁ ভোগ-বিলাসৰ দিনবোৰ পাৰ কৰিছিল ৰূপৱতী নাৰীৰ সংসৰ্গত। চুবুৰীয়া দেশৰ সুন্দৰীহঁতৰ লগত ৰজাই উপভোগ কৰে প্ৰমোদ বিহাৰ আৰু প্ৰমোদ উদ্যানত জলক্ৰীড়া কৰি অৱসৰ লয়। এদিন এজন তান্ত্ৰিকে ৰজাক ক'লে, 'যদিহে তেওঁ ৰাজ্যৰ চণ্ডিকা মন্দিৰত সকলোবিধৰ প্ৰাণীৰ লগতে এহাল সৰ্বসুলক্ষিণা নৰ-নাৰী নিজ হাতে বলি দিব পাৰে, তেতিয়া হ'লে তেওঁ এখন ইন্দ্ৰজালযুক্ত তৰোৱাল প্ৰাপ্ত হ'ব আৰু সেই তৰোৱালৰে বিদ্যাধৰসকলৰ ৰাজ্য জয় কৰিব পাৰিব। বিদ্যাধৰসকলৰ অপেস্বৰী হেন গন্ধৰ্ব কন্যা লাভ কৰি উপভোগ কৰাৰ আশাত ৰজা মাৰদত্তই সেই ভয়ানক বলি পূজাৰ আয়োজন কৰিলে। সেই কালত ৰক্ত-প্ৰবাহিত চণ্ডিকা মন্দিৰ আছিল তান্ত্ৰিকসকলৰ পূজা কৰা এক ভয়াৱহ স্থান, য'ত গোসাঁনীৰ তৃপ্তি হকে সাধকে শৰীৰৰ কটা মঙহ আৰু তেজেৰে পূজা দিছিল। মনোবাঞ্ছা সিদ্ধিৰ বাবে মাৰদত্তই নিজে সেই ভয়ানক স্থানত উপস্থিত হৈ মন্দিৰৰ ৰখীয়াকেইটাক আদেশ দিলে শুভ লক্ষণযুক্ত এহাল নৰ-নাৰী বিচাৰি আনিবলৈ। সেই সময়ত অভয়ৰুচি আৰু অভয়মতিয়ে ৰাজধানী চহৰত ভিক্ষা কৰি ফুৰিছিল। ৰজাই পঠোৱা ৰখীয়াকেইটাই তেওঁলোকৰ লগত ভেটাভেটি হ'লহি। ল'ৰা-ছোৱালীহালক দেখি মন্দিৰৰ ৰখীয়াকেইটাই তাহাঁতৰ উদ্দেশ্য সফল হ'ল বুলি ভাবি তেওঁলোকৰ মুকলি মনে কথা পাতিবলৈ ল'লে। ছেগ বুজি ছলনা কৰি ক'লে যে এজন পৰম জ্ঞানী গুৰুৱে ল'ৰা-ছোৱালীহালক লগ পাবলৈ চণ্ডিকা মন্দিৰত অপেক্ষা কৰি আছে। তাহাঁত হালেও ভাগ্যক ধিয়াই ৰখীয়াকেইটাৰ লগত মন্দিৰলৈ আহি ভয়ংকৰ দৃশ্য দেখিলেহি। হৰেক জীৱ-জন্তু, মাছ-কাছ আদি ঘাতকহঁতে বান্ধি ৰাখিছে আৰু চণ্ডিকা দেৱীৰ আগত খোলা তৰোৱাল লৈ ভয়ংকৰ চেহেৰাৰে ৰজা মাৰদত্তই থিয় হৈ আছে; কিন্তু শিশু দুটিক ৰজাৰ সমুখত থিয় কৰোৱা সত্বেও তেওঁলোকৰ ঋষিসুলভ শান্ত-সৌম্য চেহেৰাৰ কোনো পৰিৱৰ্তন নহ'ল। তেওঁলোকৰ শান্ত চেহেৰা দেখি ৰজা মাৰদত্তৰ ক্ৰোধৰ বহ্নি ক্ৰমে নিৰ্বাপিত হ'বলৈ ধৰিলে। ৰজাৰ হৃদয়ত অনুকম্পা জাপি স্বগতঃ ক'বলৈ ধৰিলে, 'আচৰিত! শিশুকেইটিক দেখিয়েই মোৰ হৃদয় কিয় জুৰ পৰিল? আপোনজনক দেখি আত্মহাৰা হোৱাৰ দৰে মোৰ হৃদয় কিয়বা আনন্দত অধীৰ হৈছে! ভগ্নী ৰাণী কুসুমাৱলীৰ দুটি যঁজা সন্তানে সন্ন্যাস লোৱাৰ কথা শুনিছিলো; এওঁলোকেই নেকি ভগ্নীৰ সেই সন্তান?' ৰজাই খোলা তৰোৱাল দেৱীৰ সন্মুখত সমৰ্পণ কৰি শিশু দুটিয়ে বন্দনা গীতেৰে সন্মান দেখুৱাই ৰজাক শান্ত কৰিবলৈ এটাৰ পাছত এটাকৈ প্ৰশস্তি গীত গাবলৈ ধৰিলে। তেওঁলোকৰ আচৰণত সন্তুষ্ট হৈ ৰজাই তেওঁলোকৰ পিতৃ-মাতৃৰ পৰিচয় আৰু জন্মস্থানৰ বিষয়ে জানিব বিচাৰিলে।






অভয়ৰুচিয়েও আৰম্ভণিৰে পৰা তেওঁলোকৰ কাহিনী পিতৃ-মাতৃ আৰু সকলো ঘটনা এটাৰ পাছত এটাকৈ বৰ্ণনা কৰি গ'ল। অভয়ৰুচিৰ আদ্যোপান্ত কাহিনী শুনি ৰজাৰ আৱেগৰ ঢল উঠিল। নিজৰেই ভগ্নী কুসুমাৱলীৰ সন্তান দুটিৰ পৰিচয় পাই ৰজা স্তম্ভিত হ'ল। জীৱন, জনমৰ লীলাখেলাৰ কাহিনী শুনি মাৰদত্তই চিন্তা কৰিলে, 'সংসাৰৰ ঐহিক ভোগ-বিলাস, আমোদ-প্ৰমোদ সকলো সপোন মাথোন, এক যাদুখেলা।' ৰজাই মনৰ শান্তিৰ বাবে অভয়ৰুচিয়ে পালন কৰা ধৰ্মীয় জীৱন ল'বলৈ ইচ্ছা প্ৰকাশ কৰিলে। অভয়ৰুচিয়ে সুদত্ত মুনিৰ লগত তেওঁক সাক্ষাৎ কৰাই দিলে। চণ্ডিকা মন্দিৰৰ বলি পূজাৰ কোলাহল সিমানতে নিজম পৰিল। ত্ৰিকালজ্ঞ সুদত্ত মুনিয়ে মাৰদত্তক ধৰ্মীয় ব্যাখ্যা আগবঢ়াই ধৰ্ম আৰু অহিংসাৰ স্বৰূপ আৰু ধৰ্মৰ তত্ত্বজ্ঞানৰ বিষয়ে বুজালে। 'ত্ৰিৰত্ন তত্ত্ব'ৰ শুদ্ধ বিশ্বাস, শুদ্ধ জ্ঞান আৰু শুদ্ধ আচৰণৰ তিনি তত্ত্বৰ উদাহৰণ দি মানুহৰ মুক্তিপথৰ সন্ধান দিলে। শেষত ক'লে, সংসাৰৰ কৰ্ম তৎপৰতাৰ পৰা সম্পূৰ্ণভাৱে বিৰতি নল'লে ধৰ্মীয় সংকল্প সিদ্ধ নহয়। সুদত্ত মুনিয়ে ৰজাক সংকল্প আৰু ধ্যানৰ বিষয়ে ব্যাখ্যা কৰি ক'লে, 'গুৰু দীক্ষাৰ পূৰ্বে ভক্তই লোভ, মোহ, কাম, প্ৰৱঞ্চনা আৰু অসত্যৰ পথৰ পৰা মুক্ত হোৱাৰ পাঁচটা মৌলিক সংকল্প লয়। এই পঞ্চ মৌলিক সংকল্পই ঘৰ-সংসাৰী মানুহক তপস্বী কৰিব পাৰে। ধ্যানৰ দ্বাৰা উপলব্ধি কৰিব পাৰে যে সংসাৰত অকলেই জন্মগ্ৰহণ কৰি অকলেই মৃত্যুৰ সন্মুখীন হ'ব লাগিব; অকলেই নিজৰ কৰ্মফল ভোগ কৰিব লাগিব; সুখ বা দুখৰ সময়ত প্ৰকৃত লগৰীয়া কোনো নাই। জৈন তপ-ধ্যানে তপস্বীৰ মনোজগতলৈ বৈৰাগ্যৰ ভাব আনিব পাৰে। লক্ষ্যত উপনীত হ'লেই ভক্তই পৰম সুন্দৰৰ মাজত বিলীন হৈ মোক্ষ লাভ কৰে।'

সুদত্ত মুনিৰ দৰ্শন তত্ত্বৰ ব্যাখ্যাই ফল ধৰিলে। মুনিৰ ব্যাখ্যাই ৰজা মাৰদত্তক বিমোহিত কৰিলে; ভক্তিত গদ্‌গদ্ হৈ মুনিক জৈন ধৰ্মৰ দীক্ষা দিবলৈ প্ৰাৰ্থনা জনালে। ৰজাৰ লগতে ৰাজ্যৰ সমস্ত প্ৰজায়ো জৈন ধৰ্ম গ্ৰহণ কৰিলে। মাৰদত্তই সিংহাসনৰ মোহ ত্যাগ কৰি জৈন তপস্বীৰ জীৱন ধাৰণ কৰিবলৈ ল'লে।

...উল্লেখ্য যে ওপৰত বৰ্ণনা কৰা যশোধৰৰ কৰুণ কাহিনীটো দাক্ষিণাত্যৰ দেশীয় সাহিত্যসমূহৰ এটা প্ৰাচীন জনপ্ৰিয় আখ্যান। দশম শতিকাত জৈন ধৰ্ম প্ৰচাৰৰ অৰ্থে শাস্ত্ৰকাৰ 'সোমদেৱ'-এ উক্ত কাহিনীটোৰ আলম লৈ 'যশস্তিলক' চম্পূকাব্যখন ৰচনা কৰিছিল। এই চম্পূকাব্যখনৰ বিষয়ে সন্দিকৈয়ে লিখিছে, শাস্ত্ৰবিলাকৰ গূঢ় অৰ্থ কাব্য একোখনৰ জৰিয়তে প্ৰকাশ কৰি কাব্যক শিক্ষাৰ মাধ্যমৰূপে লোৱা যি লক্ষ্য, যি দশম শতিকাৰ পূৰ্বেও প্ৰচলিত আছিল। সেই বাবেই শাস্ত্ৰকাৰ সোমদেৱে 'যশস্তিলক' কাব্যখন শিক্ষাৰ মাধ্যম ৰূপে সজাই কাব্যখন নীতিবাক্যমালাৰে ৰচনা কৰিছে। কাব্যখনৰ জৰিয়তে সমাজৰ দুৰ্নীতিপৰায়ণ ৰাজনৈতিক বিষয়াসকলৰ অন্যান্য আৰু দুৰ্নীতিবোৰৰ বিষয়ে আলোকপাত কৰা হৈছে। সমাজৰ জীৱন ধাৰা কাব্যখনত প্ৰতিফলিত হৈ আছে। সোমদেৱে কাব্যখনৰ দ্বাৰাই জৈন ধৰ্ম মানুহৰ মাজত প্ৰচাৰ কৰিছিল। ইয়াৰ পৰা বুজা যায়, এটা বিশেষ যুগত জৈন ধৰ্ম সংঘাতৰ সন্মুখীন হৈছিল আৰু এই সংঘাতৰ পৰা মুক্ত কৰিবলৈকে সোমদেৱে এনে এখন কাব্য ৰচনা কৰিছিল। ৰাণী অমৃতমতিৰ চৰিত্ৰটোৰ প্ৰতি সন্দিকৈয়ে মন্তব্য কৰিছে যে স্বামী হত্যাৰ অপৰাধত পৰকামাসক্ত অমৃতমতিক নৰক যন্ত্ৰণা ভোগাইছে যদিও স্বামী হত্যাৰ কাৰণসমূহ স্পষ্টকৈ দৰ্শাই সোমদেৱে হত্যাকাৰিণীক 'চতুৰ' বুলিও আখ্যা দিছে। বৈবাহিক জীৱনৰ নৈৰাশ্যৰ বিষয়ে লিখি গোটেই ৰজাঘৰীয়া ঘটনাটো এটা ঘৰুৱা ট্ৰেজেডিৰূপে উপস্থাপন কৰা হৈছে। সোমদেৱে আঙুলিয়াই দিছে 'প্ৰাসাদৰ অন্তেষপুৰবাসিনীসকলৰ লগত অবাধ আৰু অসাৱধান সংসগই ৰজাৰ পতন ঘটায়। তদুপৰি শাস্ত্ৰকাব্যখনত দুৰ্নীতিপৰায়ণ ৰাজবিষয়াৰ ছলনাময় কথাৰ পৰা ৰজাক লুণ্ঠিত নহ'বলৈ সকীয়াই দিয়া হৈছে।

ভাৰতীয় সাহিত্য একাডেমীৰ প্ৰাক্তন সভাপতি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই তেওঁৰ গ্ৰন্থ সমীক্ষাত সন্দিকৈৰ কাব্য গৱেষণা কৰি যি দৃষ্টিভংগী প্ৰকাশ কৰিছে, সেই বিষয়ে লিখিছে, 'জৈন ধৰ্ম আৰু এই ধৰ্মৰ দৰ্শন, আচাৰ আদিৰ অন্তৰ্নিহিত অহিংসাৰ মূল্য প্ৰতিষ্ঠিত কৰাই 'যশস্তিলক' শাস্ত্ৰকাব্যখনৰ মুখ্য উদ্দেশ্য। সন্দিকৈয়ে এই লক্ষ্যৰে ফলাফল পাঠকক জানিবলৈ দিছে। য'ত সোমদেৱে জানি বা নাজানি ব্ৰাহ্মণ্য আৰু শৈৱ ধৰ্মৰ ভুল উদ্ধৃতি আৰু ভুল ব্যাখ্যা কৰিছে, তাত সন্দিকৈয়ে শুদ্ধ শ্লোক আৰু শুদ্ধ ব্যাখ্যাৰে সোমদেৱক খণ্ডন কৰিছে। এই ব্যাখ্যা দিওঁতে সন্দিকৈয়ে ভাৰতীয় দৰ্শন আৰু ধৰ্মৰ গভীৰ জ্ঞানৰ পৰিচয় দিছে। বুৰঞ্জীৰ দৃষ্টিভংগীৰ পৰা চালে ৰাজনীতি, ধৰ্ম, দৰ্শন, কলা আৰু লোক-সংস্কৃতিৰ বিষয়ে সন্দিকৈয়ে প্ৰণয়ন কৰা 'যশস্তিলক এণ্ড ইণ্ডিয়ান কালচাৰ' গ্ৰন্থখনৰ পৰা আহৰণ কৰা তথ্যবোৰ ভাৰত বুৰঞ্জী পুনৰ ৰচনাৰ সহায়ক বুলি ধাৰণা হয়।' *সমাপ্ত*

*ফোন : ৯৯৫৪০৩৮৭০৪*

---

# যুৱ-উচ্ছৃংলতা

## জাতীয় পৰিচয় আৰম্ভ কৰো আহক ঘৰৰ পৰাই

**অজিত বৰুৱা**



**আজিৰ** সমাজ ব্যৱস্থাই সম্প্ৰতি সন্মুখীন হোৱা এটি সমস্যা হৈছে 'যুৱ উশৃংখলতা'। এই যুৱ উচ্ছৃংখলতাৰ কাৰণ কি । যদিও বহুতো কাৰণৰ কথা ক'ব পাৰি তাৰে ভিতৰত বিশেষকৈ যুৱ প্ৰজন্ম সামাজিক ব্যৱস্থাৰ পৰা আঁতৰি থকাৰ বাবেই বাঢ়ি গৈছে যুৱ-উচ্ছৃংখলতা। সামাজিক ক্ষেত্ৰখনত থাকিব লগীয়া জ্ঞানৰ অভাৱৰ বাবেই আজিৰ যুৱ প্ৰজন্ম হৈ পৰিছে সমাজৰ প্ৰধান চিন্তাৰ কাৰণ। এজন ব্যক্তি যেতিয়া সামাজিক তথা ধৰ্মীয় জ্ঞানেৰে পৰিপূৰ্ণ হৈ উঠে তেতিয়া তেওঁৰ মনত ভয়, অহিংসা, ন্যায় আদি ভাৱবোৰে ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰে, যাৰ ফলত তেওঁ নিজকে সমাজ বিৰোধী কিছুমান কাৰ্যকলাপৰ পৰা আঁতৰাই ৰাখে, নিজকে কাম, ক্ৰোধ, মোহৰ পৰা বাৰণ কৰি এক স্বাভাৱিক জীৱন যাপন কৰিবলৈ চেষ্টা কৰে। সাম্প্ৰতিক সময়ত আমাৰ সমাজ ব্যৱস্থাত এইবোৰৰ অভাৱ ঘটা দেখা গৈছে। দেখা যায় আমাৰ যুৱ প্ৰজন্মৰ মাজত বিদ্যালয়-মহাবিদ্যালয়ৰ আনুষ্ঠানিক যি শিক্ষা, তাৰবাহিৰে নৈতিক, মূল্যবোধ, সমাজ চেতনা তথা ধৰ্মীয় জ্ঞানৰ অভাৱ । সেয়েহে আজিৰ যুৱ প্ৰজন্মই সমাজ কি, মূল্যবোধ কেনেকৈ আহে এই কথাবোৰ এক আচহুৱা কথা বুলিহে অনুভৱ কৰে।

আমাৰ যুৱ প্ৰজন্ম কোন দিশে গতি কৰিছে তাক আমি দেখিছো। এই যুৱ-প্ৰজন্মৰ মাজত পিতৃ-মাতৃৰ প্ৰতি কেনেকুৱা আচৰণ কৰিব লাগে, বয়সস্থ ব্যক্তি এগৰাকীৰ প্ৰতি কেনেকুৱা ব্যৱহাৰ কৰিব লাগে সেয়া বুজি নাপায় । খবৰ কাকত খন মেলিলেই বা টেলিভিছন চালেই দেখিবলৈ পাওঁ প্ৰতি দিনে হত্যা-হিংসা, ধৰ্ষণ-প্ৰতাৰণা, ৰাজপথত সুৰামত্ত যুৱক-যুৱতীৰ মাতলামী ইত্যাদি ইত্যাদি। ইয়াৰ বাবে দায়ী কোন ? সমাজ ব্যৱস্থা নহয়নে বাৰু?

আজি সময় হৈছে অতি আধুনিক তথা ইণ্টাৰনেটৰ সময়। এনে সময়ৰ হাতত ধৰি যুৱ-প্ৰজন্ম আধুনিকতাৰ ধামখুমিয়ালৈ গতি কৰা দেখা গৈছে। আধুনিকতাৰ ধামখুমিয়াই তেওঁলোকক লৈ গৈছে বহু দূৰলৈ য'ত তেওঁলোকে নিজস্ব ভাষা-সংস্কৃতি বিসৰ্জন দি আনৰ সংস্কৃতি আঁকোৱালি লোৱা দেখা যায়। এনে সন্ধিক্ষণত সমাজ সচেতন একাংশ লোকে নিজৰ জাতীয় সংস্কৃতিক ধৰি ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰি আহিছে; আনহাতে আজিৰ প্ৰজন্মই নিজকে অতি আধুনিক সজাবলৈ গৈ সমাজৰ ৰীতি-নীতি পৰম্পৰাক জলাঞ্জলি দিছে । আজিৰ নতুন প্ৰজন্মৰ মাজত গুৰুদুজনা, বেজবৰুৱা, বিষ্ণু-জ্যোতি বা ভূপেনদাৰ বিষয়ে সম্পূৰ্ণকৈ ক'ব বা ব্যাখ্যা আগবঢ়াব পৰাৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰাকৈহে ওলাব। এয়াই হ'ল আমাৰ নতুন প্ৰজন্ম য'ত আমাৰ সমাজ আৰু সংস্কৃতিৰ পৰিচয় লুকাই আছে বুলি ক'বলৈ ইচ্ছা নোহোৱা স্বত্বেও ক'বলৈ বাধ্য হৈছোঁ। দেখা যায় আমাৰ একাংশ অসমীয়া মানুহে বা আমাৰ যুৱ-প্ৰজন্মই নিজকে অসমীয়া বুলি ক'বলৈ লাজ কৰে বা নিজৰ জাতীয় সাজ-পাৰ পিন্ধিবলৈ বেয়া পায়। আকৌ সেইসকলেই আধুনিকতাৰ নামত বিদেশী সাজপাৰ পৰিধান কৰি অসমীয়া ভাষাটিৰ মাজে মাজে ভুলে শুদ্ধই দুই এটা ইংৰাজী কৈ নিজকে 'আধুনিক' বুলি পৰিচয় দি ফুৰে। নিজৰ সন্তানে অসমীয়া ভাষাটো ক'ব নোৱাৰা কথাটো একাংশ পিতৃ মাতৃৰ বাবে গৌৰৱৰ বিষয় হৈ পৰাটো অতি পৰিতাপৰ কথা। কথাই প্ৰতি সেইসকলে আনন্দ প্ৰকাশ কৰে যে 'মোৰ ল'ৰাই বাহিৰত পঢ়ে, ইংৰাজী মাধ্যমত পঢ়ে, অসমীয়া ক'ব নাজানেই'। এয়াই হৈছে আমাৰ ভাষা-সংস্কৃতি ৰক্ষাৰ যুঁজ, আমাৰ জাতীয় অহংকাৰ। নিজৰ জাতীয় পৰম্পৰা-সংস্কৃতি বিসৰ্জন দি আনৰ পৰম্পৰা-সংস্কৃতি গ্ৰহণ কৰাতো আধুনিকতা হয় জানো ? এয়া কেতিয়াও হ'ব নোৱাৰে বা নহয়। সংস্কৃতি হ'ব লাগিলে সংস্কাৰ থাকিব লাগিব। সংস্কৃতি জীয়াই ৰাখিবলৈ হ'লে আমি প্ৰথমে নিজকে সংস্কৃতিবান হিচাপে গঢ়িব লাগিব। আকৌ এজন সংস্কৃতিবান মানুহৰ জন্ম হয় এখন ভাল সমাজতহে । ভাল সমাজ এখন গঢ়িবলৈ মানুহে নিজৰ মনটো পৰিস্কাৰ কৰিব পাৰিব লাগিব।

আমাৰ যুৱ প্ৰজন্মক আমি সমাজমুখী কৰি তুলিব পাৰিব লাগিব। সেয়েহে সামাজিক, নৈতিক, মূল্যবোধ আদি শিক্ষাৰে যুৱ-প্ৰজন্মক শিক্ষিত কৰি তুলিব লাগিব। যাৰ জৰিয়তে যুৱ-প্ৰজন্মই সমাজখনৰ প্ৰতি, নিজৰ সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হৈ আমাৰ সমাজখনক এক নতুন মাত্ৰা দিবলৈ সক্ষম হ'ব। ইয়াৰ ফলত সামাজিক ব্যাধিবোৰো নোহোৱা হ'ব বুলিব পাৰি। যেতিয়া আমাৰ সমাজখন সংস্কাৰ হ'ব, সামাজিক শ্ৰেণী বিভাজন নাইকীয়া হ'ব, এককেন্দ্ৰিক শাসন পৰিহাৰ কৰি জনমুখী ব্যৱস্থা প্ৰৱৰ্তন কৰিব, নিজ পিতৃ-মাতৃয়ে সন্তানে অসমীয়া ক'ব নাজানে বুলি কৈ গৌৰৱ কৰাৰ বিপৰীতে সন্তানক নিজৰ জাতীয় সংস্কৃতিৰ প্ৰতি সন্মান কৰিবলৈ শিকাব, সভা-সমিতিত জাতীয়তাবাদৰ কথা কৈ নিজকে বৰনেতা বুলি পৰিচয় দিয়া সকলে যেতিয়াই প্ৰকৃত অৰ্থত জাতীয়তাবাদী চেতনাৰে উদ্বুদ্ধ হৈ নিজৰ জাতীয় সংস্কৃতিৰ প্ৰতি দায়িত্ব পালন কৰিবলৈ সক্ষম হ'ব, তেতিয়াই সমাজখন সংস্কাৰ হ'ব আৰু সকলো সম্ভৱ হৈ উঠিব। সমাজখনত নতুন দিগন্তৰ সূচনা হ'ব বুলিব পাৰি। আমাৰ সমাজৰ পৰা দলিয়াই দিব লাগিব দুৰ্নীতি, পৰিহাৰ কৰিব লাগিব আত্মকেন্দ্ৰিকতা। যেতিয়াই এইবোৰ কৰিব পৰা হ'ব তেতিয়াই এখন নতুন সমাজ গঢ়ি উঠিব, যিখন সমাজক সবলভাৱে প্ৰতিনিধিত্ব কৰিব যুৱ প্ৰজন্মই। গজি উঠিব অপসংস্কৃতিবিহীন নতুন জাতীয় সংস্কৃতিৰ বীজ। সেই বীজৰ অংকুৰণত নতুন সংস্কৃতিৰ দিবাকৰে হাঁহি উঠা দেখা যাব। সেই সমাজে গতি কৰিব বিশালতাৰ পৰা বিশালতালৈ। মানুহ আগবাঢ়িব উন্নতিৰ উচ্চ শিখৰলৈ। তেতিয়াই বেজবৰুৱাৰ এই মহান বাক্য শাৰী বাজি উঠিব অসমীয়াৰ বুকুত—


'বাজক ডবা বাজক শঙ্খ বাজক মৃদং খোল ।
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।'

*ফোন : ৭০০২৭০৭৭২৬*

---

# অস্ত্ৰ ভাণ্ডাৰৰ প্ৰদৰ্শন শক্তি প্ৰদৰ্শনৰ নামত ভয়াতুৰ চৰিত্ৰ প্ৰকাশ

**ৰাইজৰ সহমতত অৰ্থাৎ ভোটত বিজয়ী হৈ সোঁৱে-বাঁৱে এশটা দেহৰক্ষী লৈ বুলেটপ্ৰুফ বাহনৰ কটকটীয়া নিৰাপত্তাৰ মাজেদি বিলাসী বাহনত বহি ৰাইজৰে সন্মুখেদি অহা-যোৱা কৰা ৰাজনৈতিক নেতাসকলৰ সেই বিলাসী চৰিত্ৰৰ প্ৰদৰ্শন জীৱনৰ ভয়ৰেই আন এটা বিকল্প ৰূপ**



**ৰীণা বিশ্বাস**

**অসমীয়া** ভাষাত এষাৰ প্ৰবাদ বাক্য আছে 'ভঁৰালো নাই, আকালো নাই।' অৰ্থাৎ নিতান্তই সুখী বুজাবলৈ এই প্ৰবাদ বাক্যশাৰী ব্যৱহাৰ কৰা হয়। গতিকে সুখী হ'বলৈ হ'লে সাঁচিবলৈয়ো নাই আৰু সাঁচিলে কোনোবাই চানকাঢ়ি নিব বা চোৰ ডকাইতে জীৱনৰ ভাবুকি দি সাঁচি থোৱা ধন-মাণিক লৈ যোৱাৰ ভয়ো নাই।

ভয় প্ৰত্যেক প্ৰাণধাৰী জীৱৰেই একান্ত লগ। একান্ত সহচৰ । বহুত ক্ষেত্ৰত ভয়ে সকলো প্ৰাণীকে জীৱনৰ আহুকালসমূহ আঁতৰাই সন্দিহান হৈ জীয়াই থাকিবলৈ প্ৰেৰণা দিয়াৰ লগতে বাধ্যও কৰে। বিশেষকৈ মানৱ জাতিয়ে সম্পূৰ্ণ প্ৰাচুৰ্যৰে ভৰা জীৱনতো ভয়ক জীৱনৰ একান্ত সহচৰ হিচাপে লৈ জীয়াই থাকে। আদিৰ অন্ত, আৰম্ভণিৰ শেষ, প্ৰৱেশৰ প্ৰস্থান আৰু জন্মৰ মৃত্যু এই বিষয়বোৰ মানুহৰ ব্যতিৰেকে আন প্ৰাণীয়ে ভালদৰে বুজি পাব নোৱাৰে। কিন্তু জ্ঞান বুদ্ধিমত্তাৰে সমৃদ্ধ জীৱশ্ৰেষ্ঠ মানৱে জীৱনৰ বুজন বয়সৰ পৰাই নিজৰ ক্ষণস্থায়ী পৰিণতিৰ কথা মন-মগজুত সক্ৰিয় কৰি ৰাখি জীয়াই থাকে। তথাপি সকলোৱে কলাৰ মাজেদি জীৱনটোক পৰিপক্ক কৰি অধিক সক্ৰিয় হৈ পৃথিৱীত নিজৰ স্থায়িত্বৰ চানেকি ৰাখি থৈ যাব বিচাৰে। শিক্ষণ, প্ৰশিক্ষণ আৰু অনুশীলনৰ দ্বাৰা বয়সানুসাৰে আৰু অৱস্থা অনুযায়ী প্ৰত্যেকজন মানুহেই জীৱন কালৰ প্ৰতিটো স্তৰ ভালতকৈয়ো ভালদৰে অতিবাহিত কৰাৰ কুচকাৱাজত মৃত্যু অথবা অন্ত শব্দটোক পিঠি দি কেৱল জীৱন কালত প্ৰয়োজনীয় কৰ্তব্য কৰি গৈ থাকে। লোভ, অহংকাৰ, নিষ্ঠুৰতা, হঠকাৰিতা, আৰু প্ৰবল প্ৰতাপী হোৱাৰ মদমত্ততাত পৰি ক্ষন্তেক সময়ৰ বাবে জীৱনৰ অন্ত পৰিণতিৰ কথা পাহৰি গ'লেও কিঞ্চিৎ অৱক্ষয়তে মানুহৰ মনত হেৰুওৱাৰ ভয়ে বাহ বান্ধে। তথাপি আধুনিক বৌদ্ধিক জ্ঞান সমৃদ্ধ মানুহে ভয়ক ভুৰুকাত ভৰাই থৈ জগতত শিৰ উন্নত কৰি জীয়াই থাকিবলৈ প্ৰয়াস কৰে। 'প্ৰাণ যায় পৰ মান ন যায়।' উক্ত বাক্যশাৰী সাৰোগত কৰি বাঁহগছৰ দৰে কেৱল ওপৰলৈ উধাবলৈ চেষ্টা কৰে; কিন্তু এটা বিন্দুত গৈ চিৰাচৰিত নীতি অনুসৰি বাঁহ গছৰ আগটো হাউলি পৰাৰ দৰেই ক্ষণস্থায়িত্বত পতিত হৈ মানুহে নিজৰ প্ৰকৃত সীমাবদ্ধতাৰ মাজলৈ ঘূৰি আহিবলৈ বাধ্য হয়।

ইংৰাজীত এষাৰ প্ৰবাদ বাক্য আছে 'An empty vessel sound much.' অৰ্থাৎ খালী পাত্ৰই অধিক শব্দ কৰে । খালী হৈ থকা কলহ এটাত পানী ভৰাওতে প্ৰথমতে বিকট শব্দ হয়; কিন্তু ক্ৰমান্বয়ে কলহটো পানীৰে যিমানেই পৰিপূৰ্ণ হৈ আহে সিমানেই তাৰ শব্দ কমি আহে। জ্ঞানীজনৰ স্বভাৱজাত পৰিচয় দিবলৈয়ো বিদ্বৎ মহলে এই প্ৰবাদ বাক্যশাৰী প্ৰয়োগ কৰে। শূন্য কলহটো যেতিয়া পানীৰে পৰিপূৰ্ণ হৈ পৰে তেতিয়া তাত শব্দ নোহোৱা কথাটোৰ বৈজ্ঞানিক কাৰণ আৰু ব্যাখ্যা দুয়োটাই আছে। কিন্তু কলহটোত পুনৰ শব্দৰ সৃষ্টি কৰিবলৈ তাৰ ভিতৰত থকা পানীখিনি পেলাই দিব লাগিব, তেতিয়াহে প্ৰকৃতাৰ্থত কলহটোৱে পানী ভৰাওতে কিমান শব্দ কৰিব পাৰে তাৰ উমান ল'ব পৰা যাব। আমি এই প্ৰবাদ বাক্যৰ কলহটোক আধুনিক অস্ত্ৰ-শস্ত্ৰৰে পূৰ্ণ এখন স্বাধীন দেশৰ লগত তুলনা কৰি চাব পাৰো। খুব দকৈ চিন্তা কৰিলে এইটো এটা গা শিয়ৰি উঠা কথা। কাৰণ বৰ্তমান যুগত প্ৰতিখন স্বাধীন দেশৰে আছে আধুনিক অস্ত্ৰ-শস্ত্ৰৰে পৰিপূৰ্ণ নিজা নিজা সুৰক্ষা ব্যৱস্থা। অনেক দেশৰে আছে পৰ্যাপ্ত আধুনিক পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ। এখন স্বাধীন আৰু উন্নত দেশেই হওক অথবা উন্নয়নশীল দেশ, কোনোধৰণৰ বাহ্যিক সমস্যাৰ সৃষ্টি নহ'লে সামৰিক শক্তিকে ধৰি কিছুমান বিষয়ত গোপনীয়তা নীতি মানি চলে। বিশেষকৈ আন্তঃৰাষ্ট্ৰীয় জগতত অচলাৱস্থাৰ সৃষ্টি হ'লে মোকাবিলা কৰিবলৈ এখন দেশৰ কিমান পৰিমাণৰ আধুনিক অস্ত্ৰ-শস্ত্ৰ আছে সেয়া প্ৰয়োজন নহ'লে সদৌটিৰ আগতে ফাঁচ কৰাৰ আগ্ৰহ আৰু প্ৰয়োজন এটাও অনুভৱ নকৰে। কিন্তু যেতিয়া কোনো ৰাজনৈতিক অথবা আন কাৰণতেই হওক, পৃথিৱীৰ কোনোবা এখন শক্তিশালী দেশে আন এখন দেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে, তেতিয়া পৃথিৱীৰ প্ৰায়বোৰ সৰু-ডাঙৰ ৰাষ্ট্ৰই নিজৰ নিজৰ অস্ত্ৰ ভাণ্ডাৰৰ এক বীৰত্বমূলক প্ৰদৰ্শনী প্ৰকাশ কৰিবলৈ উঠি-পৰি লাগে। তাৰ কাৰণ এইটোৱেই যে আমাক যদি কোনোবাই আক্ৰমণ কৰে তেনেহ'লে প্ৰতিআক্ৰমণ কৰিবলৈ আমিও ইমান পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত হৈ আছো।

এতিয়া আকৌ আহো সেই কলহটোৰ কথালৈ । পানীৰে উপচি থকা কলহটোৰ শব্দ খালী থাকোতে কিমান আছিল সেই কথাৰ উমান ল'বলৈ প্ৰথমে কলহটো খালী কৰি আকৌ পানী ভৰোৱা কামটো কৰি ল'ব লাগিব। কাৰণ পানীৰে পৰিপূৰ্ণ কলহটোৱে আৰু বেছি শব্দৰ সৃষ্টি কৰিব নোৱাৰে। ঠিক সেইদৰে বৰ্তমান আধুনিক ৰাষ্ট্ৰসমূহৰ লগত কিমান শক্তিশালী পৃথিৱী-বিধ্বংসী অস্ত্ৰ-শস্ত্ৰ আছে সেই কথা সাধাৰণতে জনা নাযায় । 

ৰাষ্ট্ৰসংঘ নামৰ যুদ্ধ প্ৰতিৰোধী সংস্থাকো আওহেলা কৰি ব্যক্তিগত শক্তি প্ৰদৰ্শনকাৰী কোনোবা এখন দেশে কিছুমান ৰাজনৈতিক স্বাৰ্থ অথবা আন বিবদমান কাৰণত যেতিয়া আন এখন স্বাধীন ৰাষ্ট্ৰৰ লগত যুদ্ধত লিপ্ত হয় তেতিয়া পৃথিৱীৰ প্ৰায় সকলো সৰু-বৰ ৰাষ্ট্ৰই নিজৰ নিজৰ অস্ত্ৰ ভাণ্ডাৰৰ খতিয়ান দাঙি ধৰিবলৈ তৎপৰ হয় । এই ক্ষেত্ৰত কলহটোৰ তলি উদং কৰি আকৌ পানী ভৰাওতে যি শব্দ হয় আৰু ক্ৰমান্বয়ে কলহটো ভৰ্তি হৈ যোৱা মানেই প্ৰয়োজনাধিক শব্দ শাম কাটে ঠিক সেইদৰে সদ্য যুদ্ধকালীন পৰিস্থিতিত একোখন শক্তিশালী ৰাষ্ট্ৰৰ লগতে তলি উদং কলহটোৰ দৰে একেবাৰে নিশকতীয়া দেশ এখনেও নিজৰ অস্ত্ৰ বল প্ৰদৰ্শন কৰি সেই অস্ত্ৰসমূহৰ কিমান ভয়াৱহতা সেই কথা জনমানসত প্ৰদৰ্শন কৰে। এহাতে নিজৰ বলৰ স্থিতি আৰু আনহাতে ভয়, এই দুই বিপৰীত ধৰ্মী পৰিস্থিতিয়ে অচলাৱস্থাৰ সৃষ্টি হোৱাৰ আগতেই সকলোকে সন্ত্ৰস্ত কৰি তোলে।

আৰ্তনাদ, চিঞৰ-বাখৰ আৰু প্ৰয়োজনতকৈ অধিক বাহ্যিক শক্তি প্ৰদৰ্শন আদি ক্ৰিয়াৰ আঁৰতো ভয় বা কিবা হেৰুৱাই পেলোৱাৰ কাৰকে কোনোবাখিনিত কাম কৰে। আমি নিজৰ মতে কাৰোবাক আমাৰ বশলৈ আনিব নোৱাৰিলে, বিশেষকৈ অফিচ-দপ্তৰত তলতীয়া বিষয়া-কৰ্মচাৰীয়ে কোনো নিয়ম-অনুশাসন ভংগ কৰিলে, অথবা তলতীয়া বিষয়া-কৰ্মচাৰীক অনুশাসনেৰে নিজৰ আয়ত্তলৈ আনিব নোৱাৰিলেই শীৰ্ষ বিষয়াই প্ৰয়োজনতকৈ অধিক চিঞৰ-বাখৰ কৰে। তাৰ ফলত কেতিয়াবা তেওঁলোক বাক-বিতণ্ডাত লিপ্ত হোৱাৰো উপক্ৰম হয়। শীৰ্ষ বিষয়াই নিজৰ কৰ্তৃত্ব আৰু উচ্চ পদমৰ্যাদাৰ মান অক্ষুণ্ণ ৰাখিবলৈ প্ৰয়োজন সাপেক্ষে প্ৰয়োজনতকৈ অধিক উচ্চ স্বৰত চিঞৰ-বাখৰ কৰি অথবা ডবিয়াই হ'লেও নিজৰ মত অটুট ৰাখিবলৈ প্ৰয়াস কৰে। এই ক্ষেত্ৰতো নিজৰ পদমৰ্যাদা লাঘৱ হোৱাৰ ভয়ে কাম কৰা যেন লাগে। তেনেদৰে পৰিয়ালত পিতৃ-মাতৃয়ে সন্তানক যেতিয়া শাসনৰ মাজেদি নিজৰ আয়ত্তৰ ভিতৰত ৰাখিব নোৱৰা হয় অথবা সন্তানে যেতিয়া ঘৰৰ অনুশাসন ভংগ কৰে তেতিয়া পিতৃ-মাতৃয়ে সন্তানৰ আগত নিজৰ স্থিতি অটুট ৰাখিবলৈ ডাবি-ধমকি দিয়ে। তাৰ আঁৰতো কিছু ক্ষেত্ৰত ভয়েই কাৰক হৈ কাম কৰা যেন লাগে।

ভয়াতুৰ চৰিত্ৰ সকলো প্ৰাচুৰ্যৰে ভৰা বিষয়ৰ মুখ্য ব্যাধি। অৰ্থাৎ ভঁৰাল নথকাৰ আকাল নথকাৰ দৰে ভয়, শুদ্ধ অথবা অশুদ্ধ যিকোনো প্ৰকাৰে প্ৰাচুৰ্য গঢ়া মানুহ অথবা দেশ আদি সকলোৰে লগত এৰাব নোৱাৰা ছাঁটোৰ দৰে বিচৰণ কৰি ফুৰে। প্ৰাচুৰ্য অথবা সম্পদ থকা মানেই হেৰুওৱাৰ ভয়ে গৰাকীজনৰ মন অহৰহ ভাৰাক্ৰান্ত কৰি ৰখা। সীমনাৰে আঁৰ-বেৰ দি ওখ ওখ অট্টালিকা গঢ়া সদাগৰ তথা সম্পদৰ গৰাকীসকলক এফালে যেনেকৈ প্ৰাচুৰ্যৰ সুখে উজলাই ৰাখে, আনফালে তাৰ সমান্তৰালকৈ সম্পদ কোনোবাই চান কাঢ়ি লৈ উধাও হোৱাৰ ভয়েও তেওঁলোকৰ ৰাতিৰ নিদ্ৰাত ব্যাঘাত হানে। বাটৰুৱাই অভ্ৰভেদী দৃষ্টি নিক্ষেপ কৰিলেও চকুত নপৰা ওখ দেৱালৰ সিপাৰে পালি-প্ৰহৰীয়াৰ আবেষ্টনীত নিৰাপত্তাৰে দিন অতিবাহিত কৰা ৰাজনৈতিক নেতা অথবা আঢ্যৱন্ত লোকৰ 'ভয়' আহাৰ-নিদ্ৰা-মৈথুনৰ দৰেই চিৰ সহচৰ। ৰাইজৰ সহমতত অৰ্থাৎ ভোটত বিজয়ী হৈ সোঁৱে-বাঁৱে এশটা দেহৰক্ষী লৈ বুলেটপ্ৰুফ বাহনৰ কটকটীয়া নিৰাপত্তাৰ মাজেদি বিলাসী বাহনত বহি ৰাইজৰে সন্মুখেদি অহা-যোৱা কৰা ৰাজনৈতিক নেতাসকলৰ সেই বিলাসী চৰিত্ৰৰ প্ৰদৰ্শন জীৱনৰ ভয়ৰেই আন এটা বিকল্প ৰূপ । যিসকল সৰ্বহাৰা জনতাই সুনিশ্চিত ভৱিষ্যতৰ কথা চিন্তা কৰি নিজৰ বহুমূলীয়া ভোট দি পছন্দৰ নেতাজনক অন্নদাতা আৰু পৰিত্ৰাণ কৰ্তাৰূপে চৰকাৰী গাদীত বহুৱায়, সেইজন নেতায়েই আকৌ ৰাজনৈতিক গাদীত আৰোহণ কৰি নিজৰ বিলাসী চৰিত্ৰ প্ৰদৰ্শন কৰিবলৈ নিজ অঞ্চলৰ ৰাইজৰ মাজেদি নিৰাপত্তাৰ মাজেদি ভয়ে ভয়ে চলা-ফুৰা কৰে। সেয়েহে কনভয়, নিৰাপত্তা পালি-প্ৰহৰীয়াৰ কাঢ়া নজৰত জীৱন নিৰ্বাহ কৰা এজন ৰাজনৈতিক নেতা অথবা ধনৱন্ত লোকৰ এহাতে সামাজিক সৌষ্ঠৱ আনহাতে ভয়াতুৰ চৰিত্ৰৰো প্ৰদৰ্শন।

বিপৰীত পক্ষৰ সন্মুখত শক্তি প্ৰদৰ্শন কৰাটো নিজৰ শ্ৰেষ্ঠতা নিৰূপণ কৰাৰ এটা বাট হোৱাৰ উপৰি ইয়াক নিজৰ ভিতৰত পঞ্জীভূত হৈ থকা ভয়ক জয় কৰাৰ আহিলাস্বৰূপ বুলি ক'লেও বঢ়াই কোৱা হ'ব যেন নালাগে। উদাহৰণ স্বৰূপে এতিয়াও গাঁও অঞ্চলত চোৰ ওলালে অথবা কোনো দুষ্কৃতিকাৰীয়ে অপ্ৰীতিকৰ কোনো ঘটনা সংঘটিত কৰিলে গাঁৱৰ সকলো ৰাইজে নিজ নিজ ঘৰত যাৰ যি সৰু-সুৰা আত্মৰক্ষাৰ বাবে হাথিয়াৰ বা অস্ত্ৰ-শস্ত্ৰ আছে সেয়া ভঁৰালৰ গাধৈৰ পৰা নমাই তেল-পানীৰে মচি-কাচি চিকচিকিয়া কৰি থয়। উল্লেখ্য যে পুৰণি কালত গাঁও অঞ্চলত, বিশেষকৈ খেতিয়কসকলৰ মাজত কোৰ, কুঠাৰ, দা, চিপৰাং আদি সঁজুলিবোৰ ভঁৰালৰ গাধৈত থোৱাৰ নিয়ম আছিল। প্ৰয়োজন বোধে ৰাতি ৰাতি গাঁৱলীয়া ৰাইজে পাল পাতি পাতি নিজ নিজ গাঁও বা চুবুৰিত পহৰাও দিয়ে। এইবোৰৰ মূলতেই হ'ল ভয়। কোনো বাহিৰা দুষ্কৃতিকাৰী অথবা চোৰ আদিয়ে যাতে সুবিধা বুজি ধন-জনৰ হানি-বিঘিনি ঘটাব নোৱাৰে, তাৰ বাবে সমজুৱা ৰাইজ একত্ৰিত হৈ সমূহীয়া শক্তি প্ৰদৰ্শন কৰে।

ভয় অথবা ভয়াতুৰ চৰিত্ৰই ধৰ্মৰাজ যুধিষ্ঠিৰকো মিছাৰ আশ্ৰয় লৈ শক্তি প্ৰদৰ্শন কৰিবলৈ বাধ্য কৰিছিল। কুৰুক্ষেত্ৰ যুদ্ধত পাণ্ডৱসকলৰ যুঁজাৰু হাতী অশ্বত্থামাৰ মৃত্যু হৈছিল; কিন্তু ৰণস্থলীত ধৰ্মপুত্ৰ যুধিষ্ঠিৰে বীৰ অশ্বত্থামাৰ মৃত্যু হৈছে বুলি 'অশ্বত্থামা হত ইতি গজ।' বুলি সমজুৱাৰ আগত স্বীকাৰোক্তি দিছিল। কিন্তু যিহেতু যুধিষ্ঠিৰ ধৰ্মৰ পুত্ৰ আৰু সত্যবাদী সেয়ে ৰণস্থলীৰ বিকট শব্দৰ মাজত কোনেও শুনিব নোৱাৰাকৈ 'ইতি গজ' শব্দ দুটা কৈ নিজৰ সত্যবাদী ধৰ্ম অটুট ৰাখিছিল। হাতী অশ্বত্থামাৰ মৃত্যুক বীৰ অশ্বত্থামাৰ মৃত্যু বুলি শত্ৰু পক্ষৰ আত্মশক্তি হ্ৰাস কৰিবলৈ কৰা প্ৰচেষ্টা একপ্ৰকাৰ ৰণকৌশলৰ লগতে ভয়াতুৰ চৰিত্ৰৰো প্ৰদৰ্শন। মহাভাৰতত 'অশ্বত্থামা হত, ইতি গজ।' - যুধিষ্ঠিৰৰ মুখৰ পৰা ওলোৱা এটা বিখ্যাত সংলাপৰূপে এতিয়াও মানুহৰ মাজত চৰ্চাৰ বিষয় হৈ আছে।

ভয়কো জয় কৰি এই পৃথিৱীত নিজৰ স্থিতি গজগজীয়াকৈ ৰাখিবলৈ কৰা প্ৰয়াস সাৰ্বজনীন। এজন সাধাৰণ মানুহৰ পৰা আৰম্ভ কৰি পৃথিৱীৰ সকলো সৰু-বৰ দেশসমূহেও নিজৰ নিজৰ স্থিতি বিশ্ব দৰবাৰত উন্নত শীৰ্ষত ৰাখিবলৈ ভয়কো জয় কৰি, বৰ্তি থাকিবলৈ আপ্ৰাণ চেষ্টা কৰে। সেয়েহে প্ৰয়োজন বোধে জৰুৰীকালীন সময়ত নিজৰ লগত থকা অস্ত্ৰবল প্ৰদৰ্শন কৰি এহাতে নিজৰ শক্তিৰ পৰিচয় দিব বিচাৰে আৰু আনহাতে তাৰ মাজত নিজৰ স্থিতি হেৰুওৱাৰ ভয়ো প্ৰকাশ পায়।

যাৰ আছে, তাৰেই হেৰায়। 'ভয়' শব্দটো এই 'আছে' আৰু 'হেৰায়' এই দুটা শব্দৰ মাজতেই স্বধৰ্ম প্ৰকাশ কৰে। নথকাৰ নেহেৰায় বুলি ক'লেও হেৰাবলৈ একো নথকা নহয়। একেবাৰে পঁজাহীন মানুহৰো কিবা এটা থাকে হেৰুৱাবলৈ, আন একো নহ'লেও প্ৰাণটো। গতিকে কণমানো সম্পদ নথকা একেবাৰে নিছলাজনৰো প্ৰাণ হেৰুওৱাৰ ভয় থাকে। সেয়েহে দেহত প্ৰাণটো আছে বুলি প্ৰদৰ্শন কৰিবলৈকো ধনী-দুখীয়া উভয়ে লৰি-চৰি সকলোৰে সমকক্ষ হোৱা বুলি আত্মশক্তি প্ৰকাশ কৰি জীয়াই থাকে। সৰ্বপ্ৰথম জীয়াই থকা, তাৰ পাছত লাহ-বিলাহ-ক্ষমতা আৰু সৰ্বশেষতহে আহে কোনোবা এখন ভূখণ্ডৰ একচ্ছত্ৰী অধিকাৰী হোৱা। গতিকে এই সকলো বাহাল ৰখাৰ মূলতেই হৈছে ভয়কো জয় কৰি শক্তি প্ৰদৰ্শনেৰে প্ৰথমে জীয়াই থকা আৰু তাৰ পাছত জীৱনৰ আনুষংগিক বিষয়ত মনোনিবেশ কৰা।

*ফোন ৭০০২৭৩৪৯৬২*

## ২০২১ বৰ্ষত দেশৰ ভিতৰতে সৰ্বাধিক ৭১,৮৯,৮২৪ খন ট্ৰেফিক চালান জাৰি কৰা হৈছিল ৰাজধানী দিল্লীত

# যানবাহন আইন উলংঘনৰে ১৮৯৯ কোটিৰ জৰিমনা ভৰিলে ভাৰতীয়ই

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৫ মাৰ্চ ঃ** ২০২১ বৰ্ষটোত ভাৰতীয়সকলে যানবাহন আইন অমান্য কৰি মুঠ ১,৮৯৯ কোটি টকাৰ জৰিমনা ভৰিলে। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাঁইপথ মন্ত্ৰী নিতিন গাডকাৰীয়ে এক লিখিত প্ৰশ্নৰ উত্তৰত সংসদত এই তথ্য সদৰী কৰিলে। কেন্দ্ৰীয় মন্ত্ৰীজনে প্ৰকাশ কৰা অনুসৰি যোৱা বছৰত ভাৰতত যানবাহন আইন উলংঘন কৰাৰ কাৰণত আৰক্ষী আৰু পৰিবহণ বিভাগে মুঠ ১.৯৮ কোটি ট্ৰেফিক চালান কাটিছিল। ইয়াৰে ৩৫ শতাংশৰো অধিক চালান দেশৰ ৰাজধানী দিল্লীত জাৰি কৰা হৈছিল।

দেশৰ ভিতৰতে সৰ্বাধিক সংখ্যক যানবাহন আইন উলংঘনৰ ঘটনা দিল্লীত যোৱা বছৰত সংঘটিত হৈছিল। দেশৰ



ৰাজধানী চহৰখনত ২০২১ বৰ্ষত মুঠ ৭১,৮৯,৮২৪ খন ট্ৰেফিক চালান জাৰি কৰা হৈছিল। ৰাষ্ট্ৰীয় ৰাজধানীৰ পাছতে তামিলনাডুত দ্বিতীয় সৰ্বাধিক ৩৬,২৬,০৩৭ খন ট্ৰেফিক চালান জাৰি কৰা হৈছিল। কেৰালাত যোৱা বছৰত যানবাহন আইন উলংঘনৰ অভিযোগত জাৰি কৰা হৈছিল তৃতীয় সৰ্বাধিক সংখ্যক ১৭,৪১,৯৩২ খন ট্ৰেফিক চালান। গাডকাৰীয়ে লগতে সদনত কয় যে ২০১৭ আৰু ২০১৯ৰ সময়ছোৱাত নতুন যানবাহন আইন প্ৰৱৰ্তনৰ পূৰ্বে দেশত যাতায়াত উলংঘনৰ সংখ্যা ১,৩৮,৭২,০৯৮ টা আছিল। কিন্তু দেশত যানবাহন (সংশোধন) আইন ২০১৯ প্ৰৱৰ্তনৰ পাছত যাতায়াত উলংঘনৰ সংখ্যা ৪,৮৫,১৮,৩১৪ টালৈ বৃদ্ধি পায়।

## উত্তৰ প্ৰদেশৰ মাদ্ৰাছাত বাধ্যতামূলক হ'ল ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন




**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৫ মাৰ্চ ঃ** কেৱল ধৰ্মীয় প্ৰাৰ্থনা নহয়, উত্তৰ প্ৰদেশৰ সকলো মাদ্ৰাছা এতিয়াৰে পৰা বাধ্যতামূলক হ'ব ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন। এই ঐতিহাসিক সিদ্ধান্ত ল'লে উত্তৰ প্ৰদেশ মাদ্ৰাছা ব'ৰ্ডে। ব'ৰ্ডে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি মাদ্ৰাছাৰ ছাত্ৰ-ছাত্ৰীয়ে ধৰ্মীয় প্ৰাৰ্থনাৰ লগতে এতিয়াৰে পৰা ৰাষ্ট্ৰীয় সংগীত গাব লাগিব। ছাত্ৰ-ছাত্ৰীৰ মাজত দেশপ্ৰেম জাগ্ৰত কৰিবলৈ এই সিদ্ধান্ত লোৱা বুলি ব'ৰ্ডে সদৰী কৰিছে। উল্লেখ্য যে পাঁচ বছৰ পূৰ্বে সকলো মাদ্ৰাছাত স্বাধীনতাৰ দিৱসত ৰাষ্ট্ৰীয় পতাকাৰ উত্তোলন আৰু ৰাষ্ট্ৰীয় সংগীত গোৱাটো বাধ্যতামূলক কৰিছিল উত্তৰ প্ৰদেশ চৰকাৰে।



## বিধায়কৰ পেঞ্চন সন্দৰ্ভত গুৰুত্বপূৰ্ণ সিদ্ধান্ত পঞ্জাৱৰ মুখ্যমন্ত্ৰী মানৰ

**নিউজ ব্যুৰ', চণ্ডীগড়, ২৫ মাৰ্চ ঃ** পঞ্জাৱত বিধায়কৰ পেঞ্চন নীতিৰ সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'লে ভগৱন্ত মানৰ চৰকাৰে। মুখ্যমন্ত্ৰী মানে ৰাজ্যখনৰ বিধায়কৰ পেঞ্চনৰ নীতি সলনি কৰিবলৈ নিৰ্দেশ দিলে। এতিয়াৰে পৰা পঞ্জাৱত বিধায়কসকলে এবাৰহে পেঞ্চন লাভ কৰিব। উল্লেখ্য যে পূৰ্বে যিমানবাৰ এজন ব্যক্তি বিধায়ক নিৰ্বাচিত হৈছিল, সিমানবাৰ পেঞ্চনৰ ধন সংযোজিত কৰা হৈছিল। কিন্তু এতিয়াৰে পৰা ৰাজ্যখনত 'এজন বিধায়ক, এক পেঞ্চন' নীতিৰ অধীনত বিধায়কে একাধিকবাৰ নিৰ্বাচিত হ'লেও এবাৰৰ পেঞ্চনহে লাভ কৰিব। এই সিদ্ধান্তৰ কথা ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নতুন পেঞ্চন নীতিৰ ফলত ৰাজকোষত ধন ৰাহি হ'ব আৰু এই ধন পঞ্জাৱবাসীৰ উন্নয়নত ব্যয় কৰা হ'ব।

## পুটিনক সকীয়নি বাইডেনৰ, ইউক্ৰেইনত ৰাসায়নিক যুদ্ধাস্ত্ৰ ব্যৱহাৰ কৰিলে দিয়া হ'ব প্ৰত্যুত্তৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৫ মাৰ্চ ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে আকৌ এবাৰ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনক সকীয়নি দিলে। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে কয় যে ৰাছিয়াই ইউক্ৰেইনত ৰাসায়নিক অস্ত্ৰৰে আক্ৰমণ চলাই তেন্তে ইয়াৰ প্ৰত্যুত্তৰ ৰাছিয়াক আমেৰিকাই দিব। উল্লেখ্য যে বিগত এমাহ ধৰি ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ অব্যাহত ৰাখিছে। ৰাছিয়াৰ ধাৰাবাহিক বোমাবৰ্ষণৰ ফলত ইউক্ৰেইনৰ কে'বাখনো চহৰ বিধ্বস্ত হৈছে। ইয়াৰ মাজতে বেলজিয়ামৰ ৰাজধানী ব্ৰ'ছেলছৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি বাইডেনে ৰাছিয়াক পুনৰ সকীয়নি দি ক'লে যে ইউক্ৰেইনত ৰাসায়নিক যুদ্ধাস্ত্ৰৰে আক্ৰমণ চলালে ৰাছিয়াক আমেৰিকাই উচিত প্ৰত্যুত্তৰ দিব।

# ব্ৰিটেইন, আমেৰিকা, চীন, হংকঙত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি ঃ উদ্বেগ বাঢ়িল

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৫ মাৰ্চ ঃ** ইউৰোপ, ব্ৰিটেইন, আমেৰিকা, চীন আৰু হংকঙত সম্প্ৰতি কৰ'নাৰ নতুন সংক্ৰমণ বৃদ্ধিয়ে উদ্বেগ সৃষ্টি কৰিছে। বিশেষকৈ আমেৰিকাৰ উত্তৰ-পশ্চিম অঞ্চলৰ কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ বি এ. ২ ৰূপৰ প্ৰকোপ বৃদ্ধি পাইছে। সম্প্ৰতি আমেৰিকাত দৈনিক গড়ে ২৮,৬০০ জন লোক কৰ'নাত সংক্ৰমিত হৈছে। একেদৰে দেশখনত ক'ভিডত বৰ্তমানে গড় মৃত্যুৰ সংখ্যা ৯০০ জন। চেণ্টাৰ ফৰ ডিজিজ কণ্ট্ৰ'ল (চি ডি চি)ৰ তথ্য অনুসৰি নিউ য়ৰ্ক আৰু নিউ ইংলণ্ড প্ৰদেশত অ'মিক্ৰনৰ নতুন প্ৰজাতিত সৰ্বাধিক সংখ্যক লোক আক্ৰান্ত হৈছে। বৰ্তমানে দেশখনত ক'ভিডৰ আক্ৰান্তৰ ৩৫ শতাংশই সংক্ৰমিত হৈছে এই নতুন প্ৰজাতিৰ কৰ'না ভাইৰাছৰ। ক'ভিড আক্ৰান্তৰ সংখ্যা ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে ব্ৰিটেইন, ইউৰোপ আৰু চীনত। চীনত ২০ খন প্ৰদেশত পৰ্যটন নিষিদ্ধ কৰা হৈছে। তদুপৰি দেশখনৰ একাধিক চহৰত পুনৰ তলাবন্ধ ঘোষণা কৰিছে। জাৰ্মানীত যোৱা মঙলবাৰে কৰ'নাত আক্ৰান্ত হৈছিল এক লাখ ৯৮ হেজাৰ ৮৮৮ জন লোক। এসপ্তাহ পূৰ্বৰ তুলনাত জাৰ্মেনীত বৰ্তমানে ৪২ হেজাৰ সংক্ৰমণ বৃদ্ধি পাইছে। ব্ৰিটেইন, নেডাৰলেণ্ডছ, চুইজাৰলেণ্ড আৰু ইটালিত যোৱা সপ্তাহৰ পৰা ক'ভিড সংক্ৰমণ বৃদ্ধি পাইছে। দক্ষিণ কোৰিয়াতো সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে।





## তালিবানৰ আক্ৰমণত নিহত তিনিজন পাকিস্তানী সেনা


**নিউজ ব্যুৰ' ইছলামাবাদ, ২৫ মাৰ্চ ঃ** উত্তৰ পশ্চিম পাকিস্তানৰ ৱাজিৰিস্তানত তেহৰিক-ই-তালিবানৰ আক্ৰমণত প্ৰাণ হেৰুৱালে তিনিজন পাকিস্তান সেনা জোৱানে। আনহাতে, এই আক্ৰমণত গুৰুতৰভাৱে আহত হ'ল পাঁচজন পাকিস্তানী জোৱান। প্ৰকাশিত বাতৰি অনুসৰি তালিবান সন্ত্ৰাসবাদীয়ে উত্তৰ ৱাজিৰিস্তানৰ মিৰান শ্বাহ চহৰত এই আক্ৰমণ সংঘটিত কৰিছিল। উল্লেখ্য যে তালিবানে আফগানিস্তান দখল কৰাৰ পাছৰে পৰা পাকিস্তানত তেহৰিক-ই-তালিবানে আক্ৰমণ অব্যাহত ৰাখিছে। বিগত প্ৰায় ১৫ বছৰ ধৰি এই সন্ত্ৰাসবাদী সংগঠনটোৱে পাকিস্তান চৰকাৰৰ বিৰুদ্ধে সংঘৰ্ষ অব্যাহত ৰাখিছে।

# ২.৮২ লাখ কোটিৰ ঋণৰ বোজা পঞ্জাৱৰ, কেনেকৈ প্ৰতিশ্ৰুতি পূৰণ কৰিব মানে ?

**নিউজ ব্যুৰ' চণ্ডীগড়, ২৫ মাৰ্চ ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ৰাজ্যখনৰ বাবে ৫০ হেজাৰ কোটি টকাৰ বিশেষ পেকেজ দাবী কৰিলে। মুখ্যমন্ত্ৰীজনে পঞ্জাৱৰ প্ৰায় তিনি লাখ কোটি টকাৰ ঋণৰ বোজাৰ কথাও প্ৰধানমন্ত্ৰীক অৱগত কৰে। পঞ্জাৱত নতুন চৰকাৰ গঠনৰ পূৰ্বে ৰাজ্য চৰকাৰখনৰ




ঋণৰ বোজা ২.৮২ লাখ কোটি টকালৈ বৃদ্ধি পাইছিল। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ পতনৰ পাছত এতিয়া এই বৃহৎ পৰিমাণৰ ঋণৰ বোজা আপ নেতৃত্বাধীন মানৰ চৰকাৰে বহন কৰিব লাগিব। বিগত বিধানসভাৰ নিৰ্বাচনত পঞ্জাৱৰ বহু জনকল্যাণমূলক আঁচনি ৰূপায়ণৰ প্ৰতিশ্ৰুতি দিছিল আপে। নিৰ্বাচনত জয়লাভ কৰি চৰকাৰ গঠনৰ পাছত এতিয়া এইসমূহ প্ৰতিশ্ৰুতি ঋণৰ বোজাত জৰ্জৰিত ৰাজ্যখনত মানৰ চৰকাৰে কেনেকৈ পূৰণ কৰিব বুলি প্ৰশ্ন উত্থাপিত হৈছে। শিৰোমণি আকালী দল আৰু বিজেপিৰ মৰ্চা চৰকাৰৰ ১০ বছৰৰ শাসনৰ পাছত ২০১৭ মাৰ্চৰ কংগ্ৰেছে পঞ্জাৱত চৰকাৰ গঠন কৰাৰ সময়ত ৰাজ্যখনৰ ঋণৰ বোজাৰ পৰিমাণ আছিল ১.৮২ লাখ কোটি টকা। বিগত পাঁচ বছৰত পঞ্জাৱ চৰকাৰৰ ঋণৰ পৰিমাণ বৃদ্ধি পায় ২.৮২ লাখ কোটি টকা হ'ল। অৰ্থাৎ কংগ্ৰেছ চৰকাৰৰ দিনত পুনৰ এশ লাখ কোটি টকাৰ ঋণৰ বোজা বৃদ্ধি পালে। আপে পঞ্জাৱবাসীক প্ৰতিমাহে ৩০০ ইউনিট বিনামূলীয়া বিদ্যুৎ, প্ৰতিখন গাঁৱত ১৬ হেজাৰ ক্লিনিক মুকলি, বিনামূলীয়া স্বাস্থ্য সেৱা, ১৮ বছৰৰ ওপৰৰ মহিলাক মাহে এহেজাৰ টকাৰ ভাট্টা প্ৰদান, বিদ্যুতৰ বকেয়া মাচুল ৰেহাইসহ একাধিক প্ৰতিশ্ৰুতি দিছিল। এনে প্ৰতিশ্ৰুতিসমূহ কাৰ্যকৰী কৰিবলৈ পঞ্জাৱ চৰকাৰক যথেষ্ট পৰিমাণৰ ধনৰ প্ৰয়োজন হ'ব। চলিত বিত্তীয় বৰ্ষত পঞ্জাৱে ৯৫,২৫৭ কোটি টকাৰ ৰাজহ লাভ কৰিলে। ইয়াৰে ৪০ শতাংশ ধন ঋণ পৰিশোধত ব্যয় হ'ব। এনে পৰিস্থিতিত মান চৰকাৰে কিদৰে নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতিসমূহ বাস্তৱত ৰূপায়ণ কৰে সেয়া লক্ষ্যণীয় হ'ব।



## ভোটগ্ৰহণ কেন্দ্ৰৰ বাহিৰত আত্মঘাতী আক্ৰমণত মহিলা সাংসদসহ ৪৮ জনৰ মৃত্যু

**নিউজ ব্যুৰ' ম'গাডিছু, ২৫ মাৰ্চ ঃ** ছ'মালিয়াৰ ম'গাডিছুৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত কেন্দ্ৰৰ বাহিৰত আত্মঘাতী বোমাৰুৰে সংঘটিত কৰা আক্ৰমণৰ ঘটনাত এগৰাকী মহিলা সাংসদসহ কমেও ৪৮ জনৰ মৃত্যু হ'ল। আৰক্ষীয়ে আজি এই কথা প্ৰকাশ কৰে। উল্লেখ্য যে যোৱা বুধবাৰে ম'গাডিছুৰ বেলেডবেয়েনত এই ভয়াৱহ ঘটনা সংঘটিত হৈছিল। আত্মঘাতী আক্ৰমণত প্ৰাণহানি ঘটা লোকসকলৰ মাজত চৰকাৰৰ কঠোৰ সমালোচক হিচাপে পৰিচিত বিৰোধীৰ সাংসদ অমিন মহম্মদ অব্দীও আছে। এই আক্ৰমণৰ দায়িত্ব ছ'মালিয়াৰ সন্ত্ৰাসবাদী সংগঠন অল শ্বাবে স্বীকাৰ কৰিছে।

## সংক্ৰমণ নিয়ন্ত্ৰণত থাকিলেও পুনৰ ক'ভিডত মৃত্যু বৃদ্ধি দেশত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ মাৰ্চ ঃ** দেশৰ কৰ'নাৰ দৈনিক সংক্ৰমণ হ্ৰাস পালেও আজি পুনৰ ক'ভিডত মৃতকৰ সংখ্যা বৃদ্ধি হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ১,৬৮৫ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। কালি দেশৰ দৈনিক আক্ৰান্তৰ সংখ্যা আছিল ১,৯৩৮ জন। ইফালে, যোৱা ২৪ ঘণ্টাত ভাৰতৰ বিভিন্ন ৰাজ্যত ক'ভিডত মৃত্যু হ'ল ৮৩ জন ৰোগীৰ। কালি দৈনিক মৃত্যুৰ সংখ্যা আছিল ৬৭ জন। এতিয়ালৈকে ভাৰতত মুঠ পাঁচ লাখ ১৬ হেজাৰ ৭৫৫ জন লোকৰ কৰ'নাত মৃত্যু হ'ল।

## লুইছিয়ানাত ১৪৬ কিলোমিটাৰ বেগী ধুমুহাই বিধ্বস্ত কৰিলে অগণন বাসগৃহ



**নিউজ ব্যুৰ', লুইছিয়ানা, ২৫ মাৰ্চ ঃ** আমেৰিকাৰ লুইছিয়ানা প্ৰদেশৰ নিউ অৰ্লিয়েন্সত ভয়াৱহ ধুমুহাই তচনচ কৰিলে অগণন বাসগৃহ। ঘণ্টাত ১৪৬ কিলোমিটাৰ বেগী ধুমুহাজাকে অঞ্চলটোৰ বাসিন্দাসকলৰ প্ৰভূত ক্ষতিসাধন কৰাৰ লগতে ২,৫০০ টা বাসগৃহৰ বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰে। প্ৰবল বেগী ধুমুহাই অঞ্চলটোৰ বহু গছ-গছনি ভাঙি পেলায় আৰু ইয়াৰ ফলত অগণন বাসগৃহ ক্ষতিগ্ৰস্ত হয়। ইতিমধ্যে প্ৰশাসনে উদ্ধাৰ কাৰ্যৰ বাবে তিনি শতাধিক কৰ্মচাৰীক নিয়োগ কৰিছে।


# চীনৰ ঋণৰ ফান্দত ভৰি নিদিবলৈ নেপালক পৰামৰ্শ অৰ্থনীতিবিদৰ

**নিউজ ব্যুৰ' কাঠমাণ্ডু, ২৫ মাৰ্চ ঃ** উন্নয়নৰ নামত ঋণ প্ৰদানৰ ফান্দ পাতিছে চীনে। 'বেল্ট এণ্ড ৰোড' প্ৰকল্পৰ অধীনত পাকিস্তান, শ্ৰীলংকাসহ এছিয়াৰ দেশসমূহক ঋণৰ জালত ইতিমধ্যে আবদ্ধ কৰিলে চীনে। এনে পৰিস্থিতিত চীনৰ ঋণৰ ফান্দত নপৰিবলৈ নেপালক পৰামৰ্শ দিলে দেশখনৰ অৰ্থনীতিবিদে। উল্লেখ্য যে আজি ভ্ৰমণাৰ্থে নেপালত উপস্থিত হৈছে চীনৰ বৈদেশিক মন্ত্ৰী ৱাং ইয়ে। চীনৰ বৈদেশিক মন্ত্ৰীৰ এই ভ্ৰমণত কাঠমাণ্ডু আৰু বেইজিঙৰ মাজত একাধিক বাণিজ্যিক চুক্তি স্বাক্ষৰিত হ'ব। সূত্ৰৰ খবৰ অনুসৰি, 'বেল্ট এণ্ড ৰোড' প্ৰকল্পৰ অধীনত আন্তঃগাঁথনিৰ নিৰ্মাণৰ বাবে চীনৰ পৰা ঋণ গ্ৰহণৰ কথা চিন্তা-চৰ্চা কৰিছে নেপালৰ শ্বেৰ বাহাদুৰ দেউবা চৰকাৰে। এই সন্দৰ্ভতে নেপালৰ বিশিষ্ট অৰ্থনীতিবিদ বিশ্বম্ভৰ পোখৰায়েলে দেউবা চৰকাৰক সতৰ্ক কৰি কয় যে নেপালে চীনৰ ঋণৰ ফান্দৰ পৰা আঁতৰি থকা উচিত। শ্ৰীলংকাৰ প্ৰসংগ উত্থাপন কৰি অৰ্থনীতিবিদজনে কয়, 'অৰ্থনীতিৰ নিৰিখত নেপাল এতিয়াও শ্ৰীলংকাৰ স্থানত উপনীত হ'ব পৰা নাই। অৰ্থনীতিৰ দিশত আত্মনিৰ্ভৰ হ'বলৈ বিদেশী ঋণ গ্ৰহণৰে আন্তঃগাঁথনি নিৰ্মাণৰ পূৰ্বে আমি একাধিকবাৰ চিন্তা-চৰ্চা কৰিব লাগিব। এই ক্ষেত্ৰত নেপাল সতৰ্ক হোৱা অতি জৰুৰী।'



## দক্ষিণ কোৰিয়াত ২৪ ঘণ্টাত ৩,৩৯,৫১৪ জন ক'ভিডত আক্ৰান্ত, ৩৯৩ জনৰ মৃত্যু

**নিউজ ব্যুৰ', ছিউল, ২৫ মাৰ্চ ঃ** দক্ষিণ কোৰিয়াত কৰ'নাৰ নতুন সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত দেশখনত নতুনকৈ ক'ভিডত সংক্ৰমিত হ'ল ৩,৩৯,৫১৪ জন লোক। বৰ্তমানলৈকে দেশখনত মুঠ ১১,১৬,২২৩২ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। ইফালে, দেশখনত যোৱা ২৪ ঘণ্টাত ৩৯৩ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। দক্ষিণ কোৰিয়াত বৰ্তমানলৈকে ১৪,২৯৪ জন লোকে কৰ'নাত প্ৰাণ হেৰুৱালে।



# স্থগিত হ'ল সংসদ, ২৮ মাৰ্চত হ'ব পাৰে ইমৰানৰ বিৰুদ্ধে অনাস্থা ভোট

**নিউজ ব্যুৰ', ইছলামাবাদ, ২৫ মাৰ্চ ঃ** পাকিস্তানৰ নেচনেল এছেম্বলিৰ অধিবেশনৰ প্ৰথম দিনতেই আজি সদন স্থগিত হ'ল। অহা ২৮ মাৰ্চত বিয়লি চাৰি বজাত পুনৰ নেচনেল এছেম্বলিৰ অধিবেশন আৰম্ভ হ'ব। এই অধিবেশনতে সোমবাৰে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ বিৰুদ্ধে বিৰোধীয়ে উত্থাপন কৰা অনাস্থা ভোট অনুষ্ঠিত হ'ব পাৰে। উল্লেখ্য যে আজি অধিবেশনৰ প্ৰথমদিনা ইমৰানৰ বিৰুদ্ধে অনাস্থা ভোট অনুষ্ঠিত



হোৱাৰ কথা আছিল যদিও পাকিস্তানৰ সংসদীয় পৰম্পৰা অনুসৰি সাংসদ খয়াল জমাঙৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত সাংসদজনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰে সংসদ সোমবাৰলৈকে স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হয়। পাকিস্তানৰ সংবিধানৰ নিয়ম অনুসৰি অনাস্থা প্ৰস্তাৱ দাখিল কৰাৰ তিনিদিনৰ পাছত আৰু সাতদিনৰ ভিতৰত অনাস্থা ভোট গ্ৰহণ কৰিব লাগে। অনাস্থা ভোটত বিৰোধীয়ে দাবী কৰা অনুসৰি ইমৰানৰ চৰকাৰৰ পতন হোৱাটো নিশ্চিত আৰু সেয়েহে নিৰ্দিষ্ট সময়ৰ ভিতৰত ভোটগ্ৰহণ হোৱাটো বিৰোধীয়ে বিচাৰিছে। আজি নেচনেল এছেম্বলীত বিৰোধীয়ে ইমৰানক ক্ষমতাচ্যুত কৰাৰ হুংকাৰ দি অনাস্থা ভোট শীঘ্ৰে অনুষ্ঠিত কৰিবলৈ দাবী জনায়। ইয়াৰ মাজতে নেচনেল এছেম্বলীৰ অধ্যক্ষ অচদ কেইছৰে সাংসদ জমাঙৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

## ইউক্ৰেইনৰ সৰ্ববৃহৎ সামৰিক ইন্ধন ভাণ্ডাৰত আক্ৰমণ ৰাছিয়াৰ



**নিউজ ব্যুৰ', মস্কো, ২৫ মাৰ্চ ঃ** ৰাছিয়াই দাবী কৰা অনুসৰি ৰুছ সেনাৰ আক্ৰমণত ইউক্ৰেইনৰ সৰ্ববৃহৎ সামৰিক ইন্ধন ভাণ্ডাৰ ধ্বংস হ'ল। ৰাছিয়াই এই আক্ৰমণক দেশখনৰ এক বৃহৎ সফলতা বুলি দাবী কৰিলে। ইয়াৰ পূৰ্বে ৰাছিয়াই ইউক্ৰেইনৰ এটা ক্ষেপণাস্ত্ৰৰ ভাণ্ডাৰত আক্ৰমণ চলাই ধ্বংস কৰিছিল। উল্লেখ্য যে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা যুদ্ধৰ এমাহ সম্পূৰ্ণ হ'ল। বিগত এমাহ ধৰি ৰুছ সেনাই অব্যাহত ৰখা ধাৰাবাহিক বোমা বৰ্ষণ আৰু ৰকেট আক্ৰমণৰ ফলত ইউক্ৰেইনৰ একাধিক চহৰ যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। যুদ্ধৰ ফলত ইউক্ৰেইনত সম্প্ৰতি লাখ লাখ নাগৰিকে খাদ্য আৰু খোৱাপানীৰ চৰম সংকটৰ সন্মুখীন হৈছে। যুদ্ধৰ মাজতে ইউক্ৰেইন ত্যাগ কৰি চুবুৰীয়া দেশত আশ্ৰয় গ্ৰহণ কৰিছে লাখ লাখ নাগৰিকে। ৰাষ্ট্ৰসংঘৰ পৰিসংখ্যা অনুসৰি ইউক্ৰেইনৰ পৰা বৰ্তমানলৈকে ৩৫ লাখৰো অধিক নাগৰিকে পলায়ন কৰি প্ৰতিবেশী ৰাষ্ট্ৰত শৰণাৰ্থী হিচাপে আশ্ৰয় গ্ৰহণ কৰিছে।


## ইমৰানৰ আসন ৰক্ষা কৰিবলৈ 'চয়তান'ৰ উপাসনা পত্নী বুশ্বৰাৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৫ মাৰ্চ ঃ** সেনাৰ সমৰ্থন হেৰুৱাই সম্প্ৰতি বিপাকত পৰিছে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খান। এনে পৰিস্থিতিত স্বামীৰ প্ৰধানমন্ত্ৰীৰ আসনখন ৰক্ষা কৰিবলৈ 'ক'লা যাদু'ৰ আশ্ৰয় ল'লে ইমৰানৰ পত্নী বুশ্বৰা বিবিয়ে। পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, বুশ্বৰাৰ বিৰুদ্ধে ক'লা যাদুৰ অভিযোগ উত্থাপন কৰিলে পাকিস্তানৰ প্ৰধান বিৰোধী নেতা শ্বাহবাজ শ্বৰিফে। উল্লেখ্য যে শ্বাহবাজ হৈছে পাকিস্তানৰ প্ৰধানমন্ত্ৰী নৱাজ শ্বৰিফৰ ভ্ৰাতৃ। শ্বাহবাজৰ অভিযোগ অনুসৰি ইছলামাবাদৰ বণিগালাত ইমৰানৰ বাসগৃহত কে'বাটন কুকুৰাৰ মাংস পুৰি ক'লা যাদুৰে চয়তানৰ উপাসনা কৰিছে বুশ্বৰাই। পাকিস্তানৰ বিৰোধী নেতাজনে অভিযোগ কৰি কয়, 'দেশৰ শিশুসকলে দুগ্ধৰ যোগান লাভ কৰা নাই, অথচ বণিগালাত কে'বা টন কুকুৰাৰ মাংস পোৱা হৈছে। নিজৰ ক্ষমতা ৰক্ষা কৰিবলৈ অসাংবিধানিক পথ অৱলম্বন কৰিছে ইমৰানে।' তাৎপৰ্যপূৰ্ণভাৱে ইমৰানৰ পত্নীয়ে নিজকে 'পীৰ' বুলি দাবী কৰি আহিছে। পূৰ্বেও বুশ্বৰাৰ বিৰুদ্ধে ক'লা যাদু চৰ্চা কৰাৰ অভিযোগ উত্থাপিত হৈছিল।

## চকুলো টুকি ৰূপাই ক'লে 'বাংলা এতিয়া বসবাসৰ উপযোগী নহয়'

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ মাৰ্চ ঃ** পশ্চিমবংগৰ বীৰভূমৰ হিংসা কাণ্ডৰ সন্দৰ্ভত আজি ৰাজ্যসভাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিলে বিজেপিৰ সাংসদ ৰূপা গাংগুলীয়ে। বীৰভূম হিংসাকাণ্ডৰ প্ৰসংগত সদনত উত্থাপন কৰি বিজেপিৰ সাংসদগৰাকীয়ে তৃণমূল কংগ্ৰেছক কঠোৰভাৱে সমালোচনা কৰে। ৰূপাই কান্দি কান্দি এই হৃদয় বিদাৰক ঘটনাৰ কথা ৰাজ্যসভাত উত্থাপন কৰি কয়, 'বীৰভূম হিংসাকাণ্ডত এইবাৰ আঠজন লোকৰ মৃত্যু হ'ল। অধিক সংখ্যক লোকৰ মৃত্যু হোৱা হ'লেও তেওঁলোকৰ (তৃণমূল কংগ্ৰেছ)ৰ কোনো ক্ষতি নহয়। কিন্তু এইসকল লোকক জ্বলাই হত্যা কৰা হ'ল। পশ্চিমবংগৰ আৰক্ষীক এতিয়া বিশ্বাস কৰিব নোৱাৰি। বিগত সাতদিনত ৰাজ্যখনত ২৬ টা ৰাজনৈতিক হত্যাকাণ্ড সংঘটিত হ'ল। ৰাজ্যত গণহত্যা চলিছে, মানুহে ৰাজ্যৰ পৰা পলায়ন কৰিছে। এতিয়া পশ্চিমবংগ বসবাসৰ উপযোগী হৈ থকা নাই। চৰকাৰে হত্যাকাৰীক ৰক্ষণাবেক্ষণ দিছে।' এইদৰে অভিযোগ কৰি বিজেপিৰ সাংসদগৰাকীয়ে পশ্চিমবংগত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰাৰ দাবী জনায়।



## এইবাৰ দিল্লী হিংসাকাণ্ডক লৈ চলচ্চিত্ৰ নিৰ্মাণ কৰিব অগ্নিহোত্ৰীয়ে



**নিউজ ব্যুৰ', মুম্বাই, ২৫ মাৰ্চ ঃ** 'দ্য কাশ্মীৰ ফাইলছ'ৰ সফলতাৰ পাছত এইবাৰ দিল্লী হিংসাকাণ্ডৰ কাহিনীৰে পৰৱৰ্তী ছবি নিৰ্মাণ কৰিব পৰিচালক বিবেক অগ্নিহোত্ৰীয়ে। এক সাক্ষাৎকাৰত অগ্নিহোত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি বৰ্তমানে তেওঁ 'দ্য দেলহী ফাইলছ' নামৰে এখন নতুন ছবিৰ নিৰ্মাণ আৰম্ভ কৰিছে। অগ্নিহোত্ৰীয়ে কয়, 'মই কাৰোবাক ভুল প্ৰমাণিত কৰিবলৈ বা হৰুৱাবলৈ বলিউডলৈ অহা নাই। মই নিজৰ সামৰ্থৰে ছবি নিৰ্মাণ কৰো। মই বলিউডৰ বাহিৰৰ। দৰাচলতে আমি বলিউডৰ সম্পূৰ্ণ বিপৰীত ধাৰা। মই এজন স্বতন্ত্ৰ চলচ্চিত্ৰ নিৰ্মাতা। কোনোবাই মোক প্ৰশংসা কৰক বা নকৰক, মোৰ কোনো লাভ বা ক্ষতি নহয়। মই কেৱল এটা কথাই কৈছিলো যে কেনেকৈ অত্যন্ত প্ৰভাৱশালী লোকে ভুৱা বাতৰি আৰু ঘৃণামূলক অপপ্ৰচাৰৰে মোৰ ছবিখনৰ ক্ষতি কৰিব বিচাৰিছিল। মই প্ৰতিভাবান লোকৰ স'তে সৃষ্টিশীল কাম কৰিব খোজো। মহাতাৰকাৰ স'তে কাম কৰাৰ কোনো ইচ্ছা মোৰ নাই।' উল্লেখ্য যে 'দ্য কাশ্মীৰ ফাইলছ' ছবিখনে ইতিমধ্যে ভাৰতত দুশ কোটি টকাৰ অধিক ব্যৱসায় কৰি বলিউডত নতুন চমক সৃষ্টি কৰিলে। কাশ্মীৰী পণ্ডিতৰ জীৱনৰ আধাৰত এইখন ছবি অগ্নিহোত্ৰীয়ে নিৰ্মাণ কৰিছে।

# ডাম্পিং গ্ৰাউণ্ডলৈ পৰ্যবসিত নুমলীগড়ৰ দেওপাহাৰ

## ■ বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী



অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ২৫ মাৰ্চ ঃ** বন্যপ্ৰাণীৰ জীৱন আৰু বনজ সম্পদৰ প্লাষ্টিকে কি ভয়াৱহ সংকট কঢ়িয়াই আনিছে, তাৰ নিদৰ্শন দেখা প্ৰতিফলিত হৈছে নুমলীগড়ৰ দেওপাহাৰ সংৰক্ষিত বনাঞ্চলত। অঞ্চলটোৰ জৈৱ-বৈচিত্ৰ্যৰ দিশৰ পৰা অতিকে গুৰুত্বপূৰ্ণ যদিও এই বনাঞ্চলক লৈ ভেঙুচালি কৰিছে বন বিভাগৰ একাংশ বিষয়া আৰু কৰ্মচাৰীয়ে। মুক্তভাৱে একাংশ অসাধুয়ে প্লাষ্টিক আৱৰ্জনা পেলাইছে দেওপাহাৰত। এই আৱৰ্জনা ভক্ষণ কৰিছে বন্যপ্ৰাণীয়ে। দেওপাহাৰৰ হাতীৰ পেটৰ পৰা বৰ্জিত পদাৰ্থৰ লগত বৃহৎ পৰিমাণৰ পলিথিন ওলোৱা খবৰে সচকিত কৰিছে। আনহাতে, গোলাঘাটৰ ৰাইজৰ দীৰ্ঘদিনৰ দাবীৰ প্ৰতি আংশিক সঁহাৰি জনাই দেওপাহাৰক প্ৰস্তাবিত সংৰক্ষিত বনাঞ্চলৰ পৰা সংৰক্ষিত বনাঞ্চলৰ মৰ্যাদা দিয়া হৈছিল যদিও দেওপাহাৰলৈ প্ৰকৃতাৰ্থত একো পৰিৱৰ্তন নাহিল। দেওপাহাৰৰ তিনিও দিশে নতুনকৈ গঢ় লৈ উঠা ব্যৱসায়িক প্ৰতিষ্ঠান তথা বজাৰৰ পৰা সকলো বৰ্জিত পদাৰ্থ পেলাবৰ বাবে গোলাঘাট জিলা প্ৰশাসনে যেন ডাম্পিং গ্ৰাউণ্ডৰূপে দেওপাহাৰ সংৰক্ষিত বনাঞ্চলকে ব্যৱহাৰৰ অনুমতি প্ৰদান কৰিছে ব্যৱসায়ীসকলক। প্ৰশাসনৰ চকুৰ সন্মুখতে দেওপাহাৰৰ কাষৰীয়া বজাৰৰ বৰ্জিত পদাৰ্থবোৰ পেলাবলৈ ডাম্পিং গ্ৰাউণ্ড হিচাপে সকলোৱে ব্যৱহাৰ কৰি আহিছে দেওপাহাৰ সংৰক্ষিত বনাঞ্চলক। বন্যপ্ৰাণীৰ বিচৰণভূমিত জাবৰ পেলোৱাৰ ক্ষেত্ৰত জিলা প্ৰশাসনৰ কোনো নিষেধাজ্ঞা আৰু নিৰ্দেশনা নাই। ইপিনে, কাষতেই নুমলীগড় খণ্ড বন কাৰ্যালয়টো থকা সত্ত্বেও দেওপাহাৰ সংৰক্ষিত বনাঞ্চললৈ দৃষ্টি দিবলৈ আহৰি নাপায় কোনো বনকৰ্মীয়ে। দেওপাহাৰ সংৰক্ষিত বনাঞ্চলত প্লাষ্টিক-জাবৰ আদি পেলোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰাৰ কথা ভাবিবলৈ আহৰি নাই বিয়াগোম বন বিভাগটোৰ বুলি অভিযোগ উত্থাপিত হৈছে। নুমলীগড় সাংবাদিক সংস্থা, আছু, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, মৰঙি প্ৰেছক্লাব আদিয়ে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# টিহু ৰেল ষ্টেছনত বৃদ্ধ-দিব্যাংগ ৰোগীৰ বাবে নাই কোনো ব্যৱস্থা

## ■ ৰোগীৰ দুৰ্ভোগ ■ শীঘ্ৰে সুব্যৱস্থা কৰাৰ দাবী বিভিন্ন দল-সংগঠনৰ

অগ্ৰদূত বাৰ্তা

**টিহু, ২৫ মাৰ্চ ঃ** নলবাৰী জিলাৰ টিহু ৰেল ষ্টেছনত বৃদ্ধ, বিকলাংগ অথবা ৰোগীয়ে প্লেটফৰ্মৰ ইটোৰ পৰা সিটোলৈ অহা-যোৱা কৰিবলৈ কোনো সুগম উপপথ, গ্ৰীণ কৰিড'ৰ অথবা অন্য সুব্যৱস্থা নথকাত প্ৰতিদিনে বৃদ্ধলোক, দিব্যাংগ লোক অথবা ৰোগীয়ে হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হোৱাত সচেতন ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে স্বাধীনতাৰ পূৰ্বে নলবাৰী জিলাৰ টিহুত ৰেল ষ্টেছন স্থাপন হয়। তেতিয়াৰ পৰা বৰ্তমানলৈ টিহু ৰেল ষ্টেছনৰ পৰা উত্তৰে ভূটান সীমান্তৱৰ্তী সুবণখাটা, নিকাচি, বাগ্‌সা জিলাৰ সদৰ মুছলপুৰ, ডুমুনি চাহ বাগিচা, থমনা, আঠিয়াবাৰী, থৈকাৰকুছি, নাথকুছি, নমাটি আদি আৰু দক্ষিণে প্ৰায় সৰ্থেবাৰী, খাৰশুঠা, বাখনাটাৰী, ঘোপা, ভোজকুছি, মাখিবাহা, হাৰিভাঙা, কনিমাৰী, বৈৰাগী, ভালুকী আদি বৃহত্তৰ অঞ্চলৰ সহস্ৰাধিক লোক নিতৌ ৰাজ্যৰ ভিন্ন প্ৰান্তলৈ যাতায়াত কৰে। উত্তৰৰ পৰা অহা যাত্ৰীসকলে ষ্টেছনত সোমাই এক নম্বৰ প্লেটফৰ্ম পায় আৰু দক্ষিণৰ পৰা অহা যাত্ৰীসকলে দুই নম্বৰ প্লেটফৰ্ম পায়। এই যাত্ৰীসকলে ইটোৰ পৰা সিটো প্লেটফৰ্মলৈ অহা-যোৱা কৰিব লাগিলে প্ৰায় ১০-১২ ফুট ওখ অভাৰব্ৰীজ ছিৰিৰে বগাইহে অহা-যোৱা কৰিব লাগে। এনেক্ষেত্ৰত ডেকা বয়সৰ



সুস্থ পুৰুষ-মহিলাৰ বাবে অসুবিধা নহয়। কিন্তু বৃদ্ধ-বৃদ্ধা, শাৰীৰিকভাৱে অক্ষম, বিকলাংগ লোক অথবা ৰুগীয়া লোকৰ বাবে ই কোনোপধ্যে সম্ভৱ নহয়। এনে লোকৰ বাবে প্লেটফৰ্মৰ ইটোৰ পৰা সিটোলৈ যাবলৈ ষ্টেছনটোত কোনোধৰণৰ উপপথ, কৰিড'ৰ বা অন্য কোনো সুব্যৱস্থা নাই। ফলত চিকিৎসাৰ বাবে দূৰ-দূৰণিলৈ নিবলগীয়া ৰোগী, আত্মীয়-কুটুমৰ ঘৰলৈ যাবলগীয়া বৃদ্ধ-বৃদ্ধা, বিকলাংগ লোক আদিক দুই তিনিজনে দাঙি লৈ ইটোৰ পৰা সিটো প্লেটফৰ্মলৈ পাৰ কৰা দৃশ্য সুলভ হৈ পৰিছে। কোনো বৃদ্ধ বা বিকলাংগ লোক এটাৰ পৰা আনটো প্লেটফৰ্মলৈ যাবলৈ ঘণ্টাৰ পাছত ঘণ্টা সহৃদয় লোকৰ অনিশ্চিত অপেক্ষাত ৰ'বলগীয়া হয়। কাৰণ তেওঁলোকে অকলে ইটো প্লেটফৰ্মৰ পৰা সিটো প্লেটফৰ্মলৈ যাবলৈ হ'লে দুৰ্ঘটনাগ্ৰস্ত হোৱাটো প্ৰায় নিশ্চিত। আনহাতে, সকলোৱে তৎক্ষণাত সহায় কৰিবলৈ আগবাঢ়ি নাহে। সেয়ে কোনো চিনাকি লোক অথবা সহমৰ্মী লোক অহালৈ বাট চাই বোন্দাপৰ দি থাকিবলৈ বাধ্য হয়। আনকি টিহু ষ্টেছনৰ গাতে লাগি থকা দক্ষিণ পাৰৰ বিজি কল'নি, নান্নাটাৰী, পৰমানখোৱা, গাঁওবুঢ়াপাম, অধ্যাপকপাৰা আদি গাঁৱৰ ৭০ উৰ্ধৰৰ লোকসকলে ষ্টেছনৰ দুই নম্বৰ প্লেটফৰ্মৰ পৰা উত্তৰপাৰে থকা টিহু নগৰলৈ অহাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। কাৰণ তেওঁলোকে ১০-১২ ফুট ওখ ছিৰি বগাই অভাৰব্ৰীজ পাৰ হ'বলৈ সক্ষম নহয়। তেওঁলোকে দুই নম্বৰ প্লেটফৰ্মত থিয় হৈয়ে নগৰৰ ফালে দৃষ্টি নিক্ষেপ কৰি পঠায় আৰু দীঘল হুমুনিয়াহ কাঢ়ি ঘৰমুৱা হয়। কিন্তু বিভিন্ন ষ্টেছনত থকাৰ দৰে টিহু ষ্টেছনতো কোনো সুগম উপপথ বা গ্ৰীণ কৰিড'ৰৰ ব্যৱস্থা থকা হ'লে এই দুৰ্ভগীয়া যাত্ৰীসকলৰ যথেষ্ট সুবিধা হ'লহেঁতেন আৰু অভাৱনীয় যন্ত্ৰণাৰ পৰা মুক্তি পালেহেঁতেন। সেয়ে টিহু ৰেল ষ্টেছনৰ পশ্চিম দিশে বিজি ক'লনিৰ পৰা দুই নম্বৰ প্লেটফৰ্ম সংযোগস্থলীৰ পৰা চিধাই এক নম্বৰ প্লেটফৰ্মলৈ বৃদ্ধ, ৰোগী, বিকলাংগ আদি লোকসকলৰ আহুকাল আঁতৰাই সুকলমে অহা-যোৱা কৰিব পৰাকৈ এটি গ্ৰীণ কৰিড'ৰ বা সুগম উপপথ শীঘ্ৰে নিৰ্মাণৰ বাবে সংশ্লিষ্ট ৰেল বিভাগ আৰু কেন্দ্ৰীয় ৰেলমন্ত্ৰীৰ ওচৰত টিহু জ্যেষ্ঠ নাগৰিক সন্মিলন, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন, টিহু ৰাজহুৱা পুথিভঁৰাল সমিতি আদি বিভিন্ন দল-সংগঠন-অনুষ্ঠানৰ লগতে স্থানীয় ৰাইজে দাবী জনাইছে।

# ডিব্ৰুগড় সাহিত্য সভাৰ বাকৰিত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ বিহুনামৰ কৰ্মশালা

বিশেষ সংবাদদাতা,

**ডিব্ৰুগড়, ২৫ মাৰ্চ ঃ** অসম আৰু অসমীয়াৰ সংস্কৃতিৰ বৰঘৰত যেন ক্ৰমে ঘূণে ধৰিছে। সংস্কৃতিৰ স্বকীয় বৈশিষ্টতাও কালক্ৰমত হেৰাই যোৱাৰ উপক্ৰম হৈছে। সেয়ে বাপতি সাহোন ৰঙালী বিহুগানৰ নিভাঁজ ৰূপত পৰিৱেশন আৰু উপস্থাপন কৰাৰ বাবে ডিব্ৰুগড় সাহিত্য সভা আৰু ৰাজ্যৰ অন্যতম সাংবাদিক সংগঠন বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবে মূৰ্ছনা সংগীত বিদ্যালয়ৰ সহযোগত অনুষ্ঠিত কৰে এদিনীয়া বিহু গীতৰ কৰ্মশালা। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবে সাংবাদিকতাৰ স'তে জড়িত থকাৰ উপৰিও বিভিন্ন সময়ত বিভিন্ন সামাজিক, সাংস্কৃতিক, শৈক্ষিক, ক্ৰীড়া আদি কাম-কাজত জড়িত হৈ অহাৰ লগতে আগন্তুক ৰঙালী বিহুৰ প্ৰাকক্ষণত ডিব্ৰুগড় সাহিত্য সভা ভৱনত অনুষ্ঠিত কৰা বিহুনামৰ কৰ্মশালাত শিশু-কিশোৰ-কিশোৰী অভিভাৱকসহ প্ৰায় তিনি শতাধিক লোক উপস্থিত থাকে উক্ত কৰ্মশালাত লোকশিল্পী তথা বিশিষ্ট অনাতাঁৰ শিল্পী ভুৱন গগৈ আৰু প্ৰতিভাসম্পন্ন শিল্পী মডুৰী ফুকনে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলক বিহু গীত আৰু নামৰ আদিপাঠৰ লগতে পৰিৱেশনৰ পাঠ দান কৰি উপকৃত কৰে। সহযোগী হিচাপে ঢুলীয়া ৰাজীৱ ফুকন, শিল্পী মানস বুঢ়াগোহাঁই, ঢুলীয়া মুক্তামনি হাজৰিকাই কৰ্মশালাত অংশগ্ৰহণ কৰে। আনহাতে, আৰম্ভণিতে সাংবাদিক যাদৱ গগৈয়ে আঁতধৰা কৰ্মশালাখনত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি তথা ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আৰম্ভ কৰে। উক্তঅনুষ্ঠানত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, ডিব্ৰুগড় সাহিত্য সভাৰ উপদেষ্টা তথা ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড° ৰুণুমা শৰ্মা, ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিভাস দুৱৰা, কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° জ্যোতিপ্ৰসাদ ফুকন, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, ডিব্ৰুগড় সাহিত্য সভাৰ সাংস্কৃতিক সম্পাদিকা টুনুমনি বৰুৱা, মীনাক্ষী দাস বৰুৱা, সমাজসেৱিকা মধুমিতা দত্তসহ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## ■ মৰাণত চোৰৰ উৎপাত

# নগৰৰ মাজমজিয়াত দোকানৰ ছাটাৰ ভাঙি লুটিলে লক্ষাধিক মূল্যৰ সামগ্ৰী

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৫ মাৰ্চ ঃ** যোৱা কিছুদিনৰ পৰা ডিব্ৰুগড় আৰু চৰাইদেউ জিলা দুখনৰ সীমামূৰীয়া অঞ্চল মৰাণ নগৰত চোৰৰ উৎপাত বৃদ্ধি হৈছে। দুয়োখন জিলাৰ দুখনকে আৰক্ষী থানা ওচৰা-ওচৰিকৈ আছে যদিও চোৰ ধৰাৰ ক্ষেত্ৰত আৰক্ষী বিফল হোৱা পৰিলক্ষিত হৈছে। যোৱা নিশা ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ প্ৰায় ১০০ মিটাৰ দূৰত্বত থকা 'মেছাৰ্ছ ত্ৰিবেণী' নামৰ ব্যৱসায় প্ৰতিষ্ঠানটোৰ ছাটাৰ ভাঙি নগদ ২২ হেজাৰ টকাৰ লগতে বহু লক্ষাধিক মূল্যৰ ম'বাইল ফোন চোৰে লুটি নিয়ে। নিশা দুয়োখন আৰক্ষী থানাৰ আৰক্ষী আৰু চিআৰপি বাহিনীয়ে টহল দি থকাৰ পাছতো কেনেকৈ চোৰে এনেদৰে আৰক্ষীক সন্মুখতে চুৰি কাৰ্য কৰিব পাৰিছে তাকে লৈ মৰাণ নগৰবাসী ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে।

# টিহু হালধিবাৰীত শ্ৰীশ্ৰীকালী পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**টিহু, ২৫ মাৰ্চ ঃ** টিহুৰ হালধিবাৰীত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীকালী মন্দিৰ প্ৰাংগণত অহা ৩১ মাৰ্চ, এক আৰু দুই এপ্ৰিলত ইতিহাস প্ৰসিদ্ধ ১২৫ সংখ্যক শ্ৰীশ্ৰীকালী পূজা মহোৎসৱৰ আয়োজন কৰা হৈছে। পূজা মহোৎসৱৰ কাৰ্যসূচী অনুসৰি ৩১ মাৰ্চৰ সমুহীয়া বন্তি প্ৰজ্বলনেৰে কালীপূজা মহোৎসৱৰ আৰম্ভ কৰা হ'ব। সন্ধিয়া ধৰ্মীয় শোভাযাত্ৰাৰে পানী তোলা কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে নিশা ক্ৰমে পূজাৰম্ভ, ওজাপালি প্ৰদৰ্শন, বলি বিধান, শান্তিপৰ্ব, প্ৰসাদ বিতৰণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। মহোৎসৱৰ বাকী কেইদিনত নাগাৰা নাম, আয়তী নাম আদি ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। কাৰ্যসূচীসমূহ সুচাৰুৰূপে সম্পন্ন কৰিবলৈ তৰণী চৌধুৰীক সভাপতি, কন্দৰ্প শৰ্মা আৰু দ্বিজেন্দ্ৰ শৰ্মাক সম্পাদক হিচাপে লৈ ইতিমধ্যে হালধিবাৰী মন্দিৰ পৰিচালনা আৰু কালীপূজা উদ্‌যাপন সমিতি গঠন কৰা হৈছে। পূজা মহোৎসৱৰ সমূহ কাৰ্যসূচীতে সৰ্বস্তৰৰ ৰাইজৰ উপস্থিতি উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।



ভাৰত-বাংলাদেশ সীমান্তৰ আগমণীত বিএছএফৰ ৰাইজৰ মাজত সামগ্ৰী বিতৰণ।

# ঢেকিয়াজুলিত চাৰিদিনীয়া ভাগৱত পাঠৰ আয়োজন

অগ্ৰদূত বাৰ্তা


**চিনামৰা, ২৫ মাৰ্চ ঃ** বৃহত্তৰ ঢেকিয়াজুলি অঞ্চলৰ আঞ্চলিক ভাগৱত চৰ্চা উদ্যোগত এখন ৰাজহুৱা সভা যোৱা ১৩ মাৰ্চত কাংসপাৰ সত্ৰৰ নামঘৰত অনুষ্ঠিত হয়। কেন্দ্ৰৰ উপ-সভাপতি গহীন চন্দ্ৰ বৰদলৈৰ পৌৰোহিত্যত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক খগেন চন্দ্ৰ বৰদলৈয়ে, অঞ্চলটোৰ পাৰ্শ্বৱৰ্তী বহুকেইখন গাঁৱৰ ৰাইজ উপস্থিত থকা সভাত আগন্তুক ভাগৱত পাঠ অনুষ্ঠান সন্দৰ্ভত আলোচনা কৰা হয়। সৰ্বসন্মতি ক্ৰমে অহা পাঁচ মে'ৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে স্থানীয় দক্ষিণ সোণাৰি ভৰালী নামঘৰত ভাগৱত পাঠ উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াতে অবিৰত ভাগৱত পাঠ উদ্‌যাপনৰ বাবে ভুৱন চন্দ্ৰ বৰদলৈক উপদেষ্টা, গহীন চন্দ্ৰ বৰদলৈক সভাপতি, ড° গজেন চন্দ্ৰ বৰদলৈক উপ-সভাপতি, হিমাদ্ৰী কিশোৰ বৰদলৈক প্ৰধান সম্পাদক, জয়ন্ত দত্ত, প্ৰণৱ বৰদলৈ সহকাৰী সম্পাদকৰূপে লৈ ২৪ জনীয়া সদস্যৰে এখন উদ্‌যাপন সমিতি গঠন কৰা হয়।

# এলেঙী চাৰিআলিত কৃষি সজাগতাৰ আলোচনা সভা

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ২৫ মাৰ্চ ঃ** তিতাবৰ মহকুমা কৃষি বিভাগৰ অন্তৰ্গত মেলামাটি গাঁও পঞ্চায়তৰ অন্তৰ্গত চাৰিআলিত আজি কৃষকসকলৰ মাজত কৃষি সজাগতা সৃষ্টি কৰিবলৈ এখন কৃষিমূলক আলোচনা সভা সম্পন্ন হয়। তিতাবৰ কৃষি খণ্ডৰ এডিঅ' লেখিকা বৰগোহাঁইয়ে উপস্থিত কৃষকসকলক মাটিৰ গুণাগুণ পৰীক্ষা, চৰকাৰী ধান ক্ৰয় সম্পৰ্কে বিধি-বিধান আৰু কৃষকসকলৰ নাম পঞ্জীয়ন বিষয়ত ব্যাখ্যা কৰি পৰামৰ্শ আগবঢ়ায়। কৃষকসকলে নাম পঞ্জীয়ন কৰাৰ পদ্ধতিৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া বিধি-বিধানৰ বিষয়ে বৰগোহাঁয়ে কৃষকসকলক বুজাই দিয়ে। সভাত এছ'চিয়েট টি এণ্ড এগ্ৰ' ছাৰ্ভিচেজ কোম্পানীৰ কো-অৰ্ডিনেট ড° গুঞ্জন গৌৰৱ বৰা, তিতাবৰৰ গাহৰি উৎপাদন কোম্পানীৰ চিইঅ' প্ৰাঞ্জল গোস্বামীয়ে বিভাগৰ নীতি-নিৰ্দেশনাসমূহ কৃষকসকলক অৱগত কৰে। কৃষকৰ পৰা ধান ক্ৰয় কৰিবলৈ ইতিমধ্যে চৰকাৰে তিতাবৰ নগৰত পাঁচ হেজাৰ মেট্ৰিক টন, মাধপুৰত তিনি হেজাৰ মেট্ৰিক টন আৰু বৰহোলাত এহেজাৰ মেট্ৰিক টন ধাৰ্য কৰিছে বুলি কৃষি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

# বৰপুল-গন্ধীয়া গাঁও সংযোগী পথৰ বিধ্বস্ত অৱস্থা



অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২৫ মাৰ্চ ঃ** দুলীয়াজান সমষ্টিৰ অন্তৰ্গত গন্ধীয়া-ভাজনী গাঁও পঞ্চায়তৰ অধীনৰ বৰপুল-গন্ধীয়া গাঁও সংযোগী পথৰ বিধ্বস্ত অৱস্থাই ৰাইজক জ্বলাকলা খুৱাইছে। কে'বাবছৰৰ পূৰ্বে পকীকৰণ কৰা পথটোৰ ব্লেকট্ৰেপিঙৰ তৰপটো বখলা বখলে এৰি ধূলিময় হৈ পৰাৰ লগতে ঠায়ে ঠায়ে দ'গাতৰ সৃষ্টি হৈছে। বাৰিষা কালত গাঁতবিলাকত পানী জমা হোৱাৰ ফলত পথটোৰেদি অহা-যোৱা কৰা স্থানীয়লোকে জ্বলা-কলা খাবলগীয়া হৈছে। টেঙাখাতৰ ঘাইপথত সংযোগ হোৱা বৰপুল-গন্ধীয়া গাঁৱৰ পথটো এটা ব্যস্তপূৰ্ণ পথ। উক্ত পথটোৰেদি গন্ধীয়া, চাওদাং, চেতিয়া চুককে ধৰি কে'বাখনো গাঁৱৰ ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণলোকে পথটোৰেদি অহা-যোৱা কৰে। পথটো পুনৰ নিৰ্মাণ যাতায়াতৰ বাবে সুচল কৰিবলৈ জন প্ৰতিনিধিক স্থানীয় ৰাইজে দাবী জনাইছে।

# ১৯ সংখ্যক ধন্বন্তৰী সেৱা যাত্ৰাৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৫ মাৰ্চ ঃ** ধনন্তৰী সেৱা যাত্ৰা (ডিএছৱাই ২২) ২০০৫ৰ পৰা নৰ্থ ইষ্টৰ ৰাজ্যসমূহত নেচনেল মেডিকোছ সংগঠন আৰু সেৱা ভাৰতী, পূৰ্বাঞ্চল দ্বাৰা আয়োজিত এক বৃহৎ মুক্ত স্বাস্থ্য অভিযান। (ডিএছৱাই) ১৯সংখ্যক সংস্কৰণ উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বিভিন্ন জিলাত দূৰৱৰ্তী ঠাইত ২৭ মাৰ্চৰ পৰা ৩১মাৰ্চলৈ এই স্বাস্থ্য সেৱা অবিৰতভাৱে চলি থাকিব। লগতে এই স্বাস্থ্য অভিযানত অসমকে ধৰি দেশ-বিদেশৰ পৰা ৬০জন চিকিৎসকে চিকিৎসা সেৱা প্ৰদান কৰিব। এই ধনন্তৰী সেৱা মাত্ৰা উদ্বোধনী অনুষ্ঠান অহা ২৭ মাৰ্চত মালিগাঁওস্থিত সেৱা ভাৰতী, জনজাতি, ছাত্ৰাবাস আদিংগিৰিত আৰম্ভ কৰা হ'ব।

# নগৰবেৰা আঞ্চলিক ৰঙালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি

**আলোপতি, ২৫ মাৰ্চ ঃ** বকো সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ নগৰবেৰাত অহা ৩০ চ'ত এক অৰু দুই ব'হাগত বৰ্ণাঢ্য কাৰ্যসূচীৰে আঞ্চলিক ভিত্তিত ৰঙালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। ইতিমধ্যে এই উপলক্ষে নগৰবেৰা আঞ্চলিক মৌজা কমিটীৰ স্থায়ী কাৰ্যালয় প্ৰাংগণত আগন্তুক নগৰবেৰা আঞ্চলিক ৰঙালী বিহু উদ্‌যাপনৰ উদ্দেশ্য বৃহত্তৰ নগৰবেৰাৰ বিভিন্ন অঞ্চলৰ পৰা অহা ৰাইজৰ উপস্থিতিত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। অভিৰাম কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিগত বৰ্ষৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ হিচাপ-নিকাচ দাখিল কৰাৰ অন্তত আগন্তুক ৰঙালী বিহু উদ্‌যাপন কৰাৰ বাবে নতুনকৈ উদ্‌যাপন সমিতি গঠন কৰা হয়। সভাত ৰাইজৰ প্ৰস্তাৱ আৰু সমৰ্থন সাপেক্ষে যথাক্ৰমে অভিৰাম কলিতাক সভাপতি, পূৰ্ণ কলিতাক কাৰ্যকৰী সভাপতি, ধৰ্ম কলিতা, দীপক পাঠক আৰু যাদৱ চৌধুৰীক উপ-সভাপতি, মানিক কলিতাক মুখ্য সম্পাদক, জ্যোতিৰ্ময় পাঠক, ৰূপম কলিতা, অঞ্জন দাস অৰু হিমাংশু মেধিক সম্পাদক মণ্ডলী, হীৰকজ্যোতি মালাকৰ, ৰাজীৱ দাস আৰু নৱজিৎ দাসক সাংস্কৃতিক সম্পাদক, অনুপ কলিতা, ত্ৰিদীপ কলিতা, দীপাংকৰ ঠাকুৰীয়া, নৱজিৎ মেধিক খেল বিভাগৰ সম্পাদক, মাণিক কলিতা, দিলীপ হাজৰিকা আৰু অঞ্জন দাসক কাৰ্যালয় সম্পাদক, জিতু পাঠকক প্ৰচাৰ সম্পাদক, আবু আয়ুব আহমেদ আৰু ডেভিড দাসক সাহিত্য সম্পাদক আৰু দীপক কলিতা, কৌশিক প্ৰাণ দাসক হিচাপ পৰীক্ষক হিচাপে লৈ নগৰবেৰা আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতি গঠন কৰা হয়। নগৰবেৰা আঞ্চলিক ৰঙালী বিহুৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

# তামুলীপথাৰত সাতদিনীয়া বিহু কৰ্মশালাৰ আয়োজন

**খুমটাই, ২৫ মাৰ্চ ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত তামুলীপথাৰত ২৮ মাৰ্চৰ পৰা সাতদিনীয়াকৈ বিহুনাচ, ঢোলবাদন, পেঁপাবাদন কৰ্মশালাৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে নৱপ্ৰজন্মক বিহুৰ চকীয়তা বজাই ৰাখি শুদ্ধ ৰূপত ৰূপায়িত কৰাৰ মানসেৰে বৰুৱা-তামুলীপথাৰ নৰ্ত্তন একাডেমীৰ উদ্যোগত বৰুৱা তামুলীপথাৰ অৰুণোদয় সাংস্কৃতিক সমাজৰ সহযোগত সাতদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া বিহু কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে মাধুৰীমা চৌধুৰী, বিহুৰাণী মামু বৰা শইকীয়া, নৃত্য শিল্পী লাকীমণি শইকীয়া, খ্যাতিসম্পন্ন ঢুলীয়া ব্ৰজেন শইকীয়া, প্ৰণৱ শইকীয়া, প্ৰাঞ্জল বৰা, মাধূৰ্য শইকীয়া, পেঁপাবাদক, বিহুৱা নিৰাময় তামুলী আদিৰ লগতে বহুকেইজন জ্যেষ্ঠ বিহুৱা, ঢুলীয়া, পেঁপাবাদক, বাঁহীবাদক আদিয়ে প্ৰশিক্ষণ আগবঢ়াব বুলি কয় বিহু কৰ্মশালা সমিতিৰ সভাপতি ব্ৰজেন বৰাই।

# তেজপুৰত ইন্ধন-ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদ



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৫ মাৰ্চ ঃ** দেশৰ কেন্দ্ৰীয় চৰকাৰে পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ অস্বাভাৱিক হাৰত মূল্যবৃদ্ধি ঘটোৱাৰ বিৰুদ্ধে আজি বিক্ষোভ প্ৰদৰ্শন কৰে এছইউচিআই (কমিউনিষ্ট) দলে। দলৰ ৰাজ্যিক কমিটীৰ আহ্বানত সমগ্ৰ ৰাজ্যৰ লগতে তেজপুৰৰ নিকামূল চাৰিআলিত দলৰ কৰ্মী-সমৰ্থকসকল সমবেত হৈ পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছ আৰু বিদ্যুতৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত প্ৰত্যাহাৰ দাবী জনায়। বিক্ষোভকাৰীসকলে হাতে হাতে বিভিন্ন দাবী সম্বলিত প্লেকাৰ্ড-ফেষ্টুন লৈ 'পে'ট্ৰল, ডিজেল, ৰন্ধন গেছৰ মূল্যবৃদ্ধি প্ৰত্যাহাৰ কৰক, সঘনাই পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছৰ মূল্যবৃদ্ধি ঘটাই ৰাইজৰ ওপৰত অৰ্থনৈতিক আক্ৰমণ বন্ধ কৰক, মূল্যবৃদ্ধি কাৰ স্বাৰ্থত, বিদ্যুতৰ মাচুল বৃদ্ধি প্ৰত্যাহাৰ কৰক' আদি শ্ল'গানেৰে বিক্ষোভথলী উত্তাল কৰি তোলে। পাছত কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীৰ জুমুঠি দাহ কৰে। জুমুঠিত অগ্নি সংযোগ কৰে এছইউচিআই (কমিউনিষ্ট)ৰ শোণিতপুৰ জিলা সম্পাদক অজয় আচাৰ্যই। বিক্ষোভ কাৰ্যসূচীত দলৰ ৰাজ্যিক কমিটীৰ সদস্য জিতেন্দ্ৰ চলিহায়ো অংশ লয়।

# শিল কঢ়িওৱা ডাম্পাৰে বিধ্বস্ত কৰিছে পথ

## ■ বৰজুৰি-উদমাৰী পথত পুখুৰী সদৃশ গাঁত


## ■ গুৰুত্ব নিদিয়ে ৰাইজৰ অভিযোগক লোক নিৰ্মাণ বিভাগে

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ২৫ মাৰ্চ ঃ** নগাঁও জিলাৰ চামগুৰি ক্ষেত্ৰীয় পথ উপ-সংমণ্ডলৰ অন্তৰ্গত বৰজুৰি-উদমাৰী সংযোগী কঠিয়াতলী-আমলখি ৰাজ্যিক পথটো বিধ্বস্ত হৈছে। কঠিয়াতলী-আমলখি সংযোগী ৰাজ্যিক পথটোৰ বৰজুৰিৰ পৰা উদমাৰী হৈ কঠালগুৰিলৈকে পথছোৱাত সৃষ্টি হোৱা প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাঁতে জ্বলাকলা খুৱাইছে ৰাইজক। বিশেষকৈ বৰজুৰিৰ পৰা উদমাৰীলৈকে পথছোৱা বিধ্বস্ত হৈ যাতায়াতৰ অনুপযোগী হৈছে। এই খৰালি কালতো এজাক বৰষুণ দিলেই পথছোৱাত পুখুৰীৰ সৃষ্টি হয় আৰু ৰ'দৰ বতৰত গাড়ী অহা-যোৱা কৰিলে ধূলিৰ ধুমুহাৰ সৃষ্টি হয়। তদুপৰি উদমাৰীৰ পৰা বৰজুৰিলৈকে পথছোৱা মাটিৰ পথ নে পকী পথ চিনিবই নোৱাৰি। কাৰ্বি আংলং জিলাৰ বৰজুৰিৰ পৰা শিল কঢ়িওৱা ডাম্পাৰে পথছোৱাৰ পকী ভাঙি মাটি উলিয়াই দিয়াত বৰ্তমান পকী পথটো মাটিৰ পথলৈ পৰ্যবসিত হৈছে। একেদৰে উদমাৰী কঠালগুৰি পথটোতো সমান্তৰালকৈ সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গাঁত। দুয়োটা পথৰ বিধ্বস্ত অৱস্থাত যমৰ যাতনা ভুগিছে চামগুৰি প্ৰাথমিক চিকিৎসালয়লৈ অহা মূৰ্মূৰ্ষু ৰোগী আৰু শিক্ষা গ্ৰহণ কৰিবলৈ চামগুৰিলৈ অহা ছাত্ৰ- ছাত্ৰীয়ে। পথ দুটাৰে অধিক পৰিমাণৰ শিলৰ বোজা কঢ়িয়াই অনা ডাম্পাৰে পথ দুটা বিধ্বস্ত কৰাৰ ৰাজহুৱা অভিযোগ উঠিছে। কাৰ্বি আংলং জিলাৰ বৰজুৰি, পানীমূৰ অঞ্চলত থকা শিলৰ মহলসমূহৰ পৰা উদমাৰীত অৱস্থিত আৰ এছ গান্ধীৰ, মিছা বালিবাটত থকা আকবৰৰ উপৰি বিভিন্ন ক্ৰেচাৰ মেচিনসমূহলৈ শ শ অবাধ গতিত অহা ডাম্পাৰসমূহে উক্ত পথসমূহ বিধ্বস্ত কৰিছে বুলি স্থানীয় একাংশ লোকে অভিযোগ উত্থাপন কৰিছে। চামগুৰিৰ স্থানীয় দল-সংগঠনে বহু আবেদন-নিবেদন কৰাৰ পাছতো কোনো ধৰণৰ কেৰেপ নকৰা ক্ৰেচাৰ মেচিনৰ মালিক পক্ষৰ লগতে ডাম্পাৰ চালকসকলক নাকী লগাবৰ বাবে ৰাইজে আবেদন- নিবেদন কৰিও সুফল নাপালে। ইয়াৰ পৰি ৰৰ্তে পথটো গাঁতেৰে ভৰি পৰাত এটা সময়ত চামগুৰি-উদমাৰী-কঠালগুৰি পথটো যে পকী আছিল ধৰিবই নোৱাৰা হ'ল। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ে কাজিৰঙা জৈৱ সংৱেদনশীল অঞ্চ লৰ অন্তৰ্গত



অঞ্চলসমূহত অৱস্থিত শিলৰ মহলসমূহ বন্ধ কৰিবলৈ নিৰ্দেশ দিয়াত শিল বেপাৰীসকলে নগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমামূৰীয়া অঞ্চলসমূহত শিলৰ মহল খুলি দৈনিক শ শ ডাম্পাৰে শিল কঢ়িয়াই আছে উক্ত পথ কেইটাৰে। ফলত পথ ভাঙি প্ৰকাণ্ড প্ৰকাণ্ড গাঁত হোৱাত দুৰ্ভোগ ভুগিছে এম্বুলেন্সেৰে যাতায়াত কৰা মুমূৰ্ষু ৰোগী, গৰ্ভৱতী নাৰী, যান-বাহন, চাইকেলেৰে অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰী আৰু ৰাইজ। লোক নিৰ্মাণ বিভাগক ৰাজহুৱা অভিযোগ দিয়া সত্ত্বেও গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে।



# পুনৰ ভাৰতীয় বেডমিণ্টন সন্থাৰ সভাপতি হ'ল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

## প্ৰশাসনলৈ তাৰকা খেলুৱৈ গোপীচান্দ



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ মাৰ্চ ঃ** ভাৰতীয় বেডমিণ্টন সন্থা (বাই)ৰ সভাপতি পদত একেৰাহে দ্বিতীয়বাৰলৈ অধিষ্ঠিত হ'ল অসমৰ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা। আগন্তুক চাৰি বছৰৰ বাবে তেওঁ পুনৰ নিৰ্বাচিত হৈছে। চলিত বৰ্ষৰ পৰা ২০২৬লৈ তেওঁ এই দায়িত্বত থাকিব। আজি গুৱাহাটীত অনুষ্ঠিত বাইৰ বাৰ্ষিক সভাত এই ডº শৰ্মা পুনৰ নিৰ্বাচিত হয়। উল্লেখ্য যে মুখ্যমন্ত্ৰী ডº শৰ্মাই ২০১৭ত এই পদত প্ৰথমবাৰলৈ অধিষ্ঠিত হৈছিল। বিগত চাৰিটা বৰ্ষত ভাৰতীয় বেডমিণ্টনৰ উন্নতিৰ হকে প্ৰয়োজনীয় পুঁজি আহৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ বাবেই তেওঁ আজি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ডº শৰ্মাই এই মুহূৰ্তত বেডমিণ্টন এছিয়াৰ উপ-সভাপতি আৰু বেডমিণ্টন ৱৰ্ল্ড ফেডাৰেছনৰ কাৰ্যবাহী পৰিষদৰ সদস্যৰূপেও দায়িত্ব পালন কৰি আছে।

ইপিনে, সন্থাৰ সাধাৰণ সম্পাদকৰূপে প্ৰথমবাৰলৈ নিৰ্বাচিত হৈছে প্ৰাক্তন জুনিয়ৰ ৰাষ্ট্ৰীয় প্ৰশিক্ষক সঞ্জয় মিশ্ৰ। বিদায়ী সাধাৰণ সম্পাদক অজয় কুমাৰ সিংঘানিয়া নতুন কাৰ্যবাহী পৰিষদত উপ-সভাপতিৰূপে নিৰ্বাচিত হৈছে। মহাৰাষ্ট্ৰ বেডমিণ্টন সন্থাৰ সভাপতি অৰুণ লাখানিয়ে কোষাধ্যক্ষ পদত নিৰ্বাচিত হৈছে। আজি গঠিত নতুন কাৰ্যনিৰ্বাহকৰ উল্লেখনীয় নাম হৈছে প্ৰাক্তন তাৰকা বেডমিণ্টন খেলুৱৈ তথা প্ৰাক্তন ভাৰতীয় দলৰ প্ৰশিক্ষক পুলেলা গোপীচান্দ। প্ৰথমবাৰলৈ ভাৰতীয় বেডমিণ্টনৰ প্ৰশাসনৰ দায়িত্ব গ্ৰহণ কৰা প্ৰাক্তন অল ইংলণ্ড বেডমিণ্টন চেম্পিয়নজন নতুন কমিটীত অন্যতম উপ-সভাপতিৰূপে নিৰ্বাচিত হৈছে।

# পূৰ্ণগতিত চলিছে বৰদলৈ ট্ৰফী ফুটবল

## শিলচৰৰ ইণ্ডিয়া ক্লাবৰ বিপক্ষে বৃহৎ অঘটনৰ সন্মুখীন যোৱাবাৰৰ চেম্পিয়ন এএছইবি



**গুৱাহাটী, ২৫ মাৰ্চ ঃ** ৬৮-সংখ্যক ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবলত নিজৰ প্ৰথম খেলতে অঘটনৰ সন্মুখীন হ'ল যোৱাবাৰৰ চেম্পিয়ন অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ স্প'ৰ্টছ ক্লাবে। গুৱাহাটী ক্ৰীড়া সন্থাই আয়োজন কৰা সন্মানীয় প্ৰতিযোগিতাখনৰ আজি গুৱাহাটীত অনুষ্ঠিত খেলত শিলচৰৰ ইণ্ডিয়া ক্লাবে এএছইবিক ১-০ গ'লত পৰাজিত কৰে। খেলৰ নিৰ্ধাৰিত ৯০ মিনিট সময় কোনো এটা পক্ষই গ'ল দিব নোৱৰাত খেলখন অমীমাংসিতৰূপে সমাপ্ত হোৱাৰে সম্ভাৱনা বৃদ্ধি পাইছিল। অৱশ্যে আঘাতৰ বাবে দিয়া অতিৰিক্ত সময়ৰ খেলত শিলচৰৰ ভি ভিগনেশে এটা দুৰ্দান্ত ভলীৰে গ'ল দি দললৈ অপ্ৰত্যাশিত জয় কঢ়িয়াবলৈ সক্ষম হয়।

### দৰঙত বৰদলৈ ট্ৰফীৰ গ্ৰুপ 'চি'ৰ মেচ

# নাটকীয় জয়েৰে পৰৱৰ্তী ৰাউণ্ডত দুলীয়াজান অইল

অগ্ৰদূত বাৰ্তা

**মঙলদৈ/দেওমৰনৈ, ২৫ মাৰ্চ ঃ** ৬৮ সংখ্যক ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ দৰং জিলাৰ ঘিলাকুৰিত অনুষ্ঠিত 'চি' গ্ৰুপৰ আজিৰ উদ্বোধনী খেলত দুলীয়াজানৰ অইল ইণ্ডিয়া ফুটবল ক্লাবে তিনিচুকীয়াৰ বডোচা ফুটবল স্প'ৰ্টছ ক্লাবক ২-০ গ'লত হৰুৱাই পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। খেলৰ ১৫ মিনিটত অইল ইণ্ডিয়াৰ হৈ আক্ৰাম নাৰ্জাৰীয়ে প্ৰথম গ'লটো দি দলক অগ্ৰগতি দিয়ে। পাঁচ সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ ২৯ মিনিটত অইল ইণ্ডিয়াৰ হৈ দ্বিতীয় গ'লটো দিয়ে মিলন বসুমতাৰীয়ে। খেলখন পৰিচালনা কৰে দেৱাশীষ মজুমদাৰে। লাইনত সহায় কৰে ৰিপুনাথ গগৈ আৰু জিগিৰ চন্দ্ৰ বড়োৱে। চতুৰ্থ ৰেফাৰীৰূপে থাকে মোবাৰক হুছেইন। অসম ফুটবল সন্থাৰ উপ-সভাপতি তথা অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক অৰুণজ্যোতি মৰাণ, গুৱাহাটী ক্ৰীড়া সন্থাৰ সভাপতি ৰমেশ ফুকন, দৰং জিলাৰ বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰফুল্ল কুমাৰ সমন্বিতে কে'বাজনো ক্ৰীড়া সংগঠক উপস্থিত থকা খেলখন উদ্বোধন কৰে পৰিচালনা সমিতিৰ সভাপতি তথা ছিপাঝাৰ সমষ্টিৰ বিধায়ক ডº পৰমানন্দ ৰাজবংশীয়ে। গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত মঙলদৈ ক্ৰীড়া সন্থা আৰু জোনজ্যোতি আঞ্চলিক প্ৰগতি সংঘৰ সহযোগত ঘিলাকুৰি ক্ৰীড়াংগণত অনুষ্ঠিত প্ৰতিযোগিতাৰ আগমুহূৰ্তত লোকপ্ৰিয় বৰদলৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন ফুটবল খেলুৱৈ তথা অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া উমেশ



বৰদলৈয়ে। মাল্যাৰ্পণ কৰে প্ৰাক্তন ফুটবল খেলুৱৈ নীলকান্ত চহৰীয়াই। আনহাতে, বৰদলৈ ট্ৰফী ফুটবলৰ পতাকা, গুৱাহাটী ক্ৰীড়া সন্থাৰ পতাকা, আৰু জোনজ্যোতি আঞ্চলিক প্ৰগতি সংঘৰ পতাকা উত্তোলন কৰে ক্ৰমে দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, গুৱাহাটী ক্ৰীড়া সন্থাৰ সভাপতি পুলক গোস্বামী আৰু সংঘৰ সভাপতি ইমৰান হুছেইনে। কাইলৈ চিআইএছএফ,দিল্লীয়ে নগালেণ্ড পুলিচৰ বিপক্ষে খেলিব।

### চিৰাঙত বৰদলৈ ট্ৰফীৰ 'ডি' গ্ৰুপৰ খেল আৰম্ভ

# অমীমাংসিতৰূপে সমাপ্ত নৰ্থ ইষ্ট ইউনাইটেড-চিৰাং দুৱাৰৰ মেচ

অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা

**ৰঙাইগাঁও/গৰুভাষা/কাজলগাঁও, ২৫ মাৰ্চ ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী থাইকাজোৰাত আজিৰে পৰা আৰম্ভ হৈছে ৬৮ সংখ্যক ভাৰত ৰত্ন গোপীনাথ বৰদলৈ ট্ৰফী ফুটবলৰ 'ডি' গ্ৰুপৰ খেলসমূহ। ৰাইন' ক্লাবৰ খেলপথাৰত আজি অনুষ্ঠিত খেলখনত অংশগ্ৰহণ কৰে ইউনাইটেড চিৰাং দুৱাৰ এফচি আৰু নৰ্থ ইষ্ট ইউনাইটেড এফচিয়ে। খেলখন ১-১ গ'লত অমীমাংসিতৰূপে সমাপ্ত হয়।

উত্তেজনাপূৰ্ণ খেলখনৰ ২২ মিনিটত এম ডি সিঙে দিয়া গ'লৰ সহায়ত ইউনাইটেড চিৰাং দুৱাৰে বিৰতিলৈকে ১-০ৰ অগ্ৰগতি লাভ কৰিছিল। বিৰতিৰ পাছত নৰ্থ ইষ্ট ইউনাইটেডৰ হৈ ৬০ মিনিটত চিৰঞ্জীৱ গগৈয়ে গ'লটো পৰিশোধ কৰি সমতা স্থাপন কৰে। খেলখন পৰিচালনা কৰে হীৰেন বৰ্মনে। লাইনত সহায় কৰে পৱন চন্দ্ৰ ব্ৰহ্ম আৰু ইজৰাইল হেমব্ৰমে। হাবিব ৰাৰী চতুৰ্থ ৰেফাৰী আছিল। কাইলৈ খেলত শ্বিলং লাজং এফচিয়ে অসম ৰেজিমেণ্টেল চেণ্টাৰ দলৰ বিপক্ষে অৱতীৰ্ণ হ'ব। আজি মুখ্য অতিথিৰূপে বিটিচিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীৰ উপস্থিতিত প্ৰতিযোগিতা উদ্বোধন কৰে বিটিচিৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কাৰ্যকৰী সদস্য দাওবৈচা বড়োৱে। উদ্বোধনী অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকে বিটিচিৰ কাৰ্যকৰী সদস্য ডº নিলুৎ স্বৰ্গীয়াৰী, দিগন্ত বৰুৱা, এমচিএলএ মাধৱ ছেত্ৰী, অসম ফুটবল সন্থাৰ সাধাৰণ সম্পাদক হেমেন্দ্ৰ নাথ ব্ৰহ্ম, গুৱাহাটী ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি কলিতা আদি।

# উত্তৰ-পূৱ বিদ্যালয় দবা

**গুৱাহাটী, ২৫ মাৰ্চ ঃ** মাইণ্ড স্প'ৰ্টছ ফাউণ্ডেছন আৰু অসম জাতীয় বিদ্যালয়ৰ সৌজন্যত অনুষ্ঠিত হৈছে নৰম ৰক্তাভ দত্ত চৌধুৰী সোঁৱৰণী উত্তৰ-পূৱ ভাৰত বিদ্যালয় দবা প্ৰতিযোগিতা। মহানগৰীৰ অসম জাতীয় বিদ্যালয়ত চলি থকা প্ৰতিযোগিতাখনৰ আজি দ্বিতীয় দিনা তৃতীয় ৰাউণ্ডৰ অন্তত তৃতীয় শ্ৰেণীৰ তলৰ পন শাখাত ছেইণ্ট ফ্ৰান্সিস্ক' বিদ্যালয়ৰ কৃষ্ণাভ মৃন্ময় হাজৰিকা, ছেমফ'ৰ্ড ফিউচাৰিষ্টিক বিদ্যালয়ৰ আৰোহণ আৰু এঞ্জেল পাব্লিক স্কুলৰ অন্মেয়া গুপ্তাই সম্পূৰ্ণ তিনি পইণ্টেৰে আগবাঢ়ি আছে। মুকলি শাখাত ছাউথ পইণ্ট বিদ্যালয়ৰ মায়ংক চক্ৰৱৰ্তী, মাৰিয়া পাব্লিক স্কুলৰ নিহাদ ইছলাম হাজৰিকা আৰু তন্ময় ৰাজবংশী, সৰলা বিৰলা জ্ঞানজ্যোতিৰ অশ্বিন শৰ্মা, বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয় বকুলনীৰ ধ্ৰুৱ ফুকন আৰু শ্ৰীমন্ত শংকৰ একাডেমীৰ অন্বেষা তালুকদাৰে সম্পূৰ্ণ তিনি পইণ্ট অৰ্জন কৰি আগবাঢ়ি আছে। মহৰ্ষি বিদ্যামন্দিৰ, বৰসজাইৰ নলীনাক্ষ কাশ্যপ, কেন্দ্ৰীয় বিদ্যালয় নামৰূপৰ বিশাল বৰুৱা, ৰয়েল গ্ল'বেল স্কুলৰ প্ৰাণ গোৱিন্দ পৰাশৰ কাশ্যপ আৰু ছেইণ্ট মেৰী উচ্চতৰ বিদ্যালয়ৰ উন্মিলিতা পাঠকে ২.৫ পইণ্টেৰে দ্বিতী স্থান দখল কৰি আছে।




*চিৰাঙৰ থাইকাজোৰাত আজিৰে পৰা আৰম্ভ হোৱা বৰদলৈ ট্ৰফী ফুটবলৰ উদ্বোধনী অনুষ্ঠানৰ দুটি মুহূৰ্ত, শুকুৰবাৰে।*

# গোৱালপাৰাৰ প্ৰাক্তন খেলুৱৈ কমলকৃষ্ণ দাসৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৫ মাৰ্চ ঃ** গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ প্ৰাক্তন ক্ৰিকেট খেলুৱৈ, ক্ৰিকেট প্ৰশিক্ষক, সুদক্ষ গীটাৰ আৰু কেছিঅ' বাদক, প্ৰাক্তন সুদক্ষ ফুটবলাৰ তথা সংস্কৃতিবান লোক কমলকৃষ্ণ দাস (৫৫)ৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। তেওঁ দীৰ্ঘদিনৰ পৰা দাঁতৰ বিষত ভুগি থকাত স্বাস্থ্যৰ অৱনতি ঘটাত পৰিয়ালৰ লোকে গুৱাহাটী আয়ুৰ্বেদিক চিকিৎসালয়ত ভৰ্তি কৰায়। পাছত চিকিৎসকে তেওঁক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। পাছত তেওঁক একন ব্যক্তিগত চিকিৎসালয়লৈ অনা হয় যদিও কালি বিয়লি শেষ নিশ্বাস ত্যাগ কৰে । ১৯৮৩ত পৃথ্বীৰাম চৰকাৰী উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ৰ পৰা সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হৈ গুৱাহাটীৰ চানমাৰি অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ পৰা কনিষ্ঠ অভিযন্তাৰূপে উত্তীৰ্ণ হৈছিল যদিও চৰকাৰী চাকৰি কৰাৰ পৰা বিৰত থাকি ঘৰতে থাকিবলগীয়া হয়। ক্ৰীড়াৰ লগতে সংস্কৃতিৰ পথাৰতো অতুলনীয় অৱদান ৰখা দাসৰ নশ্বৰদেহ গুৱাহাটীৰ পৰা গোৱালপাৰা চহৰৰ বামুণপাৰাৰ ঘৰলৈ আনি যোৱা নিশা প্ৰায় ১২ বজাত অজস্ৰ গুণমুগ্ধৰ উপস্থিতিত স্থানীয় ভূতনাথ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। দাসৰ মৃত্যুত গোৱালপাৰাৰ বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ মাতৃ, পত্নীৰ লগত চাৰি ভ্ৰাতৃ-ভগ্নীক এৰি যায়।

# দেৰগাঁৱত আৰম্ভ হ'ল আন্তঃজিলা ছাব জুনিয়ৰ বক্সিং প্ৰতিযোগিতা



**গুৱাহাটী, ২৫ মাৰ্চ ঃ** অসম বক্সিং সন্থাৰ তত্বাৱধানত দেৰগাঁও বক্সিং সন্থাই আয়োজন কৰা ৪২সংখ্যক অসমভিত্তিক ছাব জুনিয়ৰ (ল'ৰা আৰু ছোৱালী) আন্তঃজিলা বক্সিং প্ৰতিযোগিতাখন আজিৰে পৰা দেৰগাঁৱত আৰম্ভ হৈছে। দেৰগাঁৱৰ আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰত অনুষ্ঠিত এই প্ৰতিযোগিতা ২৭ মাৰ্চলৈ চলিব। ২৬খন জিলাৰ মুঠ ৩২০জন বক্সাৰ আৰু কৰ্মকৰ্তাই এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। এই প্ৰতিযোগিতাত নিৰ্বাচিত বক্সাৰসকলে আগন্তুক ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ বক্সিং প্ৰতিযোগিতালৈ অসম দলক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাব। ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখন ২২ মে'ৰ পৰা কৰ্ণাটকত অনুষ্ঠিত হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত অসম অপেছাদাৰী বক্সিং সন্থাৰ সভাপতি কমল গয়াৰী, সাধাৰণ সম্পাদক হেমন্ত কুমাৰ কলিতা উপস্থিত থাকে।

# প্ৰাইজমানি ক্ৰিকেট


অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৫ মাৰ্চ ঃ** নগাঁও জিলাৰ তেলিয়া পথাৰৰ শিংগাৰী বজাৰ আঞ্চলিক খেলপথাৰত নিউ গ্ৰীণ গেলেক্সী (এনজিজি) ক্লাবৰ উদ্যোগত আৰু খেলপথাৰ পৰিচালনা সমিতিৰ সহযোগত কাইলৈ নগাঁও আৰু মৰিগাঁও জিলা ভিত্তিত এখনি প্ৰাইজমানি এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আঠদলীয় আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ বিজয়ী দলক মিজানুল হকে আগবঢ়োৱা ট্ৰফীৰ লগতে নগদ ১০ হেজাৰ টকা আৰু বিজিত দলক বছিৰ উদ্দিনে আগবঢ়োৱা ট্ৰফীৰ লগতে নগদ পাঁচ হেজাৰ টকা তথা হুমায়ুন ৰছিদ আহমেদে আগবঢ়োৱা ক্ৰিকেট বেট শ্ৰেষ্ঠ খেলুৱৈজনক দিয়া হ'ব বুলি আয়োজক সমিতিৰ সভাপতি ৰিজাউৰ ৰহমান, সম্পাদক ছাব্বিৰ আহমেদ (ৰাজু) আৰু কোষাধ্যক্ষ জেহিৰুল ইছলামে জনাইছে।

# আইপিএলত সন্ত্ৰাসবাদী আক্ৰমণৰ আশংকাত নিৰাপত্তা ব্যৱস্থা বৃদ্ধি

নিউজ ব্যুৰ'

**মুম্বাই, ২৫ মাৰ্চ ঃ** কাইলৈৰ পৰা আৰম্ভ হ'ব চলিত বৰ্ষৰ ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আইপিএল)। মুম্বাইৰ তিনিখন ষ্টেডিয়ামত আইপিএলৰ অধিকাংশ খেল অনুষ্ঠিত হ'ব। এই আইপিএলৰ মাজতে মুম্বাইত সন্ত্ৰাসবাদীৰ ভয়ানক আক্ৰমণৰ আশংকা ঘনীভূত হৈছে। আনকি আইপিএলৰ মেচ সন্ত্ৰাসবাদীৰ লক্ষ্য হ'ব পাৰে বুলিও আশংকা কৰিছে মহাৰাষ্ট্ৰ আৰক্ষীৰ সন্ত্ৰাস দমন শাখাই। এটিএছৰ সতৰ্কবাণীৰ পাছতেই মুম্বাই আৰক্ষীয়ে আইপিএলৰ নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে। সন্ত্ৰাস দমন শাখাই বিশেষ সূত্ৰৰ ভিত্তিত জনাইছে যে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়াম



সন্ত্ৰাসবাদীৰ লক্ষ্য হোৱাৰ সম্ভাৱনা আছে। ৱাংখেড়েৰ লগতে ট্ৰাইডেণ্ট হোটেল আৰু ক্ৰিকেটাৰসকলে ষ্টেডিয়ামলৈ যোৱা পথতো আক্ৰমণ চলাব পাৰে বুলি সন্দেহ কৰা হৈছে। ইতিমধ্যেই মুম্বাই আৰক্ষীয়ে সন্দেহ কৰা স্থানসমূহত নিৰাপত্তা কটকটীয়া কৰি তোলাৰ লগতে আইপিএলৰ খেলুৱৈ তথা কৰ্মকৰ্তাসকলৰ বাবেও কেতবোৰ সুৰক্ষামূলক নিৰ্দেশনা জাৰি কৰিছে।

### ৰেড হৰ্ণছ প্ৰিমিয়াৰ লীগ ফুটবল

# মহিলা শাখাত চূড়ান্ত বিজয়ী শুক্লাই ছেৰফাং



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৫ মাৰ্চ ঃ** ভাৰতীয় সেনাৰ ৰেড হৰ্ণছ ডিভিজনৰ উদ্যোগত নৱগঠিত তামুলপুৰ জিলাৰ দিঘিলীপাৰ সেনা ছাউনীস্থিত খেলপথাৰত চলি থকা ৰেড হৰ্ণছ প্ৰিমিয়াৰ লীগ (আৰএইছপিএল) প্ৰাইজমানি ফুটবল লীগৰ আজি অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ মহিলাৰ ফাইনেল খেলখনত শুক্লাই ছেৰফাং এফচিয়ে কোকৰাঝাৰ এফচিক ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চূড়ান্ত বিজয়ী হয়। আজিৰ খেলখন পৰিচালনা কৰে মহন্ত বড়োৱে আৰু সহায় কৰে বৌহৈচাৰ বড়ো, তৰুন ৰাজবংশীয়ে। কাইলৈ বিয়লি তিনি বজাত ছানৰাইজ এফচি নাওবন্ধা আৰু উদাংশ্ৰী বৰমাৰ মাজত পুৰুষৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব। অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, অসম চৰকাৰৰ ক্ৰীড়া মন্ত্ৰী বিমল বৰা উপস্থিত থাকিবলগীয়া কাইলৈৰ ফাইনেল খেলখন উদ্বোধন কৰিব বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে।

# আজিৰে পৰা বৰ্ধিত ৰূপত আইপিএল

নিউজ ব্যুৰ'

**মুম্বাই, ২৫ মাৰ্চ ঃ** কাইলৈৰ পৰা আৰম্ভ হ'ব বিপুল অৰ্থ-সম্বলিত টি-২০ ক্ৰিকেট প্ৰতিযোগিতা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আইপিএল)। ক'ভিডৰ বাবে বিগত দুটা বৰ্ষত বিদেশত অনুষ্ঠিত হোৱাৰ পাছত এইবাৰ আইপিএল দেশৰ মাটিতে অনুষ্ঠিত হ'ব। কাইলৈৰ উদ্বোধনী খেলত যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছৰ বিপক্ষে খেলিব কলকাতা নাইট ৰাইডাৰ্ছে।

উল্লেখ্য যে এইবাৰ বৰ্ধিত ৰূপত দেখা যাব আইপিএলক। ২০১১ৰ পাছত প্ৰথমবাৰলৈ ১০টা দলে এই টি-২০ লীগত অংশগ্ৰহণ কৰিব। আইপিএলত নতুনকৈ সংযোজিত ফ্ৰেঞ্চাইজি দুটা হৈছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু গুজৰাট টাইটান্‌ছ। ইয়াৰ ফলত প্ৰতিযোগিতাত অনুষ্ঠিত খেলৰ সংখ্যাও বৃদ্ধি পাইছে। পূৰ্বৰ ৬০খনৰ পৰিৱৰ্তে এইবাৰ মুঠ ৭৪খন মেচ অনুষ্ঠিত হ'ব।

### তৃতীয় টেষ্টত ১১৫ ৰাণত পৰাজয় স্বীকাৰ পাকিস্তানৰ

# টেষ্ট শৃংখলা জয় কৰিলে অষ্ট্ৰেলিয়াই



নিউজ ব্যুৰ'

**লাহোৰ, ২৫ মাৰ্চ ঃ** বহু বছৰৰ বিৰতিৰ পাছত ঘৰুৱা খেলপথাৰত খেলিও জয়ৰ মুখ দেখা নাপালে পাকিস্তানে। আজি সমাপ্ত হোৱা তৃতীয় টেষ্টত বিজয় অৰ্জনেৰে শৃংখলা দখল কৰিলে অষ্ট্ৰেলিয়াই। তিনিখনীয়া মেচৰ শৃংখলাত অষ্ট্ৰেলিয়াই ১-০ত বিজয় অৰ্জন কৰে। আজি ভ্ৰমণকাৰী দলটোৱে পাকিস্তানক ১১৫ ৰাণৰ ব্যৱধানত পৰাজিত কৰে। শৃংখলাৰ প্ৰথম দুখন টেষ্ট অমীমাংসিতৰূপে সমাপ্ত হৈছিল। জয়ৰ বাবে ৩৫১ ৰাণ অনুসৰণ কৰা পাকিস্তানৰ দ্বিতীয় ইনিংছ আজি ২৩৫ ৰাণত সমাপ্ত হয়। উল্লেখ্য যে কালি অষ্ট্ৰেলিয়াই চাহ বিৰতিৰ পাছতে তিনি উইকেটত ২২৭ সংগ্ৰহ কৰি দ্বিতীয় ইনিংছ ঘোষণা কৰিছিল। কালি পাকিস্তানে কোনো উইকেট নেহেৰুৱাকৈ ৭৩ ৰাণ সংগ্ৰহ কৰিছিল। দলটোৰ কে'বাজনো বেটাৰ ফৰ্মত থকাৰ বাবে বাকী থকা ২৭৮ ৰাণ আজি পাকিস্তানে সংগ্ৰহ কৰিবলৈ সক্ষম হ'ব বুলি বহুতে ভাবিছিল। অৱশ্যে কেংগাৰু স্পীনাৰ নাথন লায়নৰ তীক্ষ্ণ বলিঙৰ সন্মুখত ঘৰুৱা দলটোৱে তিষ্ঠিব নোৱাৰিলে। লায়নে পাঁচটা তথা অধিনায়ক পেট কামিন্সে তিনিটা উইকেট দখল কৰে। পাকিস্তানৰ অপেনাৰ ইমাম-উল-হক (৭০) আৰু অধিনায়ক বাবৰ আজম (৫৫)ৰ বাহিৰে আন কোনো বেটাৰে অষ্ট্ৰেলিয়াক চিন্তাত পেলাব নোৱাৰিলে।

# বিডিএমটিচি-বাডৰ জয়

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৫ মাৰ্চ ঃ** মঙলদৈ ষ্টেডিয়ামত চলি থকা চতুৰ্থ বাৰ্ষিক জগত চন্দ্ৰ দাস সোঁৱৰণী টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত বিডিএমটিচি আৰু বাড ক্ৰিকেট ক্লাবে জয়লাভ কৰিছে। আজিৰ প্ৰথম মেচত প্ৰথমে বেটিং কৰি বিডিএমটিচিয়ে নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেট হেৰুৱাই ১৬৫ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ বিপৰীতে ৰেৰ নৰ্থ ইষ্ট ক্লাবে ১৯ অভাৰত সকলো উইকেট হেৰুৱাই ৯৯ ৰাণ কৰে। ইপিনে, দ্বিতীয়খন মেচত বাড ক্ৰিকেট ক্লাবৰ ২০ অভাৰত - উইকেটত ১৪২ ৰাণৰ প্ৰত্যুত্তৰত ৰয়েল গ্ল'বেল একাডেমীয়ে ২০ অভাৰত সাত উইকেট হেৰুৱাই ১৪১ ৰাণ কৰি মাত্ৰ এক ৰাণত পৰাজিত হয়।



*লক্ষ্ণৌত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় ১৩ বছৰ অনূৰ্ধ্ব হকী প্ৰতিযোগিতাত অংশ ল'বলগীয়া অসম দলটো।*

## বিলাসনন্দন চ'ৰা



# টে'টাৰ হিটাৰ হ'ল

**টে'টাৰসকলে** অলপ বেছি বেছি কৰে। সৰু-সুৰা কথাতে আন্দোলন কৰিবলৈ ওলাই আহে। আৰে, এইটো কিবা কথা হ'ল নেকি? পৰীক্ষা দিছে, পাছ কৰিছে, চাকৰি পাইছে। এতিয়া চাকৰিটো বোলে পাৰ্মানেণ্ট কৰিব লাগে। পাৰ্মানেণ্ট কৰিবলৈ কাক কৈছে? শিক্ষিত মন্ত্ৰীক কৈছে। তেওঁৰ আকৌ নিজৰ চাকৰিটোৱে নিয়মীয়া নহয়, তেওঁনো বেলেগৰ চাকৰি কেনেকৈ নিয়মীয়া কৰিব? অ' এইটো কথা ঠিক যে আগেয়ে সৱ টে'টাৰেই চাকৰি পাব বুলি কোৱা হৈছিল। এতিয়া আকৌ বুজাই দিয়া হৈছে টে'টাৰ হ'লেই যে মাষ্টৰ হ'ব পাৰিব তাৰ কোনো গেৰাণ্টি নাই। গেৰাণ্টিনো কিহত আছে? এক লাখ চাকৰিৰে গেৰাণ্টি আছে নে বাদশ্বাহে কোৱা এক কোটি চাকৰিৰে গেৰাণ্টি আছে? বৰ্তমান এটা কথাতে গেৰাণ্টি দিব পাৰি। সেয়া হ'ল—ক'ৰবাত যদি মন্দিৰ বনোৱাৰ কথা আছিল, সেয়া বনিবই। তাৰ বাহিৰে বেলেগ কোনো কথাৰে গেৰাণ্টি নাই। এনে এটা পৰিৱেশত টে'টাৰসকলে চাকৰিৰ গেৰাণ্টি বিচাৰি আহিলে কেনেকৈ হ'ব? তাৰ বাবে ক্লাছ ক্ষতি কৰি শ্ল'গান গাবলৈ অহাটো একেবাৰে ক্লাছলেছ কথা! ইয়াৰে উত্তৰ দিবলৈ গৈ দুই-এক টে'টাৰে ওলোটাকৈ প্ৰশ্ন কৰিছে যে অফিচৰ কাম-কাজ আধাতে এৰি চিনেমা চাবলৈ যোৱাটোনো কি ধৰণৰ কথা আছিল? আৰে ভাই, চৰকাৰী কৰ্মীসকলে চিনেমা চাবলৈ যোৱাৰ ফলত কাৰো একো লোকচান নহয়তো! খুব বেছি দুটামান মাখি কমকৈ মৰিব। পাছদিনাখন গৈ সেই



মাখি দুটা মাৰি টোপনিয়াই থাকিলেই হ'ল। টেবুলৰ ফাইলৰ দ'মবোৰতো আছেই গাৰু কৰিবলৈ। কিন্তু টে'টাৰসকল তেনেকুৱা নহয়। তেৰাসৱৰ ওপৰত ষ্টুডেণ্টছৰ ফিউচাৰ নিৰ্ভৰ কৰে। এই যুক্তি দেখুৱাবলৈ গ'লেই টে'টাৰসকলে চিঞৰি উঠে—'বাদ দিয়কহে ফিউচাৰ! আমাৰ নিজৰেই ফিউচাৰ ফিউজ হওঁ হওঁ।'

টে'টাৰসকলে যে আহি হাত দুখন দাঙি দাঙি শ্ল'গান গালে, এই কথাটো দিছপুৰৰ বহুতে ভাল পোৱা নাই। কাৰণ এই আন্দোলন বস্তুটো ক'ভিডতকৈও সংক্ৰামক। এটাই কৰা দেখিলে বাকীবোৰো জাগি উঠে। এনেকৈ জাগোতে জাগোতে এদিন গৈ আটায়ে কা কা বুলি চিঞৰিবলৈ লয়, আটাইৰে লুকাই তত্ নোপোৱা অৱস্থা হয়। তেতিয়াৰে পৰা এই আন্দোলনবোৰ হ'বলৈ পালেই দিছপুৰ বা দিল্লী সজাগ হৈ যায়। খবৰ কৰে—শ্ল'গানৰ গায়কসকলৰ মাজত কোনোবাই কা কা বুলিও চিঞৰিছে নেকি? যদি চিঞৰিছে লগালগ কেছৰ ফাইল মেলি লৈ চিন্তা কৰে—কোনটো কোনটো জাপিব পাৰি।

যিয়ে নহওক, টে'টাৰসকল হিটাৰ হোৱাৰ কাৰণ বহু আছে। তেওঁলোকে পৰীক্ষা দি আগদুৱাৰেদি ক্লাছত সোমাইছে। পাছদুৱাৰেদি সোমোৱাকেইটাই আকৌ তেৰাসৱক বৰ বেছি পাত্তা নিদিয়ে। কিয় পাত্তা নিদিয়ে। পাছদুৱাৰেদি সোমোৱাকেইটাই টে'টাৰসকলক চান্স পালেই খোঁচ মাৰি দিয়ে—'চেনেল লাগে বুজিছা। চেনেল থকা কাৰণে চোৱা—আমি কি মস্তীত চাকৰিত সোমাই গ'লো। আৰু চেনেল নাই কাৰণে তোমালোকে মূৰ খজুৱাই খজুৱাই পৰীক্ষা দি মৰিব লগা হৈছে।' টে'টাৰসকলেও কয়—'কিয় চেনেল নাথাকিব আমাৰ। ১২৪ টা চেনেল আছে আমাৰ টিভিত!' পাছদুৱাৰৰ কেইটাই আকৌ বুজায়—'টিভি চেনেলৰ কথা কোৱা নাইহে! ফিটিঙৰ কথা কৈছো। ফিটিং থাকিব লাগিব!' টে'টাৰসকলে নিজৰ ছাৰ্ট-পেণ্টযোৰলৈ চাই কয়, 'ক'তা, ঠিকেইতো আছে। পূৰা ফিটিং হৈ আছে।'

পাছদুৱাৰৰ কেইটাই টে'টাৰৰ উত্তৰবোৰ শুনি হাঁহে আৰু কয়, 'এই কাৰণেই বুজিছা, একো বুজি-তুজি নোপোৱা কাৰণেই তোমালোকৰ আজি এই দশা!' কি দশা বুলি সোধোতে সিহঁতে টে'টাৰবোৰক বুজাই দিলে যে সিহঁতে ক্লাছ কৰাত সাংঘাতিক অনিয়মীয়া, কাৰণ সিহঁতৰ চাকৰিটো নিয়মীয়া। আকৌ টে'টাৰসকল ক্লাছ কৰাত সাংঘাতিক নিয়মীয়া, সেই কাৰণে চাকৰিটো অনিয়মীয়া। এইবোৰ যুক্তিয়ে টে'টাৰক হিটাৰ নকৰি কি কৰিব?

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## তামুলপুৰৰ ভূটান সীমান্তৰ চিটিকাজানত এটুপি বিশুদ্ধ খোৱা পানী বিচাৰি ৰাইজৰ হাহাকাৰ



# তলি উদং কুঁৱাই শেষ ভৰসা শতাধিক পৰিয়ালৰ

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৫ মাৰ্চ ঃ** এটুপি বিশুদ্ধ খোৱা পানীৰ বাবে হাঁহাকাৰ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ এক নম্বৰ ডোঙাৰগাঁও চিটিকাজানৰ শতাধিক পৰিয়ালে। যি সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘৰ ঘৰ জল ঘৰ ঘৰ নল শ্ল'গানেৰে জলজীৱন মিছন নামৰ অভিলাষী আঁচনি ঘোষণা কৰিছে তেনে সময়তে চিটিকাজানবাসীয়ে এতিয়া এটুপি বিশুদ্ধ খোৱা পানী বিচাৰি হাবাথুৰি খাব লগা হৈছে। জলজীৱন মিছন নামৰ চৰকাৰৰ অভিলাষী আঁচনিয়ে ঢুকি পোৱা নাই এই অঞ্চলটোত। যাৰ বাবে এটুপি খোৱা পানীৰ বাবে বছৰ বছৰ ধৰি নৰক-যন্ত্ৰণা ভুগি আহিছে ভাৰত ভূটান সীমান্তবৰ্তী অঞ্চলটোৰ ৰাইজে। গাঁওবাসী ৰাইজৰ বাবে এতিয়া শেষ ভৰসা হৈ পৰিছে গাঁওখন থকা একমাত্ৰ কুঁৱা এটা। গাঁওখনৰ মূৰত থকা নিগৰি নিগৰি জমা হোৱা একমাত্ৰ কুঁৱাটোৰ পৰা পানী সংগ্ৰহ কৰিবলৈ পুৱাৰে পৰা শাৰী পাতি পানী সংগ্ৰহ কৰে গাঁওখনৰ প্ৰতিটো পৰিয়ালৰ লোকে। নিশাৰে পৰা এটুপি পানীৰ কাৰণে ডেৰ-দুই কিলমিটাৰ দূৰৈৰ পৰা হাতত বাল্টি, টিন, গেলন, কলহ আদি লৈ পালপাতি শাৰী পাতে কুঁৱাটোৰ ওচৰত। লাইন পাতি থিয় হৈ বহু সময় অপেক্ষা কৰিহে পানী পাবলৈ সক্ষম হয় একোজনে লোকে। পৰিয়ালৰ কোনোবাই যদি নিশা পানী নিবলৈ আহে কোনোবাই পুৱাৰ ভাগত আহে। কে'বা ঘন্টা অপেক্ষাৰ অন্তত সংগ্ৰহ কৰা সামান্য পানীৰেই অঞ্চলটোৰ ৰাইজে ৰন্ধন বঢ়া কাৰ্য, গাধোৱা, কাপোৰ ধোৱা, বাচন ধোৱাৰ লগতে পোহনীয় জীৱ-জন্তুকো খুৱাব লগাত পৰিছে সেই পানী। ওচৰৰ নদ-নদী জান-জুৰি শুকাই যোৱাত এনেদৰে পানীৰ বাবে সংগ্ৰাম কৰিব লগাত পৰিছে অঞ্চলটোৰ ৰাইজে । বছৰ বছৰ ধৰি এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে এই গাঁৱৰ ৰাইজে। স্থানীয় ৰাইজৰ অভিযোগ নিৰ্বাচনৰ সময়ত নেতাসকল আহে সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিয়ে কিন্তু নিৰ্বাচন শেষ হোৱাৰ পাছত সকলো পাহৰি যায়।

এই সন্দৰ্ভত অঞ্চলটোৰ ওম শৰ্মা, কমল শৰ্মা, অলকা দাসৰ লগতে কে'বাজনো বয়োজেষ্ঠ লোকে 'দৈনিক অগ্ৰদূত'ৰ আগত ক্ষোভ ব্যক্ত কৰি কয়, 'দেশ স্বাধীন হোৱাৰ আগৰে পৰাই আমাৰ পূৰ্বজসকল অঞ্চলটোত বসবাস কৰি আহিছে।' তেওঁলোকে পুনৰ কয় যে বিগত প্ৰতিটো নিৰ্বাচনতে ভোটদান কৰি জনপ্ৰতিনিধি নিৰ্বাচন কৰি আহিছে। নিৰ্বাচনৰ সময়ত ভোট বিচাৰি আহি বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ৰাইজক বাট-পথৰ লগতে খোৱাপানীৰ সমস্যা সমাধান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। কিন্তু নিৰ্বাচনৰ পাছতে অঞ্চলটোলৈ পিঠি দিয়ে নিৰ্বাচিত হৈ যোৱা জনপ্ৰতিনিধিয়ে নিৰ্বাচন গ'লেই সকলো ফুটুকাৰ ফেনত পৰিণত হয়। নিৰ্বাচনৰ সময়তহে জনপ্ৰতিনিধিৰ মুখ দেখা অঞ্চলটোৰ ৰাইজৰ দুখ দুৰ্দশাৰ খবৰ ল'বলৈ নিৰ্বাচন গ'লেই কাৰো আহৰি নাথাকে । ভোট বিচাৰি যোৱা জন প্ৰতিনিধিয়ে দিয়া প্ৰতিশ্ৰুতি সমূহো এতিয়া তেওঁলোকৰ বাবে নুবুজা সাঁথৰত পৰিণত হৈছে। আনহাতে, বিটিচি চুক্তিৰ পাছতে অঞ্চলটো বিটিচিৰ ২৭ নম্বৰ নাগ্ৰিজুলী পৰিষদীয় সমষ্টিৰ অন্তৰ্ভূক্ত হয় যদিও সমষ্টিটোৰ পৰা দুবাৰকৈ নিৰ্বাচিত বৰ্তমান বিটিআৰ পৰিষদীয় চৰকাৰৰ কাৰ্যনিৰ্বাক সদস্যৰ দায়িত্ব লাভ কৰা অঞ্চলটোৰে ধৰ্মনাৰায়ণ দাসেও চিটিকাজান বাসী ৰাইজৰ সমস্য সমাধানৰ ক্ষেত্ৰত আজিকোপতি কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰে স্থানীয় ৰাইজে।

# অংগনৱাড়ী কেন্দ্ৰৰ দুৰৱস্থাই উদঙাইছে সমাজ কল্যাণ বিভাগৰ স্বৰূপ

■ ৰঙাগড়াত জৰাজীৰ্ণ বাঁহৰ বেৰৰ মাজতেই চলিছে মানৱ সম্পদ গঢ়াৰ কৰ্মশালা ■ নাই পানী-শৌচালয়-প্ৰস্ৰাৱাগাৰ ■ সমীপৰ পৰিয়ালৰ চোতালত প্ৰস্তুত কৰিব লাগে খাদ্য

**খুমটাই, ২৫ মাৰ্চ ঃ** সমাজ কল্যাণ বিভাগৰ অৱহেলাৰ বাবে গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়াঘাটৰ তিনি নম্বৰ ৰঙাগড়া অংগনৱাড়ী কেন্দ্ৰটোৰ এটা জুপুৰি সদৃশ গৃহত শিশুসকলক আদিপাঠ দিছে অংগনৱাড়ী কৰ্মীয়ে। উল্লেখ্য যে বিগত ১৩ বছৰে ফুটা টিনপাত আৰু জৰাজীৰ্ণ বাঁহৰ বেৰৰ মাজতে চলাইছে মানৱ সম্পদ গঢ়াৰ কৰ্মশালা। যিসময়ত সমাজ কল্যাণ বিভাগে শিশুসকলৰ শাৰীৰিক-মানসিক উৎকৰ্ষ সাধনৰ বাবে অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ, পুষ্টিকৰ খাদ্য যোগানকে ধৰি বিভিন্ন আঁচনি গ্ৰহণ কৰিছে সেই সময়তো বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত তিনি নম্বৰ ৰঙাগড়া অংগনৱাড়ী কেন্দ্ৰটোৰ জৰাজীৰ্ণ অৱস্থাই উদঙাইছে কণকণ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা বিভাগটোৰ দায়বদ্ধতাৰ ছবিখন। উল্লেখ্য যে ২০০৯তে ৰঙাগড়াৰ এৰাবাৰী আৰু কঠিয়াতলীৰ অঞ্চলৰ মধ্যস্থানত প্ৰতিষ্ঠা হোৱা উক্ত কেন্দ্ৰটোৰ ওপৰত বিগত ১৩ বছৰে বিভাগটোৰ দৃষ্টি নপৰিল। অঞ্চলটোৰ কণকণ শিশুৰে শিক্ষা গ্ৰহণ কৰা কেন্দ্ৰটোত আজিকোপতি নাই এটা পকী গৃহ। ফলত এজাক সামান্য বতাহ-বৰষুণতে কেন্দ্ৰটো বন্ধ ৰাখিবলগীয়া হয় অথবা জৰাজীৰ্ণ গৃহতেই ছাতি-জাপি লৈ ছাত্ৰ ছাত্ৰীসকলক শিক্ষা গ্ৰহণ কৰিব লাগে। তদুপৰি উক্ত কেন্দ্ৰটোত নাই কোনো চকী-মেজ অথবা ডেস্ক-বেঞ্চৰ ব্যৱস্থা। নাই খোৱা পানীৰ লগতে শৌচালয় আৰু প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা। ইপিনে, ছাত্ৰ-ছাত্ৰীসকলৰ আহাৰ প্ৰস্তুত কৰিবলৈ ব্যৱস্থা নথকাত কাষৰীয়া লোকৰ চোতালত মুকলিভাৱেই আহাৰ তৈয়াৰ কৰিবলগীয়া হৈছে। লগতে যাৱতীয় সামগ্ৰীও মজুত কৰিব লগা হয়। সমষ্টিটোত এনে বহুতো কেন্দ্ৰ আছে যদিও এই ক্ষেত্ৰত বিভাগে আজি পৰ্যন্ত বিশেষ গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। স্থানীয় ৰাইজে বিধায়ক তথা কৃষিমন্ত্ৰী অতুল বৰাক জৰাজীৰ্ণ অংগনবাড়ী কেন্দ্ৰসমূহৰ স্থায়ী গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে।





জনজাতিকৰণকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত গুৱাহাটীত আক্ৰাছুৰ ধৰ্ণা, শুকুৰবাৰে।

# চিকিৎসকৰ অভাৱ ওদালগুৰি অসামৰিক চিকিৎসালয়ত



বিশেষ সংবাদদাতা

**ওদালগুৰি ২৫ মাৰ্চ ঃ** ওদালগুৰি জিলাৰ ২০০খন বিছনাযুক্ত ওদালগুৰি অসামৰিক চিকিৎসালয়খনত উপযুক্ত চিকিৎসা ব্যৱস্থা নথকাত ৰাইজে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। চিকিৎসালয়খনত ৩৫ গৰাকী চিকিৎসকৰ প্ৰয়োজন আছে যদিও বৰ্তমান ২০ গৰাকী চিকিৎসকেৰেহে সেৱা আগবঢ়াই আছে। ফলত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে ৰোগীসকল। উল্লেখ্য যে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা ৰোগীয়ে চিকিৎসাৰ বাবে আহে যদিও পৰ্যাপ্ত চিকিৎসকৰ অভাৱৰ বাবেই এইসকল ৰোগীয়ে উভতিবলগীয়া হোৱাৰ অভিযোগ উত্থাপিত হৈছে। উক্ত চিকিৎসালয়খনত থকা বিনামূলীয়া চিটী স্কেনৰ সুবিধাৰ পৰা বিভিন্ন সময়ত বঞ্চিত হৈ আহিছে সাধাৰণ ৰোগী। বিদ্যুৎ গ'লেই চিটী স্কেন সম্পন্ন কৰাৰ বাবে জেনেৰেটৰৰ ব্যৱস্থা নাই। পূৰ্বে বিকল্প হিচাপে জেনেৰেটৰৰ সুবিধা আছিল যদিও বিগত এবছৰ ধৰি উক্ত জেনেৰেটৰটো বিকল হৈ আছে। ফলত আজিও চিটী স্কেন বিভাগৰ সন্মুখত ৰোগীয়ে দীঘলীয়া শাৰী পাতিবলগীয়া হৈছে। বিভিন্ন জৰুৰী চিকিৎসাৰ ৰোগী তথা ৰোগীৰ অভিভাৱককেও ঘণ্টাৰ পাছত ঘণ্টা ধৰি চিটী স্কেনৰ বাবে শাৰী পাতিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত অপেক্ষাৰত ৰোগীৰ আত্মীয়ই অভিযোগ কৰি কয় যে বিদ্যুৎ নথকা বাবেই চিকিৎসালয়খনত আজিৰ দিনটোত চিটী স্কেনৰ পৰা বঞ্চিত হৈছে ৰোগী। বিভাগীয় কৰ্তৃপক্ষই বিদ্যুৎ অহা পৰ্যন্ত তেওঁলোকক অপেক্ষা কৰাৰ বাবে আহ্বান জনোৱা বুলিও ক্ষোভেৰে কয়। আনকি কৰ্তৃপক্ষই লগতে যিসকল ৰোগীক জৰুৰীভাৱে চিটী স্কেনৰ প্ৰয়োজন তেওঁলোকক অন্যস্থানলৈ গৈ চিটী স্কেনৰ পৰামৰ্শ আগবঢ়োৱা বুলিও ৰোগীৰ অভিভাৱকে উল্লেখ কৰে। সমান্তৰালভাৱে চিকিৎসালয়খনত প্ৰয়োজনীয় ঔষধৰ অভাৱ ঘটা বুলিও ৰোগী তথা আত্মীয়ই অভিযোগ উত্থাপন কৰিছে। চিকিৎসকে কোনো ৰোগৰ চিকিৎসাৰ বাবে পাঁচটা ঔষধ লিখি দিলে তাৰ ভিতৰত কেৱল এটা ঔষধহে চিকিৎসালয়খনত উপলব্ধ থকাৰ বিপৰীতে আন অধিকাংশ ঔষধেই বাহিৰৰ ব্যক্তিগত ফাৰ্মাচীৰ পৰা কিনিব লাগে বুলিও তেওঁলোকে অভিযোগ উত্থাপন কৰে। চিকিৎসালয়খনৰ এনে অৱস্থাৰ বিষয়ে ভাৰপ্ৰাপ্ত অধীক্ষক ডাঃ চি এন ঠাকুৰীয়াই কয়, 'বৰ্তমান ওদালগুৰি অসামৰিক চিকিৎসালয়খনত চিকিৎসকৰ যথেষ্ট নাটনি দেখা গৈছে। আমাৰ ইয়াত বৰ্তমান বিভিন্ন বিভাগত প্ৰায় ৩৫ গৰাকীতকৈও অধিক চিকিৎসকৰ প্ৰয়োজন যদিও বৰ্তমান কেৱল ২০ গৰাকী চিকিৎসকৰ দ্বাৰাহে চলাই থাকিবলগীয়া হৈছে। অতি প্ৰয়োজনীয় মেডিচিন, ৰেডিঅ'লজী, প্ৰসূতি ৰোগৰ এগৰাকীকৈ চিকিৎসক আছে। গতিকে তেওঁলোকক ২৪ ঘণ্টাই কাম কৰোৱাটো অসম্ভৱ। লগতে তেওঁলোকৰ ব্যক্তিগত অসুবিধা, ছুটী আদি থাকে। সেয়েহে আমি তেওঁলোকৰ কৰ্তব্যৰ সময় ভাগ কৰি ৰাখিছো।' সমান্তৰালভাৱে ব্লাড বেংকটোৰ যন্ত্ৰয়ো বিভিন্ন সময়ত অসুবিধাৰ সৃষ্টি কৰা বুলি তেওঁ উল্লেখ কৰে। অৱশ্যে মঙলদৈ অসামৰিক চিকিৎসালয়ে এইক্ষেত্ৰত তেওঁলোকক সময়ে সময়ে সহযোগিতা আগবঢ়োৱা বুলিও তেওঁ উল্লেখ কৰে। উক্ত অসামৰিক চিকিৎসালয়খনত এম্বুলেন্সৰ অভাৱৰ কথাও বিষয়াজনে স্বীকাৰ কৰে।

fssai
FOOD SAFETY AND STANDARDS AUTHORITY OF INDIA
Inspiring Trust, Assuring Safe & Nutritious Food
Ministry of Health and Family Welfare, Government of India


NOTICE FOR FOOD BUSINESSES
Regarding - Mandatory modification of license
Last Date - 31st March, 2022

Who are required to modify their license?
1. Manufacturers (including repackers and relabellers) having licenses issued through old methodology (granted from FLRS) have to shift to product selection methodology of FoSCoS.
2. Manufacturers holding state licenses for products under Nutraceuticals, Health Supplements, Special Dietary & Medical Use Foods, Functional and Novel Foods Regulation have to shift to Central License.
- License number will not change on modification
- Wef 1st April 2022 - above stated manufacturers (who have not modified their license) will not be allowed to file renewal application of their existing licenses. File application for modification of license through FoSCoS portal i.e. https://foscos.fssai.gov.in or call us @1800112100 in case of queries.

Executive Director(CS)
FSSAI
davp /17163/12/0019/2122







# দৰঙৰ ঐতিহাসিক জলজলী পুখুৰী খননত উদ্ধাৰ পুৰাতাত্ত্বিক সমল

■ পুৰাতত্ত্ব বিভাগৰ পৰিদৰ্শন

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৫ মাৰ্চ ঃ** দৰং জিলাৰ মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহাসিক জলজলী পুখুৰীত শতাধিক ভাস্কৰ্যখোদিত শিলাখণ্ড উদ্ধাৰ হৈছে। কে'বাশতিকা প্ৰাচীন তথা ৰজা আৰিমত্ত দিনত খনন কৰা এই পুখুৰীটোত এয়া দ্বিতীয়টো ঘটনা। উল্লেখ্য যে কিছুদিন আগলৈকে স্থানীয় ৰাইজে সকাম-উৎসৱ আদিৰ বাবে নৈবেদ্য আগবঢ়ালে পুখুৰীটোৰ মাজৰ পৰা নৌকাত প্ৰয়োজনীয় বাচন-বৰ্তন সোণ-ৰূপৰ ওলাই আহিছিল বুলি এটি জনশ্ৰুতি আছে । সেয়ে পুখুৰীটো সকলোৱে পৰম পৱিত্ৰ বুলি গণ্য কৰি আহিছে। এবাৰ দুষ্ট চক্ৰ বাচনবৰ্তনবোৰ ওভতাই নিদিয়াৰ পৰা এইদৰে বাচনবৰ্তন ভাঁহি উঠা বন্ধ হ'ল বুলিও ৰাইজে জনায়। বৰ্তমানৰ বয়োজ্যেষ্ঠ সকলৰ মতে, পুখুৰীটো খনন কৰিবলৈ কোনোৱে সাহস কৰা নাছিল। তাৰ পাছত ৰাইজে ২০০৮ত খনন কৰিছিল আৰু সকলোকে আচৰিত কৰি মাটিত পোত খাই থকা অৱস্থাৰ পৰা শতাধিক ভাস্কৰ্যখোদিত শিলাখণ্ডৰ লগতে হোমবাৰি, ঘন্টাজাতীয় পূজাত ব্যৱহৃত সমল উদ্ধাৰ হৈছিল। কিন্তু পুৰাতত্ত্ব বিভাগৰ হস্তক্ষেপত খনন আধৰুৱা হৈ ৰৈছিল। এইবেলি ১৪ বছৰৰ মূৰত পুনৰ খনন কৰাত কালি আৰু আজি পুখুৰীটোৰ মজিয়াৰ উত্তৰ দিশত পুনৰ উদ্ধাৰ হৈছে বিভিন্ন শিলাখণ্ড। ইয়াৰে একাংশত বিষ্ণুৰ মূৰ্তি, একাংশত পূজাত ব্যৱহৃত থালৰ দৰে খোদিত কৰা আছে। আন একাংশ বিভিন্ন কাৰুকাৰ্য খোদিত আছে। অধিকাংশ এতিয়াও বোকাত লুতুৰি-পুতুৰি হৈ থকাৰ বাবে স্পষ্ট হোৱা নাই। ইপিনে, স্থানীয় ৰাইজে পুৰাতত্ত্ব বিভাগৰ স'তে যোগাযোগ কৰাত আজি খনন বিষয়া, সংৰক্ষণ বিষয়াসহ তিনিজনীয়া বিষয়াৰ দলে পুখুৰীটো পৰিদৰ্শন কৰে। তেওঁলোকে সাময়িকভাৱে এই খনন কাৰ্য বন্ধ কৰে। স্থানীয় ৰাইজে উল্লেখ কৰা মতে ২০০৮ তো পুৰাতত্ত্ব বিভাগে খননকাৰ্যত হস্তক্ষেপ কৰিছিল যদিও পাছলৈ বৰষুণ অহাত খনন আধৰুৱা হৈছিল । এইবেলিও হস্তক্ষেপ কৰিছে যদিও বিভাগটোৱে উপযুক্ত পদক্ষেপ নল'লে ঐতিহ্যমণ্ডিত জলজলী পুখুৰীৰ বুকুত লুকাই থকা গুপুত ৰহস্য পুনৰ অনাবিস্কৃত হৈয়ে ৰ'ব । আনহাতে উদ্ধাৰ হোৱা সমল-কীৰ্তিচিহ্নসমূহ দৰ্শন কৰিবলৈ কৌতূহলী লোকৰ সোঁত বৈছে ।



# বৰমাৰ বিহু কৰ্মশালাত দুই শতাধিক কণ কণ শিশুৰ অংশগ্ৰহণ



**বৰমা, ২৫ মাৰ্চ ঃ** বৰমা হাইস্কুল খেলপথাৰত মাৰ পাগলাদিয়া নৈৰ পাৰত আজিৰে পৰা আৰম্ভ হৈছে বিহু নাচ আৰু ঢোল বাদনৰ কৰ্মশালা। বৰমাৰ সমন্বয় কলাকেন্দ্ৰৰ উদ্যোগত আজিৰে পৰা সাতদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে বিহু নাচনি আৰু বিহু ঢোলৰ প্ৰশিক্ষণ। আজি আবেলি অনুষ্ঠিত বিহু কৰ্মশালাৰ বন্তি প্ৰজ্বলন কৰে বৰমা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিতুমণি গোস্বামীয়ে। কৰ্মশালা উদ্বোধন কৰে লেখিকা ৰঞ্জনা তালুকদাৰে। কৰ্মশালাত অতিথি হিচাপে উপস্থিত থাকে বৰমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ লগতে বৰমাৰ বহু সাংস্কৃতিক কৰ্মী। বিহু কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকি প্ৰশিক্ষণ দিয়ে বিহু সম্ৰাজ্ঞী কনিকা ইংতি আৰু নিশা বড়োই। বৃহত্তৰ বৰমা অঞ্চলৰ দুই শতাধিক কণ কণ শিশু, কিশোৰ-কিশোৰী বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত উপস্থিত হৈ এই কৰ্মশালা ভাগ লয়। বৰমা সমন্বয় কলাকেন্দ্ৰৰ তত্ত্বাৱধায়ক আম্বিয়া আহমেদৰ নেতৃত্বত পৰিচালিত কৰ্মশালাখনে বৰমাত বিহুৰ ক্ষেত্ৰখনক আগুৱাই নিব বুলি উপস্থিত ব্যক্তিসকলে মত প্ৰকাশ কৰে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com